REFERENCE
(Not for Issue)

# ASSAM
# Legislative Assembly
# Debates

## OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION
## VOL. I

NO. 9

The 22nd March, 1971

*Mudransree, S. C. Goswami Road,*
*Panbazar : Guwahati—781 001*

DEBATES OF THE ASSAM
LEGISLATIVE ASSEMBLY, 1971

Budget Session

Vol. I No. 9

The 22nd March, 1971

CONTENTS


| | | Pages |
|---|---|---|
| 1. | Starred Questions and Answers | 5—29 |
| 2. | Complaint of Breach of Privilege—Announcement by the All India Radio | 29—43 |
| 3. | Re : Privilege Motion against the Minister, Finance | 43—44 |
| 4. | Re : The Assam Agricultural Produce Marketing Bill, 1970. | 44 |
| 5. | Calling Attention To A Matter of Urgent Public Importance—Small-pox epidemic at Hajo. | 44—46 |
| 6. | Re : Death of a P.S.P. Leader at the hands of Police. | 46-47 |
| 7. | Re : Replies to Unstarred Questions. | 47 |
| 8. | Presentation of the Budget for the 1971-72. | 47—105 |
| 9. | The Assam Agricultural Income-Tax (Amendment) Bill, 1970. | 106 |
| 10. | The Assam Agricultural Income-Tax (Amendment) Bill, 1971. | 106—109 |
| 11. | The Revenue Recovery (Assam Amendment) Bill, 1971. | 109 |
| 12. | The Assam Public Premises (Eviction of Unauthorised Occupants) Bill, 1971. | 109-111 |
| 13. | Resolution : Conversion of Jyoti Chitraban into a Registered Society. | 111—131 |
| 14. | Adjournment. | 131 |

Proceedings Of the Eleventh Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India

—

The Assembly met in the Assembly Chamber, Shillong, at 10 A.M. on Monday, the 22nd March 1971

## PRESENT

Shri Mohi Kanta Das. M. A., B. L., Speaker, in the Chair, Eleven Ministers, eight Ministers of State, Three Deputy Ministers and Fortynine Members.

## STARRED

## QUESTIONS AND ANSWERS

(To which oral answers were given)

### Re: NAGALAND MINISTER ON BOUNDARY ISSUE

Shri Maneswar Boro asked:

*37. Will the Chief Minister be pleased to state—

(a) Whether the attention of the Chief Minister has been drawn to the news-item published in

the Assam Tribune, dated 14th January 1971 under the caption 'Nagaland Minister on Boundary issue'?

(b) If so, how far the allegation made by the Nagaland State Minister in the News-item against the Assam Government is correct?

(c) Whether the Government of Assam will take necessary steps against the Nagaland Government if the allegation published in this news-item is found correct for misleading the readers particularly to the people of Assam?

Shri Mahendra Mohan Choudhury (Chief Minister) replied :

37. (a)—Yes.

(b)—The allegations made by the Nagaland State Minister in the news-item against the Assam Government are not correct. As regards the allegations made in the Ist and 2nd Para of the news-item regarding boundary issue, the fact is that the latest Notification defining the then district of Naga Hills was of 1925 and on the basis of this Notification ground demarcations were made and posts and pillars erected along the boundary except for one or two areas where natural features in the form of streams formed the boundary. According to the Naga Hills Tuensang Area Act, 1957 and the State

of Nagaland Act, 1962, the Notification of 1925 describes the boundary between the State of Assam and Nagaland for the portion falling along the erstwhile Naga Hills district. Regarding the last para of the news-item it is not a fact that our Police personnel with 80 labourers harvested paddy in Doyang Valley on 27th November 1970. As regards dismantling of houses by our Police of Tusirang Valley as reported in the news-item, the fact is that on 5th January, 1971 under the existing Forest laws, our Forest officials with the help of Police dismantled 11 houses belonging to Naga encroachers. These houses were constructed in Central Dessoi at a place four miles inside territory of Assam. As regards Tuli Paper Mill it is not a fact that the Nagaland labourers are troubled by our Police. On the contrary Nagaland labourers are sent to repair stretches of road falling within our territory.

(c) These matters have been taken up with the Government of Nagaland as well as with the Government of India from time to time.

Shri Maneswar Boro —এই অসম আৰু নাগালেণ্ডৰ সীমা বিবাদৰ Solution ৰ কাৰণে কিবা এটা উপায় লৈছে নেকি? যদি লৈছে সেইটোৰ উপায় কি?

Shri Mahendra Mohan Choudhury —আমাৰ আইন মতে ১৯২৫ চনৰ নগালেণ্ড আৰু অসমৰ সীমা যি বিজ্ঞপ্তি আছে সেই বিজ্ঞপ্তি অনুসৰি আমাৰ চৰকাৰে সেই সীমা ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে।

Shri Maneswar Boro—এই সীমা বিবাদটো যেতিয়া মাৰিব পৰা নগ'ল তেতিয়া এই সীমা বিবাদটো নিষ্পত্তি কৰিবলৈ Boundary Commission নিয়োগ কৰাটো বেচি ভাল হব নে ?

Shri Mahendra Mohan Choudhury —যদি এইটো সীমা সম্পৰ্কীয় কাজিয়া হ'লহেঁতেন তেতিয়াহলে Boundary Commision ৰ কথা ইয়াত উঠিব পাৰে কিন্তু সেইটো সীমা সম্পৰ্কীয় কাজিয়া নহয় কাৰণ ১৯২৫ চনতে Tuensung আইনমতে অসম আৰু নাগালেণ্ডৰ যি সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল সেই খেনিত Boundary Commision ৰ কথা ইয়াত উঠিব নোৱাৰে।

Shri Maneswar Boro—১৯২৫ চনৰ যিটো Boundary সেইটো মানি লোৱা নাই, তেতিয়া উপায় কি আছে ? ১৯২৫ চনৰ অসম আৰু নাগালেণ্ডৰ সীমা নিৰ্দ্ধাৰণ কৰা হোৱা নাই আৰু অসম চৰকাৰৰ লগত এতিয়াও সীমা বিবাদ চলিয়েই আছে।

Shri Mahendra Mohan Choudhury —তথাপিতো Commission পতাৰ কথা উঠিব নোৱাৰে।

Shri Premadhar Bora —মুখ্য মন্ত্ৰী মহোদয়ে কৈছে এই সীমা বিবাদৰ কথাটো ১৯২৫ চনৰ যিটো Boundary ; তাৰ ওপৰত নিৰ্ভৰ কৰিছে ; কিন্তু আচৰিত কথা যে ১৯২৫ চনৰ যিটো সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল, সেই সীমাও অতিক্ৰম কৰি তেওঁলোকে সোমাই আহিছে এনে অৱস্থাত সেই সময়ৰ সীমাটোকে বনাই লোৱাৰ ব্যৱস্থা হৈছে নে ?

Shri Mahendra Mohan Choudhury —১৯৫৭ চনৰ যি টুৱেনচাং act. ভাৰত চৰকাৰেই নিৰ্দ্ধাৰণ কৰিছিল আৰু ১৯২৫ চনৰ বিজ্ঞপ্তি অনুসৰি অসম আৰু নগালেণ্ডৰ যি সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল সেই সীমা লৰচৰ কৰিব নোৱাৰে। কিন্তু এই ক্ষেত্ৰত যিবিলাক গোলমালৰ উদ্ভৱ হৈছে সেইবিলাক গুচাবৰ কাৰণে চেণ্টা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে

যদি এই ক্ষেত্ৰত নগালেণ্ড চৰকাৰক হস্তক্ষেপ নকৰে তেতিয়াহলে আমাৰ ফালৰ পৰাই বন্ধ কৰিবলৈ চেষ্টা কৰিম।

Shri Maneswar Boro — কেন্দ্ৰীয় চৰকাৰে আগৰে পৰা কৈ আহিছে কিন্তু আজিলৈকে কোনো সমীধান দিব পৰা নাই। আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত লিখালিখি কৰি আছে কিন্তু ফলাফল কি হৈছে ?

Shri Mahendra Mohan Choudhury — কেন্দ্ৰীয় চৰকাৰলৈ লিখা-লিখি কৰা হৈছে — ১৯২৫ চনৰ সীমা উলংঘা কৰিছে গতিকে এই ক্ষেত্ৰত তেওঁলোকক সীমা উলংঘা কৰাৰ পৰা বিৰত ৰাখিব লাগে। কেন্দ্ৰীয় চৰকাৰে জনাইছিল আমাক সময় দিব লাগে ; কাৰণ তেওঁলোকক বুজাবলৈ চেষ্টা কৰি আছে ; যদি কেন্দ্ৰীয় চৰকাৰে হস্তক্ষেপ নকৰে তেতিয়াহলে আমাৰ শক্তি প্ৰয়োগ কৰিব লাগিব।

Shri Debeswar Sarmah — শেষৰ উত্তৰত মুখ্য মন্ত্ৰী মহোদয়ে যি কলে, কিন্তু ভাৰতবৰ্ষৰ ভিতৰতে ২ খন ৰাষ্ট্ৰ অসম আৰু নাগালেণ্ডৰ ভিতৰতে গোলমাল। Nagaland পুলিশে আমাৰ মাটিত অবৈধ ভাবে outpost কৰিছে কিন্তু অসমৰ ২খন এক ৰাষ্ট্ৰৰ ভিতৰতে যুদ্ধ ঘোষণা কৰিব নোৱাৰে। কাৰ্য্যত ভয়ানক দিগদাৰ হব। বিশেষকৈ অসমৰ নগালেণ্ডৰ ভাইসকলৰ লগত আমি সদভাৱ বিচাৰো। মোৰ প্ৰশ্ন হৈছে ভাৰত চৰকাৰে Nagaland কৰি দিলে অথচ Nagaland ৰ বাজেটৰ অধি-কাংশ টকাও দিয়ে। কেন্দ্ৰীয় চৰকাৰেই তেওঁলোকক সম্পুৰ্ণ ৰূপে খুৱাই আছে চৰাইক টোপ খুৱাৰ দৰে। এনে অৱস্থাত যেতিয়া নগালেণ্ডৰ সশস্ত্ৰ পুলিশ বাহিনী আহি আমাৰ সীমাত সোমাই চকি পাতে, তেতিয়া আমাৰ ভাবিবলৈ সকাহ আছে যে কেন্দ্ৰীয় চৰকাৰে এই বিষয়ে উদগনি দিয়ে। ২য় কথা হৈছে মুখ্য মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত কেবাবাৰো আলোচনা কৰিছে। এই সংক্ৰান্তত প্ৰধান মন্ত্ৰীয়ে কি সমিধান দিলে ? শ্ৰীকে চি পান্তলৈ পঠিৱাৰ পিছত পন্থে P. A. লৈ পথাব, কিন্তু আমাৰ পধান মন্ত্ৰী মহোদয়ে কি সমিধান দিয়ে এই বিষয়ে

জানিব খোজো। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এইবিলাক যে উত্তৰগুলি কৰিছে ই কেন্দ্ৰীয় চৰকাৰৰ উচতনি নহয়নে ?

Shri Mahendra Mohan Choudhury —মই জনাত কেন্দ্ৰীয় চৰকাৰে স্পষ্ট ভাৱে Nagaland চৰকাৰক জনাইছে যে ১৯২৫ চনৰ যিটো Boundary সেইটো মানি লব লাগিব। ২য়তে সময়ে সময়ে Nagaland Boarder বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগৰ আলোচনা কৰা হৈছে। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী শ্ৰী K. C. Pant ৰ এই বিষয়ে নিজৰ দায়িত্ব আছে আৰু ইতিমধ্যে এই বিষয়ে initiative লোৱা হৈছে আৰু ১৯২৫ চনৰ Boundary ৰ সম্পৰ্কে আৰু ২য় মত থাকিব নোৱাৰে, কেন্দ্ৰীয় চৰকাৰে যদি ইয়াৰ বিহিত ব্যৱস্থা লব নোৱাৰে তেতিয়াহলে অসম চৰকাৰে নিজৰ শক্তিৰে ইয়াৰ ব্যৱস্থা কৰিব।

Shri Debeswar Sarmah —কেন্দ্ৰীয় চৰকাৰে ইয়াত কিবা উচতনি দিছে নেকি ?

Shri Mahendra Mohan Choudhury উচতনি দিয়া নাই।

( হাঁহাকাৰ )

Shri Premadhar Bora —মুখ্য মন্ত্ৰীৰ উত্তৰটো দুতৰপীয়া হৈছে। এহাতে তেখেতে কৈছে যে এই সীমা ১৯২৫ চনৰ নিৰ্দ্ধাৰিত সীমা। আনহাতে কয় যে নগাৰাজ্যৰ পুলিচে এই সীমা ( ১৯২৫ ) উলংঘা কৰি অসম ৰাজ্যত প্ৰৱেশ কৰিছে।

এতিয়া মুখ্য মন্ত্ৰীয়ে এইটো চৰকাৰৰ পৱিত্ৰ কৰ্ত্তব্য বুলি ভাবে নে নাভাবে যে এই ১৯২৫ চনৰ নিৰ্দ্ধাৰিত সীমাৰেখা উলংঘা কৰি অনু-প্ৰৱেশ কৰা বেদখলকাৰীক উচ্ছেদ কৰা হব আৰু ৰাইজক শান্তি আৰু নিৰাপত্তা দিয়া হব ?

Shri Mahendra Mohan Choudhury – এই প্ৰশ্নটোত ইমান উত্তেজনা প্ৰকাশ কৰা উচিত নহয়। যিহেতু দুয়োখন ওচৰ চুবৰীয়া ৰাষ্ট্ৰ গতিকে

প্ৰশাসনীয় ক্ষেত্ৰত দুয়োখন ৰাজ্যৰ মাজত সৎভাৱ ৰাখিবৰ চেষ্টা কৰিছো। যিমান পৰা যায় এই বিষয়ত আপোচ মীমাংসা কৰিব বিচাৰিছো।

Shri Kamini Mohan Sarma —নগালেণ্ড চৰকাৰে সশস্ত্ৰ বাহিনী আৰু লোকৰদ্বাৰা আমাৰ অসমৰ সীমাত সোমাই গ্ৰামাৰ মাটি বেদখল কৰিছে। এই বেদখল কৰা মাটিৰ পৰিমাণ কিমান তাৰ হিচাপ চৰকাৰে জানেনে? আৰু ইয়াক বন্ধ কৰিবৰ কাৰণে আমাৰ সশস্ত্ৰ বাহিনীৰ দ্বাৰা কি কাম কৰা হৈছে? সীমাৰ পোষ্ট আদি পোতাৰ ব্যৱস্থা কৰিছে নে?

Shri Mahendra Mohan Choudhury —হয়। মই উত্তৰত কৈছোই সেই অঞ্চলত খুটা পোতা হৈছে। কোনো কোনো ক্ষেত্ৰত তেওঁলোকে আমাৰ খুটা উঠাই দিছে আৰু আমি পুনৰ পুতি দিছো। তাৰ বাহিৰে নগালেণ্ড চৰকাৰে আমাৰ কিমান মাটি দখল কৰিলে তাৰ সঠিক হিচাব নাই। আমাৰ সীমাৰ ভিতৰত তেওঁলোকে ৮ টা out post খুলিছে আৰু কোনো কোনো out post আমাৰ ৰাজ্যৰ ৬ মাইল ভিতৰলৈ আছে। out post হিচাবেহে তেওঁলোকে বেদখল কৰিছে।

Shri Dulal Chandra Barua —মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ লগত মই এই কথাত একমত। যিহেতু দুয়োখন ওচৰ চুবুৰীয়া ৰাষ্ট্ৰ গতিকে তেওঁলোকৰ লগত মোকামিলাৰে সুবন্দবস্ত কৰা দৰ্কাৰ—এই ক্ষেত্ৰা মোৰ দিবমত নাই। কিন্তু মই এই ক্ষেত্ৰত মাননীয় মুখ্য মন্ত্ৰীৰ পৰত জানিব বিচাৰিছো—অত বছৰ ধৰি নগালেণ্ড সীমান্তত বসবাস কৰা সকলৰ ওপৰত কোনো দিন অত্যাচাৰ হোৱা নাছিল। আজি নগালেণ্ড বোৰ্ডাৰত বসবাস কৰা আমাৰ নিৰীহ খিলঞ্জীয়া লোক সকলৰ ওপৰত অত্যাচাৰ চলি আছে। গতিকে সীমা সম্পৰ্কে শেষ সিদ্ধান্তত উপনীত হবৰ কাৰণে বাজেট অধিৱেশন চলি থকা অৱস্থাতে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি শেষ সিদ্ধান্তটোৰ ব্যৱস্থা কৰিবনে?

Shri Mahendra Mohan Choudhury —যিমান সোনকালে পৰা

যায় সিদ্ধান্ত কৰাৰ চেষ্টা কৰি আছো। মই বিবৃতিতও কৈছো এই বিষয়টো আমি কেন্দ্ৰীয় চৰকাৰক উত্থাপন কৰিছো আৰু নগালেণ্ডৰ লগতো আলোচনা কৰিছো কিন্তু নগালেণ্ড চৰকাৰে কোনো যুক্তিতৰ্ক মানিবলৈ প্ৰস্তুত নহয়। তেওঁলোকে কয় যে ১৯২৫ চনৰ সীমা নিৰ্দ্ধাৰণত তেওঁলোকৰ আপত্তি আছে আৰু আইনখন ফালি পেলাম। তেওঁলোকে নতুন সীমা নিৰ্দ্ধাৰণৰ দাবী কৰিছে। এই বিষয়ে প্ৰধান মন্ত্ৰীয়ে সোনকালে এটা সুমীমাংসা কৰিবলৈ চেষ্টা কৰি আছে।

Shri Hiralal Patwary —মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ লগত আমি দ্বি মত হব নোৱাৰো। কিন্তু যিহেতুকে তেখেত সকলে ১৯২৫ চনৰ সীমা আইনখন ফালি পেলাম বোলা যিটো attitude লৈছে এই ক্ষেত্ৰত সৎভাৱ ৰাখিবৰ কাৰণে অসম চৰকাৰে নাভাবে নেকি? আমাৰ জনসাধাৰণৰ মাজত যাতে অত্যাচাৰ নহয় তাৰ কাৰণে চৰকাৰে কি পৰামৰ্শ আগ বঢ়াব খুজিছে ?

Shri Mahendra Mohan Choudhury —এই কথাটোত বিবাদ আছে। কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত ভাল পৰামৰ্শ আগ বঢ়াব বুলি আশা কৰিছো।

## Re : KATHPARI GHANSIMALU PRIMARY SCHOOL

Shri Pitsing Konwar asked :

*38. Will the Minister-in-charge of education be pleased to state—

(a) Whether the Kathpari Ghansimalu Primary School is in existence or not ?

(b) If the reply be in the negative since when, the school is not in existence ?

(c) Whether the monthly salary has been paid to the teacher and if not upto what date the payment has been made to the teacher ?

(d) Will Government be pleased to make an enquiry into the affairs of Kathpari Ghansimalu Lower Primary School ?

Shri Sarat Chandra Goswami (Minister of state for Education) replied :

38: (a)–Yes, it is in existence.

(b)–Does not arise.

(c)–Yes.

(d)—Government have not yet felt the necessity of causing an enquiry at this stage.

Shri Maneswar Boro —এই স্কুল খনৰ কোনো Existence নাই। তাত শিক্ষক নাই তথাপিও দৰ্ম্মহা পাই আছে কিন্তু এই প্ৰশ্নৰ উত্তৰত তেওঁ 'আছে' বুলি কৈছে।

(c) প্ৰশ্নৰ উত্তৰটো কি ?

Shri Sarat Chandra Goswami —দৰ্মহা দিয়া হৈছে।

Shri Sailen Medhi —অধ্যক্ষ মহোদয়, যিটো উত্তৰ দিছে এই উত্তৰত তেখেতে কলে যে স্কুল চলি আছে, দৰমহাও দি আছে আৰু এতিয়াও তাৰ তদন্তৰ কোনো প্ৰয়োজন বোধ কৰা নাই। মাননীয় সদস্যজনে অভিযোগত জনাইছে যে সেই স্কুলত কোনো শিক্ষক নাই। শিক্ষক

নোহোৱাকৈ স্কুললৈ লৰা-ছোৱালী বিলাক গৈ আছে, শিক্ষকৰ দৰমহা draw কৰি আছে। সেই শিক্ষক জনক অন্য এখন স্কুলত দিছে। এই সম্পৰ্কে ততালিকে তদন্ত কৰি জনাবনে?

Sri Sarat Chandra Goswami —তদন্ত কৰিম।

Sri Hiralal Patwary —মই মন্ত্ৰীমহোদয়ৰ পৰা জানিব খুজিছো যে এই বিষয়ে তদন্ত কৰিব, তাৰ পিচত তদন্তৰ অভিযোগ সঁচা হলে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে?

Sri Dulal Chandra Barua —মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে উত্তৰ বিলাক কেখেতৰ বিষয়া সকলে দিছে, কিন্তু এইটো যিটো অভিযোগ কৰি প্ৰশ্ন দিয়া হৈছে, ইয়াৰ উত্তৰ দিয়াৰ আগত অভিযোগ বিলাক তদন্ত কৰা হৈছিল নে নাই? যদি কৰা হৈছিল কাৰ যোগেদি কৰা হৈছিল?

Sri Sarat Chandra Goswami —প্ৰশ্নটোত অভিযোগ কৰা হোৱা নাই। মই তথ্যৰ পৰা প্ৰশ্নটোৰ উত্তৰ দিছো। অভিযোগ পোৱাৰ পিচত তদন্ত কৰা হব।

Dr. Bhupen Hazarika – উত্তৰত কোৱা নাই যে-খেলিমেলি নাই। মন্ত্ৰী ডাঙৰীয়াই কৈছে যে মাহিলী দৰমহা দিয়া হৈছে। কিন্তু কৰ পৰা দিয়া হৈছে কব পৰা নাই। গতিকে তাৰ কিবা অসুবিধা থাকিব পাৰে; এইটো তদন্ত কৰিব নে?

Sri Sarat Chandra Goswami —হয়, কৰিম।

Sri Moneswar Boro —আছে নে নাই বুজা নাই।

Will Government be pleased to make an enquiry into the affairs of Kathpari Ghansimalu Lower Primary School?

Shri Sarat Chandra Goswami —The reply is—Government have not yet felt the necessity of causing an enquiry at this stage.

Shri Moneswar Boro —Whether the Kathpari Ghansimalu Primary School is in existence or not ?

Shri Sarat Chandra Goswami – The question is—Whether the Kathpari Ghansimalu Primary School is in existence or not and the reply is—Yes, it is in existence.

Shri Giasuddin Ahmed —The question is – Whether the Kathpari Ghansimalu Primary School is in existence or not ? What is the implication of this question ? The implication is that the school is not in existence. That is the implication of the question and that is why the question was put. So, instead of giving an assurance here the Department ought to have enquired into the matter.

## হাটিপতি গ্ৰাণ্টৰ মাটি অধিগ্ৰহণ

শ্ৰীশৈলেন মেধিয়ে সুধিছে :

* ৩৯। মাননীয় ৰাজহমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে –

(ক) শিৱসাগৰ জিলাৰ শিৱসাগৰ মহকুমাৰ আঠখেল মৌজাৰ অন্তৰ্গত হাটিপাতি গ্ৰাণ্টৰ কিছু মাটি চৰকাৰে মাটিহীন লোকক পত্তন দিয়াৰ উদ্দেশ্যে ১৯৬৭-৬৮ চনতেই অধিগ্ৰহণ কৰা কথাটো সত্য নে ?

(খ) উক্ত অধিগৃহীত মাটি নাজিৰা অঞ্চলৰ শ্ৰীফণীধৰ দত্তকে আদি কৰি ৫০ জন মাটিহীন লোকৰ মাজত বিতৰণ কৰাৰ ব্যৱস্থাও হৈছিল নে ?

(গ) উক্ত মাটি অধিগ্রহণ হোৱাৰ পাচত উক্ত হাটিপতি বাগান নতুন মালিকে খৰিদ কৰি লৈ অধিগ্রহণৰ মাটিৰ দখল এৰি নিদিয়াৰ চেষ্টা কৰাৰ কথা সত্য নে ?

(ঘ) যদি সত্য হয়, চৰকাৰে তাৰ কি বিহিত ব্যৱস্থা লৈছে।

ৰাজহ মন্ত্ৰী শ্ৰীবিশ্বদেব শৰ্ম্মাই উত্তৰ দিছে :

৩৯। (ক)—হয়।

(খ) স্থানীয় মাটিহীন লোকক পত্তন দিবৰ কাৰণে এই মাটি অধিগ্রহণ কৰা হৈছিল। মাটিহীন লোকৰ নামৰ তালিকাত শ্ৰীফণীধৰ দত্তৰ নামটোও আছে।

(গ)—হয়। মাটিৰ মালিকে এই মাটি অধিগ্রহণৰ বিৰুদ্ধে চৰকাৰৰ ওচৰত আপিল দাখিল কৰিছে।

(ঘ) এই আপিল বৰ্তমান চৰকাৰৰ বিচৰাধীনত আছে।

Shri Sailen Medhi—মন্ত্ৰী মহোদয়ে জনাবনে কোন চনৰ কিমান তাৰিখে আপিল দাখিল কৰিছে ?

Shri Biswadeb Sarma —মাটি লোৱা হৈছিল ১৯৬৮ চনত আৰু আপীল দাখিল কৰিলে ১৯৬৯ চনত ।

Shri Sailen Medhi —১৯৬৯ চনতে আপিল কৰিলে আৰু আজি ১৯৭১ পৰ্য্যন্ত শুনানি দিব নোৱাৰাৰ ৰহস্য কি ?

Shri Biswadeb Sarma —কথাটো Delay হোৱা সত্য। আমাৰ আগৰ ৰাজহ মন্ত্ৰীয়ে পদত্যাগ কৰিলে আৰু ৰৰ্তমানৰ ৰাজ্যিক মন্ত্ৰীলৈ file টো পঠিয়ালে। ফলত অলপ ঘুৰাঘুৰী হ'ল। ২।৪।৭১ তাৰিখে শুনানীৰ দিন ঠিক কৰা হৈছে।

Sri Giasuddin Ahmed —এই মাটিখিনি কোন আইনমতে অধিগ্ৰহণ কৰা হৈছিল ? Acquisition Act মতে নে Ceiling Act মতে ?

Shri Biswadeb Sarma —Ceiling Act মতে।

Shri Hiralal Patwary —মই মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিবিলাক বাগিচাৰ ওচৰত এনেধৰণে মাটি অধিগ্ৰহণ কৰা হৈছে তাৰ ওচৰৰ বনুৱাসকলক ৫০ ভাগ মাটি দিয়া হৈছে নে নাই আৰু তেনেকুৱা বনুৱা আছেনে নাই ?

Shri Biswadev Sarma — হয়, নিশ্চয় আছে।

## Re : NEW COURSES OF STUDIES IN ENGINEEING

Shri Dulal Chandra Barua asked :

*40. Will the Minister-in-charge of Education be pleased to state—

(a) Whether it is a fact that the Government has proposed to introduce new courses of studies in Engineering like Automobile Engineering, Agriculture Engineering, Electronics, etc, in the Polytechnics of Assam ?

(b) If so, whether the Government has received any representation from the students of the P. O. W. Institute, Jorhat for introducing Automobile Engineering course in the P. O. W. Institute, Jorhat ?

Shri Mahendra Mohan Choudhury (Chief Minister) replied :

40. (a)—Yes.

(b)—Yes.

Shri Dulal Chandra Barua—When the Government propose to take decision on this issue ?

Shri Mahendra Mohan Choudhury—The Government appointed a Committee under the Chairmanship of Dr. S. K. Barua and the Committee has made recommendations and on the recommendations of the Committee Goverment intend. to start Agricultural Engineering Dibrugarh Polytechnic, Automobile Engineering Institute, Gauhati and Telecommunication Silchar Polytechnic but in the meanwhile some representations have been submitted on behalf of the students of the Prince Of Wales Technical College, Jorhat. Therefore, as the representation is under examination, the final decision is being delayed.

Shri Dulal Chandra Barua—Sir, the Prince of Wales is a pioneer institution not only in Assam but in the whole of India and this being the oldest establishment, do Government not consider it proper to introduce automobile course in the institution which will be necessary to man the future industrial development ?

Shri Mahendra Mohan Choudhury—Sir, three diploma courses are intended to be indroduced in the Polytechnic Schools. Agricultural Engineering - for this we want a big plot of land so that the trainees

can practise agricultural operation there. Then for the Automobile Engineering—for that also a good workshop is necessary and on that ground, there being a good workshop of the Assam State Transport Corporation at Gauhati, the Committee has recommended starting of the Automobile course At Gauhati. As for Silchar, to give regional representation, telecommunication diploma course is recommended to be introduced in the Silchar Polytechnic institution.

Shri Dulal Chandra Barua—I do not know with what background the recommendations have been made. To my mind, without casting any aspersion to the Recommending Committee, I would say that Jorhat has fulfilled all the conditions. You know, Sir, the Agricultural University is there and if the Agricultural course as well as the Engineering course is introduced in that school then it will definitely help the training of the students. Plenty of land is available there and that can be utilised for purposes of training of the students. Moreover, in regard to the question of Workshop, there are 4/5 big workshops. There is one workshop attached to the institution itself. There is big P. W. D. Regional Workshop, there is also an Assam State Transport Corporation workshop. Therefore, I do not know why these, as stated by the hon'ble Chief Minister, are to be introduced in Dibrugarh and Gauhati. Taking all these into considerations, do Government not consider it proper

to introduce both these subjects in Prince of Wales which is the oldest institution at Jorhat ?

Shri Mahendra Mohan Choudhury – Sir, the course of the Agricultural University will be different from these courses. Therefore, the students taking training in Agriculture, I think their purpose may not be served by the Agriculture University and there may also be some amount of overlapping which may result in clash future. Therefore, as the Comittee has recommended, there is sufficient land in Dibrugarh and this can be opened at Dibrugarh conveniently.

Regarding starting of Automobile section, we are still considering the case of Jorhat and a final decision is yet to be taken.

Shri Prabhat Narayan Choudhury—Sir, whether in Assam there are a number of institutions imparting different training like I. T. I, C.I. T. I. Polytechnic, Engineering Institute and as a result there is overlapping of instructions in the various institutions. Do Government propose to remove the overlapping by coordination making the different institutions one and the same in order to streamline the wroking of these Polytechnic institutions ?

Shri Mahendra Mohan Choudhury—Sir, that question has been replied to by the Finance Minister also day before yesterday. The courses of the I. T. I., C. I. T. I. are quite different from the courses of the Polytechnics. Polytechnics have got their dip-

loma course and they train boys for higher responsibilities but in the Jorhat College only the artisan training is given. Therefore, these two kinds of institutions cannot be amalgamated.

Shri Prabhat Narayan Chouhhury – Does the hon'ble Chief Minister know that the purpose has been buffled in Assam ? Do the Government know that in Assam these are not related to the employment possibilities or potentialities ? Only certain subjects are introduced in I. T. Is to create some unemployed youths. Unless this is related to the employment potentiality these I. T. Is will not be useful, neither the polytechnics nor the C. I. T. Is.

Shri Mahendra Mohan Choudhury —Sir, so far as my information goes, people coming out of I. T. Is are getting employments. All of them though may not get employment but the ratio of getting employment by the boys passed from the Polytechnics is higher than the boys passed from the I. T. Is.

Shri Dulal Chandra Barua —Sir, as has been stated by the Hon'ble Chief Minister that the Committee which has been appointed to examine the matter recommended 3 subjects but as the Minister in charge of Industries in reply to the Governor's address said, there is possibility of setting up of a few more industries. Therefore, by considering the necessity of new subjects do Government consider it not

proper to introduce various subjects which will be needed in those industries?

Shri Mahendra Mohan Choudhury—Yes, Sir, we must do it and the Industries Department is doing it.

Shri Debeswar Sarmah—ইয়াত তিনিটামান বৰ ডাঙৰ ডাঙৰ কথাই কৈছে যেনে Automobile Engineering, Agriculture Engineering, Electionics in the Polytechnics] of Assam. মই Electronics ৰ বিষয়ে নাজানো গতিকে প্ৰশ্ন সোধাৰো যোগ্যতা নাই কিন্তু ইমান ডাঙৰ ডাঙৰ শব্দ প্ৰয়োগ কৰাৰ অৰ্থ এইটোৱে নহয় নে যে যদি Repairs কৰা বিষয়টোও I. T. I. ৰ লগত দিব পাৰে তেন্তে Employment ৰ ব্যৱস্থা ভাল হব। সেই বিষয়ে চৰকাৰৰ মত কি আৰু এই S. C. Barua কোন আৰু ক'ত থাকে?

Shri Mahendra Mohan Choudhury—S. C. Barua শিলঙতে থাকে আৰু শৰ্ম্মা ডাঙৰীয়াই চিনিও পায়।

Shri Debeswar Sarmah—মোৰ প্ৰশ্নটোৰ উত্তৰ নাপালো। Automobile Engineering বুলিলে মুখ ফুলি যায়। এইটোনো কি বস্তু? মটৰ বা ট্ৰেক্টৰ আদিৰ Repair কৰা বস্তু নহয় জানো?

Shri Mahendra Mohan Choudhury—Automobile Engineering, Reapering ত ব্যৱহাৰ হয়। Spare Part তৈয়াৰ কৰিবলৈ শিকোৱা হয়। এইবিলাক কাম I. T. I ৰ Diploma Course ত নাথাকে Polytechnics ত হে থাকে।

Shri Debeswar Sarmah—আমাৰ যিকোনো Technical Institute ত এনেকুৱা প্ৰশিক্ষণ দিয়া আৱশ্যক যাতে সেই প্ৰশিক্ষণ পাই ডেকা সকলে হাতে কামে লাগি থাকিব পাৰে। এই যে Diploma Course টো বাহিৰ কৰিছে সেইটো চুঙাপেণ্ট পিন্ধাৰ কাৰণে তৈয়াৰ কৰাৰ বাহিৰে একো হোৱা নাই।

Shri Mahendra Mohan Choudhury —সেই বিষয় বিলাক I. T. I ত আছে। যি হওঁক তাত যিবিলাক খুটি নাতি আছে সেইবিলাক পূৰাবলৈ চেষ্টা কৰিম।

Shri Hiralal Patwary —মহোদয় আমি ৫ বছৰমান আগৰে পৰা অসম চৰকাৰে এটা নীতি গ্ৰহণ কৰিছে, এই সকলো বিলাক Techni cal Institute Polytechnics লৈ Convert কৰিব, যাতে আমাৰ ডেকা লৰা সকলে চাকৰি নাপালেও কাম কৰি জীৱিকা নিৰ্ব্বাহ কৰিব পাৰে। সেইক্ষেত্ৰত মই জানিব খুজো যে, বিশেষকৈ উত্তৰ পাৰত এনেধৰণৰ Technical Institute কিমাননো Polytechnics ত Convert কৰা হৈছে। চৰকাৰৰ পৰা জনা মতে নলবাৰীত এখন মাত্ৰ পৰিছে। তাৰ পিছত এনে ধৰণৰ Conversion হোৱা নাই। ৫ বছৰৰ আগতে লোৱা নীতিটোৰ প্ৰতি চৰকাৰৰ ধাৰণাৰ পৰিবৰ্ত্তণ হলনেকি ?

Shri Mahendra Mohan Choudhury —সেইটো কথা ঠিক যে আমাৰ যিমান পৰা যায় আমাৰ উঠি অহা ডেকা সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা বহু পৰিমাণে কৰা হৈছে। এই মৰ্ম্মে কেন্দ্ৰীয় চৰকাৰেও এটা Scheme হাতত লৈছে। আমাৰ ইয়াতো ২।৩ খন স্কুল কৰা হৈছে। ইয়াত আমাৰ ছাত্ৰৰ পৰা যি Response পাব লাগিছিল সেইটো পোৱা নাই। যিটো পোৱা হৈছে, আমাৰ লৰা সকলৰ যত সহজসাধ্য কামৰ ব্যৱস্থা থাকে বা কম খাটনি হয় তালৈহে যায়। টান কাম কৰিবলৈ আগবাঢ়ি নাহে। যি হওক যিমান সোনকালে পৰা হয় সিমান সোনকালে ৰাইজৰ উৎসাহ পালে এনে ধৰণৰ স্কুল কৰা ব্যৱস্থা কৰিম।

Shrimati Lily Sen Gupta —লাহোৱাল Polytechinics Institute ত যথেষ্ট মাটি আছে আৰু তাত যিখন Hostel আছে তাতো বহুত ছাত্ৰ থাকিবৰ ব্যৱস্থা আছে আৰু শিক্ষক জনো Germany ত Trianing লৈ আহিছে। তেখেতৰ যথেষ্ট অভিজ্ঞতা আছে,

গতিকে Autombile Training Institute Dibrugarh ত ৰাখিবৰ চেষ্টা কৰিবনে ?

( এটি স্বৰ : নহয়, নহয় সকলো ঠাইত লাগে )

Shri Mahendra Mohan Choudhury — তেনেভাৱে অসমৰ সকলো ঠাইৰ পৰা দাবী আহিছে। এতিয়ালৈকে তিনিখন ঠাইত Diploma Course খোলা ব্যৱস্থা হৈছে।

Shri Hiralal Patawary — সেই ৩ খন স্কুলৰ ছাত্ৰ সকলৰ আগ্ৰহ নথকা কাৰণেই অন্যান্য ঠাইত স্কুল খোলাৰ ব্যৱস্থা কৰা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে Polytechnics Training প্ৰশিক্ষণ লাভ কৰিবৰ কাৰণে যথেষ্ট আগ্ৰহ আছে আৰু চৰকাৰৰ লগত সহযোগ কৰাৰ চেষ্টা কৰি যথেষ্ট ছাত্ৰও জোগাৰ কৰি দিম। তেতিয়া হলে চৰকাৰে এইটো সহানুভূতিৰে বিবেচনা কৰিবনে ?

Shri Mahendra Mohan Choudhury — সেইটো কৰা হব।

Shri Kandarpa Narayan Banikya — Sir, we are going to get some industries in the district of Goalpara. In view of that whether Government is goning to consider the starting of a Polytechnic School at Goalpara.

( গণ্ডগোল )

Shri Mahendra Mohan Choudhury — I have already stated that this question has already been replied to by the Minister, Industries.

Shri Prabhat Narayan Choudhury – Implant Training ৰ অসুবিধাৰ কাৰণে বহুতো লৰাই অসুবিধা পোৱাৰ কথা চৰকাৰে

জানেনে? যিসকলে প্ৰশিক্ষণ লাভ কৰিছে সেই সকলৰ Scheme লোৱাৰ ভাল ব্যৱস্থা অসম চৰকাৰে হাতত লৈছেনে?

Shri Mahendra Mohan Choudhury —আমাৰ যিবিলাক লৰাই Training লৈছে সেইবিলাকৰ কিছুমানে চাকৰি লবলৈ যায় আৰু কিছুমানে স্বাধীন ভাৱে সেই Training লবলৈ চেষ্টা কৰে। যিসকলে স্বাধীন ভাৱে কাম কৰিবলৈ চেষ্টা কৰে সেইবিলাকক অৰ্থ সাহায্য দিবলৈ চৰকাৰে চেষ্টা কৰিছে। এই সকলোবিলাক মানুহৰে List ৰাখিলে বিশেষ লাভ নহব। নিয়োগৰ ক্ষেত্ৰত আমাৰ Employment Exchange আছে। তাৰোপৰি অন্য ব্যৱস্থা কৰাৰ দিহা এতিয়ালৈ হোৱা নাই।

Dr. Bhupen Hazarika —আমাৰ যিবিলাক লৰাই কাৰিকৰী প্ৰশিক্ষণ লৈছে তেওঁলোকৰ বিষয় বিলাক হল Automobile Engineering, Agriculture Engineering আৰু Tele-communication. Employment Exchange এ List ৰাখিছে হয় কিন্তু ইয়াৰোপৰি অসম চৰকাৰৰ এখন list লাগে Automobile বা Agricultural Engineering ত যিবিলাক লৰাই প্ৰশিক্ষণ লয় তেওঁলোকৰ কিছুমানে অন্যান্য কাম কৰিব পাৰে কিন্তু যিসকলে Tele Communication পঢ়িলে তেওঁলোকৰ চাকৰিৰ বাহিৰে অন্য উপায় নাই। তাৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দিবলৈ সাহস বা যুক্তি আছেনে? কিছুদিনৰ আগতে বিশ্বদেৱ শৰ্মা ডাঙৰীয়াই কৈছিল যে, কিমান দৰ্খাস্ত পৰিছে তাৰ কোনো হিচাব নাই।

Shri Mahendra Mohan Choudhury — আমাৰ ইয়াত 'টেলি কমিনিকেশ্যন' যি বিলাক আছে আৰু কেন্দ্ৰীয় চৰকাৰৰ যি বিলাক অনুস্থান আছে সেই আটাই বিলাকতে আমি থলুৱা মানুহক সম্পূৰ্ণভাৱে নিযুক্তি দিবলৈ চেষ্টা চলাই আহিছো আৰু এতিয়ালৈকে যিখিনি কাৰ্য্যকৰী কৰা হৈছে তাত শতকৰা ৮০ ভাগ থলুৱা মানুহক নিযুক্তি দিব পাৰিব বুলি আশা ৰাখিছো।

Shri Debeswar Sarmah – মুখ্য মন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো অত্যন্ত শ্ৰুতি মধুৰ। শুনি ভাল লাগে কিন্তু সাধু কথা যেনহে বোধ হৈছে।

Shri Jalaluddin Ahmed – মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে আমাৰ বৰপেটাৰ I. T. I. খন বৰ্ত্তমান ক'ত আছে আৰু কেনে অৱস্থাত আছে ?

( No Reply )

Shri Hiralal Patwary – মুখ্য মন্ত্ৰী ডাঙৰীয়াই শতকৰা ৮০ ভাগ পাব বুলি আশা ৰাখিছে আৰু অসমৰ জন সাধাৰণেও সেইটোকে আশা কৰে। কিন্তু যোৱা ২৩ বছৰৰ অভিজ্ঞতাৰ পৰা এইটো দেখা গৈছে যে সেই আশা পূৰণ হোৱা নাই। এতিয়া মই মুখ্য মন্ত্ৰীৰ পৰা স্পষ্টকৈ জানিব বিচাৰিছো যে অসমৰ যি ১৩ লাখ নিবনুৱা লোক আছে তেওঁলোকৰ কৰ্ম্মসংস্থানৰ কাৰণে নিশ্চয় এটা খাটাং সিধান্ত লব নোৱাৰিনেকি ? যদি ইয়াত কিবা বাধা আছে তেন্তে সেই বাধা কি ?

Shri Mahendra Mohan Choudhury – ইয়াত কিছুমান বাধা আগৰে পৰাই আছে। সেই বাধা এনেকুৱা আছিল যে কিছুমান অনুস্থানে চাকৰীৰ কাৰণে বিজ্ঞপ্তি দিয়ে আৰু সেই বিজ্ঞপ্তি অনুযায়ী যি বিলাকে দৰ্খাষ্ট দিয়ে সেই সকলকে নিযুক্তি দিয়ে। কিন্তু দেখা গৈছে যি বিলাক মানুহে দৰ্খাষ্ট দিয়ে তেওঁলোকৰ নাম ঠিকনাৰ ক্ষেত্ৰত ভুল তথ্য দিয়ে। সেই কাৰণেই অসমৰ যি বিলাক থলুৱা মানুহ আছে সেই সকল চাকৰী পোৱাৰ পৰা বঞ্চিত হয়। এই বিলাক অনুস্থানৰ যেতিয়া দৃষ্টি আকৰ্ষণ কৰা হয় তেতিয়া তেওঁলোকে কয় যে সেই বিলাক অসমৰেই মানুহ, অসমতেই থাকে। কিন্তু এতিয়া আমি সেই আশোৱাহ দূৰ কৰিবৰ কাৰণে যি বিলাক মানুহে দৰ্খাষ্ট কৰে তেওঁলোকক Employment Exchange ত নাম Register

কৰিব লাগিব। আৰু সেই বাবে Employment Exchangeৰ form সংশোধন কৰিবলৈ কোৱা হৈছে। তেওঁলোকৰ ঘৰ ক'ত, ক'ত পঢ়িছিল এই বিলাক কথা তাত সোমোৱাই দিব। তেতিয়াহলে ভুল ঠিকনা আদিৰ বাবে যি বিলাক খেলি মেলি চলি আছে সেই বিলাক দূৰ হব আৰু Employment Exchange এ দিয়া নাম বিলাকতেই আবদ্ধ থাকিব। আৰু আমাৰ মানুহে এই চাকৰী আদি পোৱাত সুবিধা হব। গতিকে মই পাটোৱাৰী ডাঙৰীয়াৰ লগত একমত যে এই ক্ষেত্ৰত সাহসীভাৱে কাৰ্য্যপন্থা হাতত নললে আমাৰ নিবনুৱা ডেকা সকলৰ মাজত বিক্ষুভে দেখা দিব।

Shri Debeswar Sarmah —থলুৱা মানুহৰ সংজ্ঞা দিয়া হৈছেনে যাৰ পৰা Employment Authority বিলাকে এই কথা থিৰাং কৰিব পাৰে ?

Shri Mahendra Mohan Choudhury —তেনেকুৱাকৈ সংজ্ঞা দিয়া হোৱা নাই আৰু সদস্য সকলেও সদনত তেনেকুৱা কোনো সংজ্ঞা দিয়া নাই। আমি জনা মতে যি সকল লোক অসমত স্থায়ীভাবে বস-বাস কৰি আছে আৰু ভবিষ্যতেও থাকিব সেই সকলোকেই থলুৱা বুলি ধৰা হব।

Shri Dulal Chandra Barua —মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক জনাব খুজিছো যে আগৰ মুখ্য মন্ত্ৰীক এই বিষয়ে জনোৱা হৈছিল আৰু Industrial visiting committee এটা হৈছিল আৰু তাত আমি Report দিছিলো। তাত আমি আমাৰ স্থায়ী বাসিন্দাৰ সংজ্ঞা দিছিলো। সেই মতে যদি কৰা যায় তেতিয়াহলে অসমীয়া মানুহ ইয়াৰ পৰা বাদ নপৰিব।

Shri Mahendra Mohan Choudhury — সেইটো চোৱা হব।

Shri Kamini Mohan Sarma — থলুৱা মানুহৰ ক্ষেত্ৰত অসমত বসবাস কৰা এই কথাটো ওপৰুৱা কথা। কাৰণ যোৱা কালিও মানুহ এজন

আহিব পাৰে। কিন্তু এই ক্ষেত্ৰত চৰকাৰে এটা স্পষ্টীকৰণ কৰা দৰ্কাৰ যে ইমান বছৰ অসমত থাকিলেহে অসমীয়া বুলি ধৰা হব। নহলে কালি আহিয়েই আজি থলুৱা হৈ গৈছে। যি বিলাক মানুহ সাত পুৰুষৰ পৰা অসমত বাস কৰি আছে সেই সকলকে থলুৱা— মই চৰকাৰৰ পৰা স্পষ্টীকৰণ বিচাৰিছো যে কোন বিলাক পৰিয়াল থলুৱা ?

Shri Mahendra Mohan Choudhury — শৰ্ম্মা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো সংবিধানিক হব লাগিব। নহলে তাৰ পৰা কাম নহব। গতিকে এইটো সদনত আহিব লাগিব।

Shri Debeswar Sarmah – ভাৰতীয় সংবিধান মাত্ৰ এখনহে। কিন্তু কেৰেলাত এই সম্পৰ্কত L. P. School ৰ কত পঢ়িছিল এই কথাও সোধা হয়। গতিকে কেৰেলাৰ নিচিনাকৈ আমাৰ ইয়াত কৰিব নোৱাৰিনে ?

Shri Mahendra Mohan Choudhury —Employment Exchange ত আমি এই বিলাক কথা সোমোৱাই দিবলৈ কৈছো, সেই বিলাক হলে যোৱা কালি অহা মানুহে সেই বিলাক কৰিব নোৱাৰিব।

## Re: GORGAON PALACE

Shri Promode Gogoi asked :

*41. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that Gorgaon Palace in Sibsagar need immediate repairing and proper maintenance ?

(b) Whether any scheme has been finalised to repair the damages of the Gorgaon Palace ?

Shri Mahendra Mohan Choudhury (Chief Minister) replied

41. (a) – Yes.

(b)—The monument in question is a centrally protected monument. A revised estimate for the repairs of the Gorgaon Palace is under preparation by the govemment of India. The delay in preparing the estimate is due to technical problems involved.

## COMPLAINT OF BREACH OF PRIVILEGE ANNOUNCEMENT BY THE ALL INDIA RADIO

Shri Dulal Chandra Barua — Sir, with your permission I want to bring a very serious matter in the form of a privilege motion under Rule 158 (1) of the Rules of Procedure and Conduct of Business on a complaint by an hon. Member. The proviso to the rule says—"Provided that if the breach is committed in actual view of the House, the House may take action without complaint". This breach of privilege has been brought most painfully against the hon. Chief Minister who is also the Minister-in-Charge of Flood Control. Sir, you know that the House is in session and we are discussing the Governor's debate and we dealing with the most burning problems of the State including the Flood control measures. Many of the

hon. Members have drawn pointed attention of the Government to the inadequate flood control measures and the apathy shown by the Government of India in respect of giving financial assistance. Apart from that I personally brought one special motion and the Minister started giving his reply which has not yet been completed. But strangely enough, when the House is in session and we are discussing about the various flood control measures the Chief Minister who is also the Minister-in-charge of Flood Control gave a news to the All India Radio which was broadcast to-day about the various measures the Government is going to take up, by ignoring the very existence of the House which amounts to breach of privilege of the House. In this connection I would draw your attention to page 211 of Practice and Procedure of Parliament by Kaul. We have also got a directive from the Chair in this regard. In page 211 of Kaul's book it is stated—"According to the parliamentary practice, usage and convention, it is improper, although technically not a breach of privilege of contempt of the House, to give for any reason, premature publicity in the press to notices of questions, adjournment motions, resolutions, answers to questions and other similar matters connected with the business of the House. The following are instances of such improprieties and breaches of conventions :

Publication of questions before they are admitted by the Speaker and before their answers are given in the House or laid on the Table (a).

Publication of answers to questions before they are given in the House or laid on the Table (b)

Publication of notices of adjournmnent motions or resolutions before they are admitted by the Speaker or mentioned in the House (c)

Publication of the report of a Committee or Commission appointed by Government in pursuance of a resolution of the House or an undertaking given in the House (d).

Making of important policy announcements by Ministers outside the House while the House is in session (e). Sir, I stress the words "making of important policy announcements".

Apart from that, May's Parliamentary Practice has clearly mentioned that publication of proceedings of the Committees or House conducted in closed door or draft report of the Committee before these have been place before the House will, however, constitute breach of privilege of the House. Now, the hon. Chief Minister, when the House is in session and when we are discussing these matters, gave a radio broadcast without taking the House into confidence.

In this connection the direction given once by the Chair was very clear. In the year.........

Mr. Speaker—One, fundamental thing, Mr. Barua, is that there are certain provisions under the Rules under which only you can bring in a Motion of Privilege.

Shri Mahendra Mohan Choudhury—Sir, when a privilege motion is brought inside the House on certain paper of reports or oncertain information given by certain important source, Government or semi-Government institutions, that matter must be placed before the Speaker. Unless that matter is placed before the Speaker how can the Speaker can give his ruling or the person against whom the charges have been levelled can give an explanation. Therefore, Sir, the first thing is that the statement must be before the House. Then only the Chair can decide whether breach of privilege is there or not.

Mr. Speaker - Mr. Barua, have you got the documents with you.

Shri Dulal Chandra Barua - Radio bulletins are not distributed amongst Members. The detailed announcement has been heard by all including myself this morning.

Mr. Speaker —It is not before the House. Unless that

document is before the House no such motion can be brought. I, accordingly, rule it out. The House cannot take action without knowing what is there in the announcement. It is for the mover to place the documents on which to rely for making a decision by the Chair.

Shri Dulal Chandra Barua —I am sorry, Sir, I am not in a position to make you understand, or you are not understanding me. Sir, is it possible for the Members to get the Government bulletins ? Can you say, Sir, that the announcements made from time to time through the All India Radio are not correct. If you say that the announcement given on behalf of the Government is not correct, then I will sit down. The announcement I am referring to was given this morning in all the langu-ges and all the people have heard it. Sir, I cannot bring the announcement here, it is for you to verify about the correctness of the statement I have made. We are not authorised to bring in any Government bulletine or leaflets. The All India Radio announcement was based on a statement issued by the Chief Minis-ter. Then what proof or documents do you want from. If the Chief Minister comes to this side and I am allowed to go to the other side then I can produce documents and not before. Sir, I am placing the facts before the House and the House will

decide. Sir, even without giving any notice or without giving any documents a Member has the right to move such a motion under the Rules. Sir, when late Shri Hareswar Goswami was in the Chair, he gave a ruling that a Member could bring in a Motion even without giving notice or placing documents. How can I verify whether the announcement made by the All India Radio is correct or not. If the Chief Minister or the Chair can say that it is not correct I will withdraw. Sir, if you cannot give us protection the right spirit of the democratic forum cannot be maintained. If the announcement made by the All India Radio on flood control measures is not correct—let the Government say so—then the Privilege Motion will be brought against the All India Radio. But how can you demand documents from us when we have no access to them. Let me place all the facts before you first, then you will have the right either to reject it or accept it.

Mr. Speaker—It is about the form.

Shri Dulal Chandra Barua—Sir, our Rule is very clear. I am lodging a complaint on the basis of the voice given by the Government. If All India Radio's voice is not the voice of the Government, let the Chief Minister say so, I shall withdraw immediately. If the All India Radio's voice is the voice of the

Government, then no document is necessary. Our Rule 158 says a breach of privilege may be brought to the notice of the House by a complaint, without even the document. It is upto you to verify and let the Government deny. ( Voices, interruptions ). Sir, in this connection I like to refer to the observations made by our then hon. Speaker in a similar matter concerning the Supply Minister. He observed 'Further there is another aspect of the matter. The Supply Minister not only did not place those information before the House prior to his making them available to the representative of the press, however, uncalculatingly, but did not even disclose these facts and information before the House on 5th June in his statement and thus deprived the House of valuable information. This must be taken exception to and cannot be allowed ..........

Shri Altaf Hossain Mazumder—Sir, on a point of order .......... ( turmoil )

Shri Ramesh Chandra Barooah ( Minister, Supply )—Sir, in that case, so far I remember, it was not a privilege motion.

Shri Dulal Chandra Barua—"It is also accepted as a golden principle that when the House is in session, the Minister must not disclose anything of importance about policy decisions of the Government

before they have first taken the House into confidence ...... "

Mr. Speaker – We always give precednce to the Point of Order. As soon as a point of order is raised, the Member on his leg should give scope for it.

Shri Mahendra Mohan Choudhury—On a point of order, Sir, our Rule 158 is very clear. It says a breach of privilege, either of a member or of the House or of a Committee thereof, may, with the consent of the Speaker be brought to the notice of the House (i) by a complaint from a member – that means the complaint must be in writing and must come in proper procedure. If an hon. Member wants to raise a definite question inside the House, then he may inform the hon. Speaker in due time so that privilege motion inside the House may de considered by the hon. Speaker. In this case he has not made so. Secondly the Proviso to the rule says that if the breach is committed in actual view of the House, the House may take action without complaint. So if any breach of privilege is brought before the House, and it is to be considered on merit, then the breach must be committed in actual view of the House, and the member can bring a motion. In this case, he is basing his motion on the radio announcement which was made this morning. Therefore it is not in actual view of the House. Lastly,

Sir, it is very clear under Rule 159. It says 'If the complaint is founded upon a decument the original thereof shall accompany the notice'. So as the original document has not been placed it is not founded upon a document. Again, Sir, he has not given the substance of the radio announcement. The radio may circulate any news. Here many hon. Members do not listen to the radio regularly. Of course many of the members might have heard the radio announcement. I have not heard it. Therefore if a privilege motion on the announcement of the radio is brought, the substance of the announcement must be before the House. On that substance he can made a complaint before the hon. Speaker and on that complaint you will decide that course should be taken. Without all these details, I do not understand, how the motion can be allowed.

Shri Sailen Medhi – On a point of order, Sir, according to Rule 158 a breach of privilege, either of a member or of the House or of a Committee thereof, may, with the consent of the Speaker be brought to the notice of the House

(i) by a complaint from a member ;

(ii) by a petition ; or

(iii) by a report from a Committee.

Sir, when according ( ii ) it can be brought by a petition, it means the complaint should not be in writing. Otherwise, the provision 'by a petition' will not have been inserted. The Rule 158, therefore, clearly says that it may be brought by a complaint which need not necessarily be in writing. Since under (i) it can be brought by a complaint, which need not be in writing, the proviso (ii) has been inserted that it can also be brought by a petition. Thirdly it can be brought by a report from a Committee. Now, my friend, hon. Shri Dulal Barua raised a question on a complaint which need not necessarily be in writing. He has brought the complaint on certain facts, Whether the facts are correct or not has to be first seen ? Whether the fact that the hon. Chief Minister has made a policy statement is correct or not is first to be ascertained. Whether the hon. Chief Minister has made a statement on the flood control measures or not is first to be decided.

Whether the allegation made by the hon. Member Shri Dulal Barua is correct or not that a policy statement has been made by the Assam Government in the All India Radio while the House was in Session, and whether it is to be discussed in the House. As regards second thing, we are not in a position to place before the House the facts

or it is up to Treasury Bench to discuse whether this privilege motion is correctly placed or wrongly placed. Unless we come to a decision whether the facts stated by Shri Barua is correct how the privilege motion can be disallowed.

Mr. Speaker – Now, I am giving ruling on the merit of the case. When a case is to be decided on the merit it must come in some form. It is not that I am preventing the hon. Member from excercising his right to bring any motion for discussion of important matters, when he thinks even if the adjournment motion is also made in some form it is taken up for discussion also. Breach of Privilege motion gathers certain rules. Now, here Rule 158 says "A breach of privilege, either of a member or of the House or of a Committee thereof, may, with the consent of the Speaker be brought to the notice of the House :

(i) by a complaint from a member ;

(ii) by a petition ; or

(iii) by a report from a Committee "

Moreover, there are certain things analogous to complaint against Members, only in exceptional circumstances ( Interruptions ). It is I to interpret whether a breach of the House is committed or whether a statement made in the Newspaper or in the Radio

out side the House can be construde to amount the breach of privilege of the House. I disagree with that view, because the only thing done in the House which may amount to privilege and any statement made by the hon. members or the hon. Ministers or anything done within the precincts of the House, even without any complaint the House can take action under Rule 158 and considering the urgency of the case. As a matter of this House has also precedents of such action in the past. Therefore any statement, or any action of the hon. member out side the House cannot construde to have ( loud voices ... ) ... I am raising point of order. Therefore, this complaint cannot come in this form and this is my ruling.

Shri Dulal Chandra Barua – I may tell you, Sir, you have already given your ruling on the point of order. Though I am not in a position to move in form I cannot disagree or I cannot dishonour your ruling. But I am sorry to tell you Sir, that there are precedents even in my case. We are deprived of our legitimate right.

( Voices )

Mr. Speaker – You can come by one form.

Shri Dulal Chandra Barua – Sir, my question is I may come in a proper form. But what about the docu-

ments to prove it and it will be your responsibility to supply the documents. We are not in a position to get the documents. Direction may be given from your side to provide us with the documents. Sir, it is your responsibility to call for the documents.

Shri Debeswar Sarmah—Sir, you have given your ruling. We bow down to it. It is not proper to talk about ruling of the Chair whether it is right or wrong. I am not questioning the ruling, I am only making a submission to you. Firstly you allowed to make statement of allegation and you have been pleased to rule Under Rule 158 that it should be a written complaint and I submit to it. Although it is a debatable point because in the Criminal Court a complaint may be written complaint or verbal complaint. ( Voices ) I am talking from Rule 158, and if the hon. members ( in Assamese—Alap rabason) themselves do not keep the prestige and dignity, the Chair is helpless. Therefore we all bow down to your ruling. Now, having said that, I am only submitting that a complain under Rule 158 may be verbal or it may be written and you have been pleased to rule that it is to be written. I am coming to that Sir, Rule 159 says—"A member wishing to make a complaint of a breach of privilege shall give notice in writing to the Secretary before the commencement of the sitting on the day on which

it is proposed to be made. If the complaint is founded upon a document the original thereof shall accompany the notice". I suppose notice has been given. ( Voices – no notice is given ). Then do you allow to raise this point ? ( Voices ....) Any way, Sir, the matter has been raised and you have been pleased to rule. But the matter relates to an important convention and a privilege of the House.

Shri Mahendra Mohan Choudhury—How do you know it is an established convention ?

Shri Debeswar Sarmah—I am coming to that Sir. It is an established convention because when the House is in session certain important matters of policy on the part of the Government should not be given publicity elsewhere than in the House. That is why it is an established convention. But how do we know that there was an announcement of policy in the All India Radio this morning ? Some people might have heard it, others may not. I have not heard, I have no radio. But the matter has been allowed by you to be raised on the floor of the House to the effect that an important policy announcement has been made by the All India Radio this morning although the House is in session. Yo have allowed it—that is on record. Therefore, as the custodian of the privilege and rights of the

House I beceech you and I submit to you for your consideration to (1) write to All India Radio as the Speaker of the House whether certain announcement was made, (2) if so, to send the script to you, (3) then, if there was an announcement and if there was a script, who gave it. But for that I suppose, in submission to your ruling, Shri Dulal Barua should give a written complaint to you. It does not lapse due to influx of time and I would submit to you. Sir, you would be pleased to call from the All India Radio to send a copy of the script and you can ask whether that was given by the Minister or not, because everybody is fighting about a shadow and there is confusion and half of our time is gone, we are beating about the bush. Therefore, Sir, as a custodian of the House, I submit with due respect that you should take a note of what Shri Dulal Barua has already said.

## Re : PRIVILEGE MOTION AGAINST THE MINISTER, FINANCE

Shri Hiralal Patwary – I want to bring a privilege motion...

Mr. Speaker – You should give notice before commencement of the House.

Shri Hiralal Patwary—My privilege motion is against the Finance Minister.

Mr. Speaker - You have to give notice before.

Shri Debeswar Sarmah – It is the convention in Legislatures and in Lok Sabha also that without proper complaint nobody should be allowed to raise privilege. If you go on like this there will be no end to it.

## Re : THE ASSAM AGRICULTURAL PRODUCE MARKETING BILL 1970

Shri Govinda Kalita – মই এটা কথা জানিব বিছাৰিছো যে যোৱা ১৯।১৯৭০ তাৰিখে মই Assam Agricultural Produce Marketing ৰিলখন এই বিধান সভাত উত্থাপন কৰিবৰ কাৰণে জাননী দিছিলো। কিন্তু এতিয়ালৈকে এইখন উত্থাপন কৰিবৰ কাৰণে অনুমতি পোৱা নাই। মই জানিব পাৰিছো যে এই বিলখন উত্থাপন কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ sanction ৰ কাৰণে পঠাইছে। আৰু ৰাষ্ট্ৰপতিৰ পৰা চৰকাৰৰ কিবা comment বিছাৰিছে। কিন্তু অসম চৰকাৰে সেইটো Delay কৰিবৰ কাৰণে comment পঠোৱা নাই। গতিকে মই এই কথা জানিব খুজিছো যে কেতিয়া এই বিলখন ডাঙি ধৰিবৰ কাৰণে ৰাষ্ট্ৰপতিলৈ comment পঠাব আৰু কিমান দিন লাগিব।

Mr. Speaker —এই সম্পৰ্কত ৰিশেষকৈ বিল আদিৰ সম্পৰ্কত সদনত কথা ডাঙি নধৰি মোৰ অফিচলৈ আহিলে এই সম্পৰ্কৰ ফাইল আদি চাই মই কব পাৰিম। গতিকে আপুনি মোৰ চেম্বাৰলৈ গলে মই খবৰ দিম।

## CALLING ATTENTION TO A MATTER OF URGENT PUBLIC IMPORTANCE – SMALL-POX EPIDEMIC AT HAJO.

Mr. Speaker —Item No. 2. Dr. Das.

Dr. Surendra Nath Das—Mr. Speaker, Sir, I beg to call the attention of the Minister, Health under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in 'Dainik Asom', dated the 8th March, 1971 under the caption" হাজো অঞ্চলত ব্যাপকভাবে বসন্ত ৰোগ—দুমাহত ৮০ জনৰ মৃত্যু "

অধ্যক্ষ মহোদয়, মই বাতৰি কাকতৰ গোটেই খবৰটো পঢ়ি দিব নোখোজো। কিন্তু ইয়াত ওলাইছে যে বসন্ত ৰোগত দুই মাহৰ ভিতৰত ৮০ জন মানুহৰ মৃত্যু হৈছে আৰু ৬০ জন এই ৰোগত আক্ৰান্ত হৈ আছে। যদি কেৱল Meadles বা Chicken Pox ত মৃত্যু হৈছে তেন্তে মই বেছি কথা নকও কিন্তু যদিহে এই বিলাক Small Pox ৰ কেচ তেনেহলে চৰকাৰে লাখ লাখ টকা খৰচ কৰি যি বিলাক আচনি কৰিছে কৃতকাৰ্য্য হোৱা নাই। আৰু বৰ্ত্তমান যি খৰাং বতৰ হৈছে সেই খৰাং বতৰৰ কাৰণে বসন্ত ৰোগ ব্যাপক ভাবে বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। কাৰণ এইটো এটা Air Borne diseas সেই কাৰণে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক কব খুজিছো যে এই ৰোগ দমনৰ কাৰণে অতিৰিক্ত ভেক্সিনেটৰ নিয়োগ কৰি হলেও ৰাজ্য খনত ব্যাপক ভাবে টিকা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

Shri Golak Chandra Patgiri ( Deputy Minister, Health )-- Mr. Speaker, Sir, there is a call attention motion on the news item "হাজো অঞ্চলত ব্যাপকভাবে বসন্ত ৰোগত দুমাহত ৮০ জনৰ মৃত্যু " appearing in the "Dainik Asom" on the 8th, 1971. Civil Surgeon, Kamrup deputed on 9.3.71 A. S. I, P. H. duty with necessary staff to Barni village under Hajo P. H. C. They did not find any case of small-pox in the locality. The deputed A. S. I. contacted G. P. President, G. P.

Secretary and one Sub-Inspector of Schools including other local leading persons and visited nearly 200 houses. Only one Mohibuddin Ahmed was found to have suffered from Chicken-pox with his wife and a child. There was no death either due to chicken-pox or small-pox. Since 10-3-71 mass vaccination was started. The total pupulation of the Gaon Panchayat is 3500 and population of the village is 1425. The Special Officer, National Small Pox Erradication Programme, Assam visited the area on 16.3.71. He advised extension of mass vaccination in the neighbouring villages. On Sanitary Inspector and 4 vaccinators were engaged. Other precentive measuers were also taken.

## Re : DEATH OF A P.S.P. LEADER AT THE HANDS OF POLICE

Shri Bhubaneswar – অধ্যক্ষ মহোদয় - মই এটা কথাত আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। বাতৰিটো হৈছে নতুন অসমীয়াৰ ।

Mr. Speaker – আপুনি আগতেই নটিচ দিব লাগিছিল ।

Sri Bhabaneswar Barman —এই কথাটো মই আজি আপোনালৈ লিখি পঠাইছিলো ।

Mr. Speaker - Assembly চলি থকা অৱস্থাত সেইটো দিহে মই চাব পৰা নাই । চাই চিতি পিচত permission দিব পৰা হব । সংবিধানৰ নিয়ম ভঙ্গ কৰিব নোৱাৰে—আগতেই অনুমতি লব লাগে ।

Sri Bhubaneswar Barman – মই সংবিধানৰ ব্যৱস্থা ভঙ্গ কৰা নাই। কিন্তু কোনো ব্যৱস্থা নথকাৰ কাৰণে এই সুৰুঙাতে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে ডিব্ৰুগড়ৰ এজন বিশিষ্ট P. S. P. নেতা শ্ৰীৰেণুধৰ হাজৰীকাৰ পুলিচৰ হাতত মৃত্যু হৈছে। এইটো কাগজত ওলাইছে। এই বিষয়ে মই মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰো।

Mr. Speaker – Assembly চলি আছে গতিকে মই এই খবৰ Action পিছত লম। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথা শুনিছে।

Sri Bhubaneswar Barman—আজি নহলেও মুখ্যমন্ত্ৰী ডাঙৰীয়াই কালিলৈ উত্তৰ দিলেও হব।

## Re : REPLIES TO UNSTARRED QUESTIONS

Shri Hiralal Patwary – Sir, we have not received replies of our unstarred question. Will you kindly make an enquiry so that we get replies to our unstarred questions ?

Mr. Speaker – The Chief Minister has assured that in the next week the position will improve.

## PRESENTATION OF THE BUDGET FOR THE YEAR 1971 – 72

Shri Kamakhya Prasad Tripathi ( Minister, Finance )—Sir, I beg to present the budget for the year 1971-72.

Sri Hiralal Patwary – আগতে আমালৈ এই বাজেটৰ copy বিলাক Post ত পঠাইছিল। কিন্তু আজি কালি কিয় নপঠায়।

(বাজেট বিলাক সদনৰ ভিতৰত বিতৰণ কৰি থাকে)

Sri Kamakhya Prasad Tripathi – ( বাজেট পঢ়িবলৈ মাত্র ঠিয় হৈছে )

Sri Hiralal Patwary – আমি ইয়াত বাজেট পোৱা নাই। এইবিলাক নাপালে বাজেট বক্তৃতা দিব নোৱাৰে।

Sri Kamakhya Prasad Tripathi – লোকসভাত আমি দেখিছো যে, House ত এই বিলাক নিদিয়ে।

Sri Hiralal Patwary—বাজেটৰ যিখন Brief সেইখন দিয়া নাই।

Sri Dulal Chandra Barua—অৰ্থাৎ "Budget at a Glance" খন দিয়া নাই।

Sri Kamakhya Prasad Tripathi – এই বিলাক একেদিনাই দিয়া নহবও পাৰে।

মাননীয় অধ্যক্ষ মহোদয়,

ৰাজ্যখনৰ ১৯৭১-৭২ চনৰ বছৰটোৰ বাজেট এই সন্মানিত সদনত উত্থাপন কৰাৰ আগতে ১৯৭১ চনৰ ১৫ ফেব্ৰুৱাৰীৰ দোক্‌মোকালিতে আমাক এৰি থৈ যোৱা এই সদনৰ নেতা আৰু মুখ্যমন্ত্ৰী শ্ৰীবিমলা-প্ৰসাদ চলিহাৰ পৰলোকপ্ৰাপ্তিৰ কথা অতিশয় দুখেৰে উল্লেখ কৰাটো মোৰ কৰ্ত্তব্য। চৰকাৰী আৰু বিৰোধী উভয় পক্ষৰে বেছি ভাগ সদস্যই তেখেতৰ ঘনিষ্ঠ সম্পৰ্কলৈ আহি স্বাধীনতা আন্দোলনৰ নিৰ্ভীক যুঁজাৰু, গঠনমূলক কামত ব্ৰতী, অতুলনীয় দেশ-প্ৰেমিক আৰু সুদক্ষ ৰাজনীতিবিদ চলিহাদেৱৰ মহান গুণাৱলীত মুগ্ধ হৈছিল। মুখ্যমন্ত্ৰী হিচাবে ১৩ বছৰ কাল কাৰ্য নিৰ্বাহ কৰোঁতে স্বৰ্গীয় শ্ৰীচলিহাই অসমৰ ভাগ্য বহুতো সঙ্কটৰ মাজেদি বিশেষকৈ চীন আৰু পাকিস্তানৰ আক্ৰমণৰ কালত সুচাৰুৰূপে নিয়ন্ত্ৰণ কৰিছিল। তেখেত আছিল সমগ্ৰ পূৰ্বাঞ্চলৰ সংহতি সাধনৰ এক মহান শক্তি। সকলোৰে অন্তৰ পৰশা তেখেতৰ

শান্ত ব্যক্তিত্বই বিৰোধী লোককো নিৰস্ত্ৰ কৰিছিল ঃ তেখেতৰ মৰমসনা বন্ধুত্বই আৰু বিনম্ৰ ভদ্ৰতাই প্ৰতিদ্বন্দ্বীকো কৰিছিল আকৰ্ষণ । তেখেতৰ দৰে দূৰদৰ্শী ৰাজনীতিজ্ঞ এটা শতাব্দীত এবাৰহে জন্মগ্ৰহণ কৰে । ৰাষ্ট্ৰৰ প্ৰত যোগোৱা বিশিষ্ট সেৱাৰ স্বীকৃতিস্বৰূপে ভাৰত চৰকাৰে তেখেতক পদ্মবিভূষণ উপাধিৰে সন্মানিত কৰিছিল । মই মোৰ সহকৰ্ম্মীসকলৰ আৰু আপোনালোক আটাইৰে হৈ শ্ৰীমতী অময়া চলিহা আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গ লৈ গভীৰ সমবেদনা জনোৱাৰ লগতে তেখেতৰ আত্মাৰ চিৰ-শান্তিৰ বাবে প্ৰাৰ্থনা কৰিছো ।

যোৱা বছৰ বাজেট উত্থাপন কৰাৰ পিচত কেবাজনো প্ৰখ্যাত লোকৰ পৰলোকপ্ৰাপ্তিৰ কথাও মই উল্লেখ কৰিব খোজো । আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰা আমাৰ অন্যতম শীৰ্ষস্থানীয় বৈজ্ঞানিক আৰু নোবেল বঁটা বিজয়ী স্বৰ্গীয় চি , ভি , ৰমণকো আমি হেৰুৱালোঁ । কেন্দ্ৰীয় চৰকাৰৰ প্ৰাক্তন উপমন্ত্ৰী স্বৰ্গীয় দায়িং ইৰিং আৰু প্ৰজা চ'চিয়েলিষ্ট দলৰ নেতা স্বৰ্গীয় নাথ পায়ে তুলনামূলকভাবে কম বয়সতে ইহলীলা সম্বৰণ কৰাৰ ফলত দেশে দুজন ডেকা আৰু সুদক্ষ সংসদী সভ্য আৰু সমাজকৰ্ম্মী হেৰুৱালে । ড: কে, এম, মুন্সীৰ মৃত্যুতো দেশে স্বাধীনতা যুজৰ আন এগৰাকী প্ৰখ্যাত লোক, বিজ্ঞ সাংবিধানিক আৰু বিৰল গুণসম্পন্ন শিক্ষাবিদ আৰু বিদগ্ধ পণ্ডিত হেৰুৱালে । সৰ্বভাৰতীয় ফৰৱাৰ্ড ব্লকৰ সভাপতি আৰু স্বাধীনতা সংগ্ৰামৰ প্ৰবীণ যোদ্ধা হেমন্তকুমাৰ বসুৰ আততায়ীৰ হাতত হোৱা শোকাবহ মৃত্যুৰে সমগ্ৰ দেশক গভীৰ শোকত আচ্ছন্ন কৰিছে । এই কালছোৱাত অসমৰো ছয়গৰাকী সুযোগ্য সন্তানৰ পৰলোক প্ৰাপ্তি ঘটিছে । বহু দশক জুৰি অসমৰ সাংস্কৃতিক দিগন্ত উজ্জ্বলাই থকা অসমৰ বিখ্যাত নাট্যকাৰ আৰু কথাছবি অভিনেতা ফণী শৰ্ম্মাৰ মৃত্যুৱে সৃষ্টি কৰা খালী স্থানো পূৰণ হোৱা কঠিন হব । জনপ্ৰিয় জননেতা আৰু গঠনমূলক সমাজকৰ্ম্মী আৰু অসম বিধান সভাৰ প্ৰাক্তন সদস্য ধনীৰাম তালুদাৰ আৰু তাজুদ্দিন আহমদৰ শোকাবহ বিয়োগৰ কথাও মই দুখেৰে সৈতে উল্লেখ কৰিছো । অসম বিধান পৰিষদৰ প্ৰাক্তন

সদস্য আৰু জনপ্ৰিয় নেতা মিজানুৰ ৰহমানকো আমি হেৰুৱালো। ডক্টৰ প্ৰসন্ন চন্দ্ৰ গোস্বামী আৰু কেশৱ নাৰায়ণ দত্তৰ মৃত্যুত ৰাজ্যখনে দুজন বিশ্ব পণ্ডিত আৰু প্ৰখ্যাত শিক্ষাবিদক হেৰুৱালে। মই এইসকলৰ স্বৰ্গগত আত্মাৰ শান্তি আৰু সদ্‌গতি কামনা কৰিলো।

মাননীয় সদস্যসকলে জানে যে লোকসভাৰ নিৰ্বাচন অলপতে সমাপ্ত হৈছে। শ্ৰীমতী ইন্দিৰা গান্ধীৰ প্ৰধান মন্ত্ৰীত্বত নতুন কেন্দ্ৰীয় মন্ত্ৰীসভাই কাৰ্য্যভাৰ গ্ৰহণ কৰিছে। দেশখনক সমাজবাদৰ লক্ষ্যত আৰু সমৃদ্ধি আৰু অৰ্থনৈতিক উন্নয়নৰ পথত ক্ষিপ্ৰগতিত আগুৱাই নিয়াৰ অৰ্থে নিৰ্বাচনৰ জৰিয়তে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হোৱাটোৱে ভাৰতীয় জনসাধাৰণৰ গণতান্ত্ৰিক ভাবধাৰাৰ প্ৰতি থকা আস্থাৰ কথা সূচোৱাৰ লগতে ই আমাৰ বাবে এক সন্মান আৰু গৌৰৱৰ বিষয় হৈ পৰিছে।

অসমৰ বাবে ১৯৭০ চনৰ বছৰটো আছিল বিশেষ তাৎপৰ্য্যপূৰ্ণ। ১৯৭০ চনৰ ২ এপ্ৰিলত অসমৰ ভিতৰতে স্বায়ত্তশাসিত মেঘালয় ৰাজ্য গঠিত হয় আৰু প্ৰধান মন্ত্ৰীয়ে ৰাজ্যখন উদ্বোধন কৰে। মেঘালয়লৈ আমি আমাৰ শুভেচ্ছা আৰু সহযোগিতা আগবঢ়াইছো আৰু আশা কৰিছো যে শান্তি আৰু সমৃদ্ধিৰ পৰিবেশ অটুট ৰাখি মেঘালয়ে সমগ্ৰ দেশখনকে প্ৰগতিৰ পথত আগবাঢ়ি যোৱাত অৰিহনা যোগাব। সেই একে বছৰতে মিকিৰ পাহাৰ আৰু উত্তৰ কাচাৰ পাহাৰ জিলা পৰিষদলৈ স্বাতন্ত্ৰ্যৰ পৰিসৰো আগতকৈ বহলাই দিয়া হৈছে। সেই উদ্দেশ্যৰে প্ৰয়োজনীয় কৰ্ম্মচাৰী জিলা পৰিষদৰ অধীনত দি বিভিন্ন উন্নয়নমূলক কাম-কাজৰ দায়িত্ব হস্তান্তৰ কৰা হৈছে। আমাৰ ৰাজ্যখনৰ উত্তৰ-পূৰ সীমাৰ অনুন্নত অঞ্চল উন্নত কৰাৰ অৰ্থে ধেমাজিত এটা নতুন মহকুমা সদৰ কাৰ্য্যালয় মুকলি কৰা হৈছে।

বছৰটোত অসমৰ আইন-শৃঙ্খলাৰ পৰিস্থিতি কম-বেছি পৰিমাণে স্বাভাবিক আছিল। নিবনুৱা সমস্যা, অসমৰ উদ্যোগীকৰণ, শিক্ষাৰ সংস্কাৰ আদিৰ দৰে প্ৰশ্নলৈ যুৱক আৰু ছাত্ৰসকলে কৰা বিক্ষোভ আৰু বলপূৰ্বক

ভূমি বেদখলৰ আন্দোলনৰ লগতে উগ্রপন্থী নক্সালবাদীয়ে চলাই থকা কামকাজেই অৱশ্যে চৰকাৰক কিছু পৰিমাণে উদ্বিগ্ন কৰি তোলা আইন-শৃঙখলাৰ পৰিস্থিতিৰ কেইটিমান প্রধান দিশ আছিল বুলি কব পাৰি। গাওঁ পুনৰ একত্রীকৰণ আৰু নিৰাপত্তা বাহিনীয়ে সক্রীয় ব্যৱস্থা লোৱাৰ ফলত মিজো বিদ্রোহীৰ বিদ্রোহমূলক কার্যকলাপ যথেষ্ট পৰিমাণে আয়ত্বাধীন কৰিব পৰা হৈছে। শিৱসাগৰ জিলাৰ সংৰক্ষিত হাবি অঞ্চল নগালোকে বেদখল কৰি আৰু অসমৰ সীমাৰ যথেষ্ট ভিতৰত নগালেণ্ড সশস্ত্র পুলিচে কেতবোৰ চকী বে-আইনীভাৱে মুকলি কৰি নগালেণ্ডৰ লগত থকা সীমান্ত উত্তেজনাপূৰ্ণ কৰি ৰাখিছে। এই পৰিস্থিতিৰ উপশম ঘটাবলৈ ১৯২৫ চনৰ বিজ্ঞপ্তিৰ ভিত্তিত সোনকালে সীমা নির্দ্ধাৰণ কৰিব লাগে আৰু এই বিষয়টো ভাৰত-চৰকাৰৰ ওচৰত উত্থাপন কৰা হৈছে।

## অর্থনৈতিক পৰিস্থিতিৰ পৰ্য্যালোচনা

আমাৰ ৰাজ্যত অৰ্থনীতিৰ ওপৰত প্ৰভাৱ পেলোৱা ৰাষ্ট্ৰীয় অথ নীতিৰ বিস্তৃত ধাৰা সম্পৰ্কে মই এতিয়া চমুকৈ আলোচনা কৰিব খোজো। চতুর্থ পাঁচবছৰীয়া যোজনাৰ বাবে ধাৰ্য্য কৰা লক্ষ্যৰ ফালৰ পৰা চালে ১৯৭০ চনৰ বছৰটোত ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিকাশ মন্থৰ হোৱা দেখা যায়। ঔদ্যোগিক উৎপাদন আৰু ৰপ্তানিৰ বৃদ্ধিৰ নিৰিখত দেখা দিয়া লেহেম গতি, নিয়োগ পৰিস্থিতিৰ অৱনতি অৰ্থনীতিৰ কেতবোৰ খণ্ডত দেখা দিয়া বনুৱাৰ অশান্তি আৰু মূল্যৰ পুনৰ উৰ্দ্ধমুখী গতিয়েই আছিল চলিত ৰাষ্ট্ৰীয় অৰ্থনৈতিক পৰিস্থিতিৰ কেতবোৰ উদ্বেগজনক বিষয়। এইবোৰ সত্বেও চতুর্থ পাঁচবছৰীয়া যোজনা কাৰ্যকৰীকৰণত অর্থনীতিয়ে কিছু লেখত লবলগীয়া অগ্রগতি লাভ কৰিছে।

কেন্দ্ৰীয় পৰিসংখ্যা সংঘটনে প্ৰস্তুত কৰা আনুমানিক হিচাপ মতে ১৯৬০-৬১ চনৰ মুল্যত ভাৰতৰ জাতীয় আয় ১৯৬৭-৬৮ চনৰ শতকৰা ৯·৭ ভাগ বৃদ্ধিৰ ঠাইত ১৯৬৮-৬৯ চনৰ শতকৰা ২·২ ভাগ বৃদ্ধিৰ দ্বাৰা ১৬,৯৪৩ কোটি হয়গৈ। ১৯৬৮-৭৯ চনত শতকৰা ২·২ সীমিত বৃদ্ধি

হোৱাৰ ঘাই কাৰণ হ'ল বছৰটোত কৃষি উৎপাদন শতকৰা ১ ভাগ কমি যোৱা। ১৯৬৯-৭০ চনত প্ৰকৃত জাতীয় আয় প্ৰায় শতকৰা ৫ ভাগ বৃদ্ধি পোৱা বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ১৯৬০-৬১ চনৰ মূল্যত জনমূৰি আয় আগৰ বছৰৰ ৩২২.৫ টকাৰ ঠাইত ১৯৬৮-৬৯ চনত ৩২১.৪ টকা আছিল।

১৯৭০-৭১ চনৰ ভিতৰত খাদ্যশস্যৰ উৎপাদন ১৯৬৯-৭০ চনৰ ৯৯'৫ নিযুত টনৰ পৰা ১০৪ নিযুত টনলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। খাদ্যশস্য উৎপাদনত হোৱা প্ৰগতিয়ে দেশখনক ১৯৬৬-৬৭ চনত ১০.৪ নিযুত টন খাদ্যশস্য আমদানি কৰাৰ পৰিবৰ্ত্তে ১৯৭০-৭১ চনত আমদানিৰ পৰিমাণ ৩.৮ নিযুত টনলৈ হ্ৰাস কৰিবলৈ সমৰ্থ কৰিছে। অনুকূল বতৰ, নতুন কৃষি প্ৰয়োগ বিদ্যাৰ বৰ্দ্ধিত প্ৰৱৰ্ত্তন বিশেষকৈ উচ্চ উৎপাদনক্ষম সচৰ ব্যৱহাৰেই কৃষি খণ্ডৰ উৎকৃষ্ট কাৰ্য্য-কুশলতাত ঘাইকৈ অৰিহণা যোগাইছে।

১৯৭০ চনৰ বছৰটোত ঔদ্যোগিক খণ্ডত হোৱা কাম-কাজ বৰ সন্তোষজনক নাছিল। ১৯৭০ চনৰ জানুৱাৰী-আগষ্ট মাহৰ কালছোৱাত ঔদ্যোগিক উৎপাদনৰ ( মূল ১৯৬০ = ১০০ ) গড়সূচী আগৰ বছৰৰ সেই একে কালছোৱাৰ ১৭০.৯ ৰ ঠাইত ১৭৯.৭ আছিল। ইয়াৰ ফলত কেৱল শতকৰা ৫.১ ভাগ বৃদ্ধি হোৱা দেখা যায়। ১৯৭০ চনৰ দ্বিতীয়াৰ্দ্ধৰ ফালে অভিযান্ত্ৰিক আৰু আনুসঙ্গিক উদ্যোগসমূহে সন্মুখীন হোৱা বিশেষ শ্ৰেণীৰ তীখাৰ নাটনি আৰু মৰাপাট, কপাহ, সৰিয়হ আদি কিছুমান কেঁচা কৃষিজাত সামগ্ৰীৰ যোগান অৱস্থা কঠিন হৈ পৰা হেতুকে উৎপাদনৰ হাৰ কমি যায়। ইয়াৰোপৰিও এই খণ্ডৰ নিৰাশ-জনক কাৰ্য্যকলাপৰ আন দুটা অতি গুৰুত্বপূৰ্ণ কাৰণ হ'ল বনুৱা বিক্ষোভ আৰু টকা বিনিয়োগকাৰীয়ে অনিশ্চিত লাভালাভৰ নতুন উদ্যোগত ধন বিনিয়োগ কৰাত অনিচ্ছা।

পৰ্য্যালোচিত বছৰটোত মূল্যৰ উৰ্দ্ধমুখী গতি পুনৰ দৃষ্টিগোচৰ হয়।

পাইকাৰী মূল্যৰ সাধাৰণ সূচী তুলনামূলকভাবে মূল্য স্থিৰে থকা যোৱা বছৰৰ আগৰ বছৰৰ শতকৰা ২.১ ভাগ বৃদ্ধিৰ ঠাইত যোৱা বছৰতকৈ শতকৰা ৬.২ ভাগ বৃদ্ধি পায়। নগদ ধন পোৱা শস্যৰ বৰ্দ্ধিত চাহিদাৰ তুলনাত যোগান ব্যৱস্থা নবঢ়াৰ ফলত ঔদ্যোগিক কেঁচা মালৰ মূল্য বৃদ্ধি পায়। ঔদ্যোগিক কেঁচা মালৰ উৎপাদনত হোৱা ঘাটি, বেতন বৃদ্ধি আৰু অত্যধিক ঋণৰ সৃষ্টি আদি সকলোৱে মুদ্ৰাস্ফীতিত হেঁচা দিয়ে। ভাৰতৰ ৰিজাৰ্ভ বেঙ্কে মুদ্ৰা আৰু মূল্যবিষয়ক পৰিস্থিতি ভালকৈ পৰ্য্যবেক্ষণ কৰাৰ পাছত আৰু অৰ্থযোগানৰ বৰ্দ্ধিত গতি বন্ধ কৰাৰ আৰু ঋণ সম্প্ৰসাৰণত কিছু বাধা দিয়াৰ উদ্দেশ্যে বেঙ্কৰ সুতৰ নিৰিখ শতকৰা ৫ পৰা ৬ লৈ বৃদ্ধি কৰিছে।

প্ৰায় বিস্ফোৰণৰ আকাৰ ধাৰণ কৰা ক্ষিপ্ৰ নিবনুৱাৰ সংখ্যা বৃদ্ধি ভাৰতৰ অৰ্থনীতিৰ এক আটাইতকৈ ভয়াবহ সমস্যা। ভাৰত চৰকাৰ অৱশ্যে সমস্যাটোৰ বিষয়ে সম্পূৰ্ণ সজাগ।

প্ৰতিকাৰক ব্যৱস্থাৰ পৰামৰ্শ দিবলৈ এটা কমিটি গঠন কৰা হৈছে। ব্যাপকভাবে বনুৱা নিয়োগ প্ৰকল্প এলানিৰ জৰিয়তে সমগ্ৰ দেশত বছৰি ৫০ কোটি টকা ব্যয় সাপেক্ষে প্ৰায় ৪.২ লাখ অতিৰিক্ত লোকৰ নিয়োগৰ সুবিধাৰ সৃষ্টি কৰিব পৰাকৈ এক খণ্ড আঁচনি আৰম্ভ কৰিবলৈকে সিদ্ধান্ত লোৱা হৈছে।

পৰ্য্যালোচিত বছৰটোত অসমৰ অৰ্থনীতিয়ে কম-বেছি পৰিমাণে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ ঘাই ধাৰাকে, অনুসৰণ কৰিছিল। মূল্যৰ অধোমুখী গতিৰ পৰিবৰ্ত্তন, বাঢ়ি অহা নিবনুৱা সমস্যাৰ বাঢ়ি অহা হেঁচা আৰু ঔদ্যোগিক বিকাশৰ মন্থৰ গতিও ইয়াত পৰিলক্ষিত হয়। ৰাষ্ট্ৰীয় অৰ্থনীতিৰ দৰেই ইয়াতো খাদ্য-শস্যৰ উৎপাদনৰ ক্ষেত্ৰত উৎকৃষ্ট কাৰ্য্য কুশলতাইও আশাৰ সঞ্চাৰ কৰিছিল। ভাৰত চৰকাৰে সম্বল ভিত্তিক কেতবোৰ উদ্যোগ গঢ়ি তুলিবলৈ সিদ্ধান্ত লোৱাৰ ফলত ৰাজ্যখনক উদ্যোগীকৰণ কৰাৰ সম্ভাৱনাও উন্মত হৈ উঠিছে।

১৯৬৯-৭০ চনত ৰাজ্যখনত হোৱা প্ৰবল বানপানীয়ে ৰাজ্যিক আয় আৰু জনমূৰি আয়ৰ ক্ষেত্ৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। স্থিৰ মূল্যত ৰাজ্যিক আয় ( ১৯৪৮-৪৯ চনৰ মূল্যত ) ১৯৬৮-৬৯ চনৰ ৪১৯.৬ কোটি টকাৰ পৰা ১৯৬৯-৭০ চনত ৪২৭.৫ কোটি টকালৈ বৃদ্ধি পায়। এই বৃদ্ধিৰ পৰিমাণ হ'ল শতকৰা ১.৯ ভাগ। অৱশ্যে স্থিৰ মূল্যত ৰাজ্যখনৰ জনমূৰি আয় ( ১৯৪৮-৪৯ চনৰ মূল্যত ) ১৯৬৮-৬৯ চনৰ ২৮৭.৯ টকাৰ পৰা ১৯৬৯-৭০ চনত ২৮৫.৪ কোটি টকালৈ হ্ৰাস পায়। এই হ্ৰাসৰ পৰিমাণ হ'ল শতকৰা ০.৯ ভাগ।

পৰ্য্যালোচিত বছৰটোত অসমৰ সাধাৰণ পাইকাৰী মূল্য-সূচীৰ ( মূল ১৯৫৩=১০০ ) ক্ষন্তেকীয়া অধোমুখী গতিৰ পৰিবৰ্ত্তন ঘটিছিল আৰু প্ৰথম এঘাৰ মাহৰ গড় শতকৰা ২ ৬ ভাগ উচ্চ আছিল আৰু আগৰ বছৰৰ ২৪৩.৮ ৰ ঠাইত ই ২৫০.২ হৈছিলগৈ। আগৰ বছৰৰ শতকৰা ৭.৯ ভাগ হ্ৰাসৰ বিপৰীতে ই শতকৰা ২.৬ ভাগ বৃদ্ধি হৈছে।

আমাৰ দেশৰ বৈদেশিক বিনিময় মুদ্ৰা অৰ্জ্জনকাৰী দ্ৰব্য সমূহৰ ভিতৰত প্ৰধান আৰু ৰাজ্যিক আয়ত প্ৰায় শতকৰা এঘাৰ ভাগ অৰিহণা যোগোৱা চাহ শিল্পই অসমৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। চাহ শিল্পৰ বাবে ১৯৬৯ চনৰ বছৰটো প্ৰকৃততে এটা সঙ্কটপূৰ্ণ বছৰ আছিল। কিয়নো ১৯৬৮ চনৰ তুলনাত উৎপাদন আৰু ৰপ্তানি উভয়েই হ্ৰাস পাইছিল। ঘৰুৱা চাহিদাৰ বৃদ্ধি আৰু ১৯৭০-৭১ চনৰ কেন্দ্ৰীয় বাজেটত মঞ্জুৰ কৰা ৰপ্তানি শুল্ক ৰেহাই দিয়াৰ বাবে ১৭৯০ চনত চাহ শিল্পৰ অৱস্থাৰ কিছু উন্নতি পৰিলক্ষিত হয়। কলিকতাৰ কিছুমান শ্ৰেণীৰ ব্যৱসায়ীয়ে তীব্ৰ বিৰোধিতা কৰা সত্বেও ১৯৭০ চনৰ ২৫ চেপ্টেম্বৰ তাৰিখে গুৱাহাটীত চাহৰ নীলাম-কেন্দ্ৰ আৰম্ভ কৰাটো অসমৰ চাহ শিল্পৰ বাবে আন এটি ঐতিহাসিক ঘটনা। অসমৰ চাহ-খেতিয়কসকলে গুৱাহাটীৰ নীলাম বজাৰখনৰ পৰা ভালেমান সুবিধা লাভ কৰিব; কাৰণ বছৰি ৪ নিযুত চাহৰ বাকচৰ

লেন-দেন কৰা কলিকতাৰ এই বজাৰখন বিশেষকৈ চাহৰ ভৰ বতৰত চম্ভালিব নোৱাৰা এক অৱস্থাত পৰিণত হৈছিলগৈ। পণ্যশালাৰ বনুৱা, জাহাজঘাটৰ বনুৱা আদিয়ে সুদীৰ্ঘ দিন ধৰি কৰা ধৰ্ম্মঘট আৰু আইন শৃঙ্খলাৰ অৱনতিয়েও ইয়াক ক্ষতিগ্ৰস্ত কৰিছিল। অসমৰ চাহ খেতিয়কসকলে চাহ-পৰিবহন ভাড়া ভৰাৰ পৰা সকাহ পোৱাৰ উপৰিও প্ৰতি কিলোগ্ৰামত প্ৰায় ১৪ পইচাকৈ ধাৰ্য্য কৰা পশ্চিমবঙ্গৰ প্ৰবেশ কৰ দিয়াৰ পৰাও ৰেহাই পাইছে।

ব্ৰহ্মপুত্ৰ উপত্যকাত ক্ৰমাগতভাবে চাৰিবাৰ আৰু বৰাক উপত্যকাত তিনিবাৰকৈ বানপানী হয়। প্ৰথম চলটো আহে ১৯৭০ চনৰ জুন মাহৰ তৃতীয় সপ্তাহত আৰু দ্বিতীয়টো আহে ১৯৭০ চনৰ জুলাইৰ দ্বিতীয় সপ্তাহত। এই বানপানীয়ে মথাউৰি ভাঙি নগাওঁ, লক্ষীমপুৰ, শিৱসাগৰ কামৰূপ আৰু গোৱালপাৰা জিলাত পথাৰৰ শস্য নষ্ট কৰে। তৃতীয় বাৰ বানপানী আৰম্ভ হয় ১৯৭০ চনৰ ২০ জুলাই তাৰিখৰ পৰা। ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় সকলো জিলাৰে ব্যাপক অঞ্চল প্লাবিত কৰি ঘৰ-বাৰী, শস্য আৰু অন্যান্য সা-সম্পত্তি বিধ্বস্ত কৰাৰ উপৰিও এই বানে জনসাধাৰণৰ বহুজনসংখ্যক লোকক দুৰ্দ্দশাগ্ৰস্ত কৰে। চেপ্টেম্বৰ আৰু অক্টোবৰ মাহত চতুৰ্থ বাৰলৈ বানপানী আহে। এই বছৰটোত হোৱা বানপানীৰ বৈশিষ্ট্য হ'ল এয়ে যে বহুতো ঠাইত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ অস্বাভাৱিক ভাবে বহুদিন জুৰি বিপদ সীমাৰ ওপৰত আছিল। শস্য আৰু মানুহ বসবাস কৰা ব্যাপক অঞ্চলসমূহ বহুদিন ধৰি পানীৰ তলত বুৰগৈ থকা হেতুকে পথাৰৰ খেতি আৰু ঘৰ-বাৰীসমূহৰ ব্যাপক ক্ষতিসাধন হৈছিল। এটা বিৰাট অঞ্চলৰ চপাবলগীয়া হোৱা আহুধানৰ প্ৰায় সকলোখিনিয়ে নষ্ট হৈছিল। খেতিয়কসকলক শালিধানৰ বিধান বিনামূলীয়াকৈ দিয়া হৈছিল; কিন্তু বহু কষ্টেৰে খেতিয়কসকলে তুলিবলৈ লোৱা শালি খেতি আৰু শালি কঠীয়াৰ বেছিভাগেই অক্টোবৰ মাহত হোৱা বানপানীয়ে বিনষ্ট কৰে। বানপানীত ক্ষতিগ্ৰস্ত হোৱা

মুঠ মাটিৰ পৰিমাণ আছিল ২১,২৭,৩৫০ একৰ আৰু জনসংখ্যাৰ পৰিমাণ আছিল ২১,৩৫,৬৫৮ জন। বানপানীত ৩৮ জন লোকেও প্ৰাণ হেৰুৱায়।

## চতুৰ্থ পাঁচ বছৰীয়া যোজনা

সম্প্ৰতি মেঘালয়ৰ ভিতৰত পৰা অঞ্চলকে ধৰি অসমৰ চতুৰ্থ পাঁচ-বছৰীয়া যোজনাৰ বাবে পূৰ্ব্বতে যোজনা আয়োগে অনুমোদন কৰা সৰ্ব্বমুঠ টকাৰ পৰিমাণ আছিল ২২৫·৫০ কোটি টকা; ইয়াৰ ভিতৰত ২২০·০০ কোটি টকা কেন্দ্ৰীয় সাহায্য হিচাপে আৰু ৫·৫০ কোটি টকা ৰাজ্যিক সম্বলৰ পৰা আহৰণ কৰা ধন হিচাপে নিৰ্দ্ধাৰণ কৰা হৈছিল।

পঞ্চম বিত্তীয় আয়োগৰ অনুমোদনৰ পিছত ৰাজ্যিক সম্বলৰ পৰিমাণ পুনৰ নিৰ্দ্ধাৰণ কৰা হয়, আৰু ৰাজ্যিক প্ৰতিনিধি আৰু যোজনা আয়োগৰ মাজত হোৱা আলোচনাৰ ফলস্বৰূপে ৰাজহ আদায়ৰ উন্নতি সাধন আৰু অতিৰিক্ত কৰৰ জৰিয়তে ৰাজ্য চৰকাৰে ২৫ কোটি টকা তোলা, সমবায় ঋণস্বৰূপে ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ পৰা ০·২৫ কোটি টকা ঋণ হিচাপে লোৱা আৰু অসম ৰাজ্যিক বিদ্যুৎ মণ্ডলীয়ে বজাৰৰ পৰা ১১ কোটি টকা ঋণ হিচাপে লোৱা টকাকে ধৰি অতিৰিক্ত ৰাজ্যিক সম্বল ৩৬·২৫ কোটি টকা আহৰণ কৰাৰ দ্বাৰা মেঘালয় চৰকাৰৰ ভিতৰত পৰা অঞ্চলকে ধৰি অসমৰ বাবে চতুৰ্থ যোজনাৰ আকাৰ ২৬১·৭৫ কোটি টকালৈ বৃদ্ধি কৰা হয়।

১৯৭০ চনৰ ২ এপ্ৰিল তাৰিখৰ পৰা মেঘালয় এখন স্বায়ত্ত শাসিত ৰাজ্য হিচাপে গঠিত হোৱাৰ সন্দৰ্ভত ৰাজ্যিক চৰকাৰে পাৰ্ব্বত্য অঞ্চলৰ সদস্যসকলে (মেঘালয় গঠন হোৱাৰ আগেয়ে) তেওঁলোক একেলগে থাকোতে নিজেই নিৰ্দ্ধাৰণ কৰা এলেকা আৰু জনসংখ্যাৰ ভিত্তিত যোজনাৰ ব্যয় নিৰ্দ্ধাৰণ কৰিবলৈ জোৰ দিছিল যদিও, যোজনা আয়োগে প্ৰথমতে ধাৰ্য্য কৰা ৬৫ কোটি টকাৰ পাৰ্ব্বত্য যোজনাৰ ধন আৰু অসম ৰাজ্যিক বিদ্যুৎ মণ্ডলীয়ে বজাৰৰ পৰা সংগ্ৰহ কৰিবলৈ লোৱা ১১ কোটি টকা ঋণৰ পাৰ্ব্বত্য এলেকাৰ অংশ ০·৭৫ কোটি টকা

জনসংখ্যাৰ ভিত্তিত অসমৰ পাৰ্ব্বত্য অঞ্চল আৰু মেঘালয়ৰ মাজত ভাগ-বাটোৱাৰা কৰে। যোজনা আয়োগে নিৰ্দ্ধাৰণ কৰা মতে চতুৰ্থ যোজনাত মেঘালয়ৰ ভাগত পৰে ৩৮ কোটি টকা আৰু অসমৰ পাৰ্ব্বত্য অঞ্চলৰ ভাগত পৰে ২৭·৭৫ কোটি টকা। ইয়াৰ পাছত ৰাজ্যিক চৰকাৰে বাৰে বাৰে অনুৰোধ কৰাত যোজনা আয়োগে অসমৰ পাৰ্ব্বত্য অঞ্চলৰ কাৰণে চতুৰ্থ যোজনাৰ টকাৰ পৰিমাণ ২৭·৭৫ কোটিৰ পৰা ৩২ কোটি টকালৈ বৃদ্ধি কৰে। ফলস্বৰূপে মেঘালয়ৰ ভাগত পৰা অংশ বাদ দি অসমৰ চতুৰ্থ যোজনাৰ বাবে সৰ্ব্বমুঠ ২২৩·৭৫ কোটি টকা ধাৰ্য্য কৰা হয়। এই টকাৰ ভিতৰত ১৯১·৭৫ কোটি টকা সাধাৰণ এলেকা আৰু ৩২ কোটি টকা অসমৰ পাৰ্ব্বত্য এলেকাৰ ভাগত পৰিছে। সৰ্ব্বমুঠ ২২৩·৭৫ কোটি টকাৰ ভিতৰত মেঘালয়ক বাদ দি অসমৰ পাৰ্ব্বত্য অঞ্চলক ধৰি অসমৰ চতুৰ্থ যোজনাৰ বাবে কেন্দ্ৰীয় সাহায্য হিচাবে ১৮২·৮০ কোটি টকা ধাৰ্য্য কৰা হৈছে। সম্বলৰ অৱস্থাৰ বাস্তৱধৰ্ম্মী নিৰ্দ্ধাৰণৰ যোগে এইটো সম্প্ৰতি অনুভৱ কৰা হৈছে যে উপশম নোহোৱা ভয়ানক প্ৰাকৃতিক দুৰ্যোগবোৰৰ পৰিপ্ৰেক্ষিতত অতিৰিক্ত কৰ প্ৰৱৰ্ত্তন আৰু আদায় কৰাৰ জৰিয়তে ২৫ কোটি টকা আহৰণ কৰাৰ যি আশা আমি আগতে পোষণ কৰিছিলো তাক পূৰণ কৰিব পৰা নহব। সেই বাবে চতুৰ্থ যোজনাৰ আকাৰ সেই পৰিমাণে হ্ৰাস পাব। বাৰ্ষিক যোজনাৰ কাৰ্য্যসূচীসমূহতো ই অনুৰূপভাবে প্ৰতিফলিত হ'ব।

**১৯৭০-৭১ চনৰ বাৰ্ষিক যোজনা**—যোজনা আয়োগে মেঘালয়ৰ বাহিৰে অসমৰ ১৯৭০-৭১ চনৰ বাৰ্ষিক যোজনাৰ বাবে ৪০·৮৪ কোটি টকা নিৰ্দ্ধাৰণ কৰিছে। তাৰে ৩৪·৫৪ কোটি টকা সাধাৰণ এলেকা আৰু ৬·৩০ কোটি টকা অসমৰ পাৰ্ব্বত্য এলেকাৰ বাবে ধাৰ্য্য কৰা হৈছে। এই ৪০·৮৪ কোটি টকাৰ ৩২·৮৪ কোটি টকা কেন্দ্ৰীয় সাহায্য হিচাপে আৰু ৮·০০ কোটি টকা ৰাজ্যিক বৰঙনি ( অসম ৰাজ্যিক বিদ্যুৎ মণ্ডলীয়ে জীৱন বীমা নিগম আৰু মুকলি বজাৰৰ পৰা তুলিব খোজা

৩·৮৫ কোটি টকাৰ ঋণ, ৰাজ্যিক চৰকাৰে সমবায় আৰু গৃহ নিৰ্ম্মাণৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ পৰা আৰু জীৱন বীমা নিগমৰ পৰা ধাৰ কৰিব খোজা ০·১৫ কোটি টকা আৰু অতিৰিক্ত কৰ-কাটলৰ পৰা ৰাজ্যিক চৰকাৰে সংগ্ৰহ কৰিবলৈ লোৱা ৪ কোটি টকা ) হিচাপে ধৰা হৈছে। ১৯৭০ চনৰ ১২ আৰু ১৩ অক্টোবৰত নতুন দিল্লীত সম্বল সম্পৰ্কে হোৱা আলোচনাৰ কালত যোজনা আয়োগে ৰাজ্যখনৰ সম্বল পুনৰ নিৰ্দ্ধাৰণ কৰে আৰু এই আলোচনাৰ ফলস্বৰূপে ১৯৭০-৭১ চনৰ ৰাজ্যিক বাৰ্ষিক যোজনাৰ পৰিসৰ ৩৮·০২ কোটি টকাত ধাৰ্য্য কৰে আৰু প্ৰতিশ্ৰুতি দিয়া মতে কেন্দ্ৰীয় সাহাৰ্য্য ৩২·৮৪ কোটি টকাৰ সাল-সলনি কৰা নহয়।

**১৯৭১-৭২ চনৰ বাৰ্ষিক যোজনা**—১৯৭১-৭২ চনৰ বাবে সাধাৰণ এলেকাৰ অৰ্থে ৩৯·১০ কোটি টকা আৰু অসমৰ পাৰ্ব্বত্য অঞ্চলৰ বাবে ৬·৯০ কোটি টকাকে ধৰি মুঠ ৪৬ কোটি টকাৰ এখনি খচৰা যোজনা প্ৰস্তুত কৰি যোজনা আয়োগলৈ পঠিওৱা হৈছে। এই খচৰা যোজনাখন ১৯৭০ চনৰ ২১ আৰু ২২ ডিচেম্বৰ তাৰিখে নতুন দিল্লীত যোজনা আয়োগে গঠন কৰা বিভিন্ন দলে আলোচনা কৰে। যোজনা আয়োগ আৰু ৰাজ্যিক প্ৰতিনিধিসকলৰ মাজত ১৯৭১ চনৰ ২২ জানুৱাৰী তাৰিখে হোৱা শেষ পৰ্য্যায়ৰ আলোচনাত দৃষ্টিগোচৰ হোৱা সম্বলৰ ভিত্তিত কেন্দ্ৰীয় সাহাৰ্য্য হিচাপে ৩৬·৫৬ কোটি টকা আৰু ৰাজ্যিক বৰঙনি হিচাপে ৫·৬৫ কোটি টকা ধৰি অহা বছৰৰ বাৰ্ষিক যোজনাৰ আকাৰ ৪২.২১ কোটি টকাত ধাৰ্য্য কৰা হয়। অসমৰ পাৰ্ব্বত্য এলেকাৰ বাবে ধৰা ৬·৪৪ কোটি টকাও চতুৰ্থ যোজনাৰ প্ৰায় শতকৰা ১৯ ভাগ এই সৰ্বমুঠ ৪২·২১ কোটি টকাৰ অন্তৰ্ভূক্ত কৰা হৈছে। ১৯৭১-৭২ চনৰ বাৰ্ষিক যোজনাত ধৰা সৰহভাগ আঁচনি আৰু কাৰ্য্য-সূচীয়েই আশা কৰা অনুযায়ী বাৰ্ষিক বৃদ্ধিৰ লক্ষ্য সাধন কৰিবলৈ আৰু ইতিমধ্যে লাভ কৰা উন্নয়নৰ অৰ্থে যোৱা দুবছৰে কৰা কামসমূহ অব্যাহত ৰাখিবলৈ হাতত লোৱা হৈছে। ৰাজ্যিক চৰকাৰে মহকুমা

আৰু জিলাৰ যোজনা প্ৰস্তুত কৰাৰ কাম হাতত লৈছে। এই উদ্দেশ্যৰে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ প্ৰাকৃতিক, ভৌগোলিক আৰু আৰ্থিক অৱস্থাৰ ওপৰত ভিত্তি কৰি মূল তথ্যপাতিসমূহ সংগ্ৰহ কৰিবলৈ লোৱা হৈছে। ৰাজ্যৰ সকলো অঞ্চলৰ উন্নয়নৰ সমতা ৰক্ষা কৰাৰ উদ্দেশ্যে বিভিন্ন খণ্ড আৰু অঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত থকা ব্যৱধানৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন স্তৰত থকা লোকসকলৰ মৌলিক প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ দীৰ্ঘম্যাদী যোজনা প্ৰস্তুত কৰা হ'ব।

বিত্তীয় আয়োগৰ ৰায় :— যোৱা বছৰৰ বাজেট বক্তৃতাত মই ১৯৬৯-৭০ চনৰ পৰা পাঁচ বছৰলৈ অসমক সাহায্য মঞ্জুৰী স্বৰূপে ১০১.৯৭ কোটি টকা দিবলৈ অনুমোদন কৰা পঞ্চম বিত্ত আয়োগৰ ৰায় সম্পৰ্কে বিশদ ভাবে উল্লেখ কৰিছিলোঁ। ১৯৭০-৭১ চনৰ বছৰটোৰ কাৰণে সাহায্য মঞ্জুৰীৰ পৰিমাণ ২০.৬০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰে ১৯৬৯ চনৰ অসম পুনৰ গঠন (মেঘালয়) আইনৰ ৫৬ (১) ধাৰা অনুযায়ী ভাৰতৰ ৰাষ্ট্ৰপতিয়ে মেঘালয় চৰকাৰৰ অংশ হিচাপে ৩ কোটি টকা আৰু অসমৰ অংশ হিচাপে ১৭.৬০ কোটি টকা ভাগ কৰি দিয়ে। সেই আইনৰ একে ধাৰা অনুযায়ী ভাৰতৰ ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰীয় কৰৰ অংশও অসম আৰু মেঘালয়ৰ মাজত ভাগ কৰি দিয়ে। তদনুযায়ী কেন্দ্ৰীয় কৰ-কাটলৰ যেনে — আয়কৰ, কেন্দ্ৰীয় আবকাৰী শুল্ক, বিক্ৰীকৰ আৰু সম্পত্তি কৰৰ পৰিবৰ্ত্তে চেনি, ধপাত আৰু বস্ত্ৰৰ ওপৰত লগোৱা অতিৰিক্ত আবকাৰী শুল্কৰ অংশ হিচাবে অসমে ১৬৮৩.৮৯ লাখ টকা আৰু মেঘালয়ে ১৩৫.১২ লাখ টকা পাব।

মই এতিয়া এই সদনৰ মাননীয় সদস্যসকলৰ আগত বিভিন্ন বিভাগে কৰা ঘাই ঘাই কামসমূহৰ এটি চমু বিৱৰণ দাঙি ধৰিব খোজো। এই বিৱৰণীয়ে চলিত বিত্তীয় বছৰত কৰা কামৰ এই ক্ষেত্ৰত লাভ কৰা সফলতাৰ এটি সাধাৰণ চিত্ৰ দাঙি ধৰিব।

কৃষি—বানপানী ফলত ১৯৬৯-৭০ চনত ৰাজ্যখনৰ (মেঘালয় বাদ দি) খাদ্যশস্যৰ উৎপাদন ১৯৬৮-৬৯ চনৰ ২০·৭৬ লাখ টনৰ পৰা ১৮·৪ লাখ টনলৈ হ্ৰাস পায়। চলিত বছৰটোত খেতি কৰা অঞ্চলসমূহত বানপানীয়ে আগতকৈও বেছি ক্ষতি সাধন কৰা সত্বেও সাময়িকভাৱে কৰা হিচাব অনুযায়ী খাদ্যশস্যৰ সৰ্বমুঠ উৎপাদন ১৮·৬৬ লাখ টন পোৱা হৈছে। উচ্চ উৎপাদনক্ষম বিভিন্ন সঁচৰ প্ৰৱৰ্তন আৰু ধান আৰু ঘেহুৰ উন্নত সঁচৰ খেতি কৰা মাটিৰ পৰিমাণ বৃদ্ধিৰ লগতে বিলম্বিত শালি বতৰত পুনৰ খেতি কৰাৰ বাবেই ই সম্ভৱ হৈছিল। মৰাপাটৰ উৎপাদন ১৯৬৯-৭০ চনৰ ১০·৮২ লাখ গাথৰ ঠাইত অৱশ্যে ৯·৩৭ লাখ গাথলৈ হ্ৰাস পায়।

কৃষি ক্ষেত্ৰত লোৱা ঘাই সহকাৰী কাৰ্যসূচীসমূহ হ'ল— উচ্চ উৎপাদনক্ষম সঁচ, ব্যৱহাৰিক প্ৰদৰ্শন, খেতিয়কসকলৰ প্ৰশিক্ষণ, যান্ত্ৰিক পদ্ধতিৰ খেতি আৰু ক্ষুদ্ৰ জলসিঞ্চন আঁচনিবোৰ অব্যাহত ৰখাৰ উপৰিও শক্তিশালী কৰা। ৰাজ্যখনৰ পৰ্বত আৰু ভৈয়ামৰ জিলাসমূহৰ ১,৬৭,০০০ হেক্টৰ মাটিত উচ্চ উৎপাদনক্ষম সঁচৰ খেতি কৰাৰ লক্ষ্য সম্পূৰ্ণভাবে পূৰণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে। মৰাপাটৰ খেতি কৰা ১,২০০ হেক্টৰ অঞ্চলত আকাশী যানেৰে ইউৰিয়া আৰু কীটনাশক ঔষধ ছটিওৱা হৈছে। অসমৰ বীজ নিগমে উন্নত সচৰ বীজ উৎপাদন আৰু যোগানৰ ব্যৱস্থা কৰিবলৈ ধৰিছে। ১৯৭০-৭১ চনত এই নিগমে প্ৰায় ১৯,০০০ কুইন্টল ধান, মৰাপাট, সৰিয়হ আৰু আলুৰ উন্নত বীজৰ যোগান ধৰিছিল। কৃষি উদ্যোগ উন্নয়ন নিগমটোৱে ৰাজ্যজুৰি থকা শাখাসমূহৰ যোগেদি উৎপাদনকাৰীসকলক সাৰ, কীটনাশক ঔষধ, খেতিৰ আহিলাপাতি, ট্ৰেক্টৰ, মৰণা মৰা যন্ত্ৰ, যান্ত্ৰিক নাঙল, যান্ত্ৰিক দমকল আদিৰ যোগান ধৰিছে। ১৯৬৯-৭০ চনত এই নিগমে খেতিৰ উপযোগী বিভিন্ন সজুলি যোগান ধৰাৰ উপৰিও ৪০৫ টা দমকল, ১২৯ খন ট্ৰেক্টৰ, ১৬৫ খন শক্তিচালিত নাঙল, ৩ টা শক্তিচালিত মৰণামৰা যন্ত্ৰ, ৬৯ টা কুঁহিয়াৰ চেপা কল আৰু ১৫২ টা শক্তিচালিত স্প্ৰেয়াৰৰ যোগান ধৰে।

১৯৭১-৭২ চনত এই আহিলা-পাতিসমূহ আৰু বেছিকৈ যোগান ধৰাৰ কথা ভবা হৈছে।

ৰাজ্যখনৰ পাৰ্ব্বত্য জিলাসমূহত কৃষি আঁচনিসমূহ কাৰ্য্যকৰী কৰা হৈছে। এই অঞ্চলসমূহত বীজ, যান্ত্ৰিক আহিলা, কীটনাশক ঔষধ আৰু সা-সঁজুলিৰ ক্ষেত্ৰত আৰ্থিক সাহায্য দিয়া আৰু পৰিবহনত আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা অব্যাহত ৰখা হৈছে। মিজো পাহাৰ জিলাৰ উন্নয়নৰ বাবে বিশেষ আঁচনি প্ৰস্তুত কৰা হৈছে আৰু এই জিলাত দুখন বৃহৎ আকাৰৰ পাম খুলিবলৈ মনস্থ কৰা হৈছে। প্ৰগতিশীল সংৰক্ষিত গাওঁসমূহত প্ৰয়োজনীয় খাদ্যৰ যোগান ধৰিবলৈ সৰু সৰু পাম খোলা আঁচনিৰ কামো হাতত লোৱা হৈছে।

১৯৬৯ চনৰ এপ্ৰিল মাহত অসম কৃষি বিশ্ববিদ্যালয় স্থাপন কৰা হয়। এই বিশ্ববিদ্যালয়ৰ অধীনত থকা কলেজ দুখন যেনে—অসত কৃষি কলেজ আৰু অসম পশুচিকিৎসা কলেজ শক্তিশালী কৰিবলৈ লোৱা হৈছে। বৰ্ত্তমানলৈকে হস্তান্তৰিত কৰা যাৱতীয় কামকাজসমূহৰ ব্যয় বহন কৰাৰ উপৰিও বিশ্ববিদ্যালয়খনৰ উন্নয়নৰ হকে ৰাজ্যচৰকাৰে ৪৫ লাখ টকা দিছে।

কেন্দ্ৰীয় চৰকাৰৰ তৰফৰপৰা লোৱা আঁচনিৰ অধীনত গোৱালপাৰা, কামৰূপ, নগাওঁ আৰু মিকিৰ পাহাৰ জিলাত ক্ষুদ্ৰ কৃষক উন্নয়ন অভিকৰণ আৰু উপান্ত কৃষক আৰু কৃষি বনুৱা উন্নয়ন অভিকৰণ গঠন কৰা হ'ব ধৰিছে। এই জিলা কেইখনত সৰ্বোচ্চ পৰিমাণে ক্ষুদ্ৰ আৰু উপান্ত কৃষক আৰু মাটিহীন কৃষি বনুৱা থকা অঞ্চলসমূহ সামৰা হব।

বিশ্ব বেঙ্কৰ সাহায্যত মুঠ ৩০ কোটি টকা নিৰ্দ্ধাৰিত ব্যয়ত বৰ্ত্তমান মাটি-কঠালৰ বাগিচা, নতুন বাগিচাৰ উন্নয়ন আৰু প্ৰচেচিং কাৰখানা স্থাপনত সাহায্য যোগাৰলৈ এখন অখণ্ড আঁচনি ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে। তামোল উন্নয়নৰ বাবেও আন এখন আঁচনিৰ কাম

হাতত লোৱা হৈছে। এই আঁচনিখনৰ টকা কৃষি বিষয়ক পুনৰ বিত্তদান নিগমে বহন কৰিব। এই আঁচনিসমূহে ব্যাপক ভাবে এই খেতি কৰা অঞ্চলসমূহৰ মাটিকঠাল আৰু তামোলৰ খেতিৰ যথেষ্ট উন্নতি সাধন কৰাৰ সম্ভাৱনা আছে আৰু ইয়াৰ ফলত উৎপাদনকাৰীও আৰ্থিক ফালৰ পৰা যথেষ্ট লাভবান হব আৰু নিয়োগৰ সুবিধাও বাঢ়িব।

১৯৭১-৭২ চনৰ কালছোৱাত পৰ্ব্বত আৰু ভৈয়াম উভয় জিলাসমূহতে ২৩ লাখ টন খাদ্যশস্য উৎপাদনৰ লক্ষ্যেৰে কৃষি উন্নয়ন আঁচনি অব্যাহত ৰখা হব। মৰাপাট, কুঁহিয়াৰ আৰু তেলবীজ আদি নগদ ধন পোৱা শস্যসমূহৰ উৎপাদনৰ ক্ষেত্ৰত ইতিমধ্যে প্ৰতিষ্ঠা কৰা উচ্চতম ৰেকৰ্ড যাতে অক্ষুণ্ণ ৰাখিব পাৰি আৰু ইয়াৰ যাতে উন্নতি সাধিব পাৰি তাৰ বাবে প্ৰচেষ্টা চলোৱা হব।

ৰাজ্যখনৰ চাহিদা অনুপাতে কৃষিমূলক আঁচনিসমূহত অধিক ব্যাপক ভাবে অৰ্থৰ যোগান ধৰিবলৈ কৃষি বিষয়ক পুনৰ বিত্তদান নিগম আৰু ৰাষ্ট্ৰীয়কৰণ কৰা অনুসূচীত বেঙ্কসমূহ আগবাঢ়ি আহিছে। ১৯৭০ চনৰ ডিচেম্বৰ মাহলৈকে ৰাষ্ট্ৰীয়কৰণ কৰা বেঙ্কসমূহে কৃষি উৎপাদনত উৎপাদনকাৰী সকলক প্ৰত্যক্ষ ভাবে প্ৰায় ৯০লাখ টকাৰ যোগান ধৰিছে।

## ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ আয়োগ

অসম উপত্যকা বিশাল ব্ৰহ্মপুত্ৰ নদ আৰু ইয়াৰ উপনৈসমূহত হোৱা প্ৰবল বান-পানীৰ গ্ৰাসত পৰাটো বহুতদিনৰ কথা। ১৯৫০ চনৰ ভুঁইকপে নদীসমূহত জমা হোৱা বোকাৰ পৰিমাণ যথেষ্ট বৃদ্ধি কৰাত এই অৱস্থা আৰু ভয়াবহ কৰি তোলে। ১৯৫৪ চনৰ পৰা বান-নিয়ন্ত্ৰণ ব্যৱস্থাসমূহ কাৰ্য্যকৰী কৰা হৈছে যদিও এই ক্ষেত্ৰত লাভ কৰা সফলতা পৰিমিত হোৱা নাই। ৰাজ্যখনৰ গুৰুতৰ বান-পানী সমস্যাৰ গুৰুত্ব উপলব্ধি কৰি ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ লগত আলোচনাক্ৰমে ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ মণ্ডলী, উপদেষ্টা মণ্ডলী আৰু ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ

আয়োগক লৈ এটা তিনি তৰপীয়া সংস্থা গঠন কৰিছে। ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ মণ্ডলীটো হৈছে বান-নিয়ন্ত্ৰণৰ ক্ষেত্ৰত নীতিগত সিদ্ধান্ত লোৱা এটা নিকায় আৰু প্ৰকল্প কাৰ্য্যকৰী কৰাৰ অগ্ৰাধিকাৰো ই নিৰ্ণয় কৰে। এই উপত্যকাটোৰ বান-নিয়ন্ত্ৰণৰ সামগ্ৰিক আঁচনি প্ৰস্তুত আৰু এই কাম-কাজ সম্পাদন কৰিবৰ কাৰণে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগ গঠন কৰা হৈছে। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ মণ্ডলীয়ে এইবোৰ অনুমোদন কৰাৰ পাছত এই আয়োগে অনুসন্ধান, পৰিকল্পনা, নক্সা, বান নিয়ন্ত্ৰণ আঁচনি সমূহৰ ৰক্ষণাবেক্ষণ আৰু কাৰ্য্যকৰীকৰণ কাম হাতত লব। উপদেষ্টা মণ্ডলীয়ে আয়োগৰ কাম-কাজৰ মূল্যাঙ্কন কৰা আৰু জটিল কাৰিকৰী সমস্যাসমূহৰ ক্ষেত্ৰত উপদেশ দিব বুলি আশা কৰা হৈছে।

১৯৭০ চনৰ ২৪ জুলাই তাৰিখৰ পৰাই আয়োগে কাম আৰম্ভ কৰিছে আৰু মূল তথ্য-সমূহ সংগ্ৰহৰ কাম হাতত লৈছে। দিহিং আৰু সোৱনশিৰিত বান্ধ বন্ধাৰ সম্ভৱপৰ স্থলৰ আৰু পাপলাদিয়াৰ পানী ধৰি ৰখা আধাৰ নিৰ্ম্মাণৰ অনুসন্ধানৰ কামো অগ্ৰাধিকাৰৰ ভিত্তিত আৰম্ভ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। ১৯৫৪ চনত আকাশী-যানেৰে চলোৱা পৰ্য্যবেক্ষণৰ পিচত উপত্যকাটোৰ উপবিভাগৰ পৰিবৰ্ত্তন ঘটাৰ বাবে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাটো আকাশী জাহাজেৰে পুনৰ পৰ্য্যবেক্ষণ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ উপৰিও নিৰ্ব্বাচিত আৰু সংযোগী তলিখননৰ বাবে ব্ৰহ্মপুত্ৰ নৈৰ গুৰুত্বপূৰ্ণ স্থানসমূহত পৰীক্ষামূলকভাবে তলি খননৰ কাম আৰম্ভ কৰিবলৈও স্থিৰ কৰা হৈছে। এই উদ্দেশ্যে কাম আৰম্ভ কৰিবলৈ দুখন ড্ৰেজাৰৰ ব্যৱস্থা কৰা হব ধৰিছে। ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ মণ্ডলীয়ে অনুমোদন কৰা কিছুমান আঁচনিৰ কাম হাতত লোৱা আৰু আগৰ পৰা চলি থকা আঁচনিসমূহৰ কাম সম্পূৰ্ণ কৰাই অহা বছৰৰ কাৰ্য্যসূচীৰ লক্ষ্য হব। ব্ৰহ্মপুত্ৰৰ গতি নিয়ন্ত্ৰণৰ সমস্যাটো পৃথিবীৰ ভিতৰতেই এক অতি জটিল আৰু ব্যয়বহুল আৰু ই ৰাজ্যিক চৰকাৰৰ সামৰ্থ্যৰো সম্পূৰ্ণ বাহিৰত। সেয়ে ৰাজ্যিক চৰকাৰে এই সমস্যাৰ প্ৰশ্নটো ভাৰত চৰকাৰে শীঘ্ৰে কেন্দ্ৰীয় খণ্ডত

লবলৈ ভাৰত চৰকাৰ আৰু যোজনা আয়োগৰ ওচৰত ইতিমধ্যে উত্থাপন কৰিছে ।

## বনাঞ্চল

পুনৰ বনীকৰণ ( Regeneration ) কাৰ্য্যসূচী অনুযায়ী ১৯৬৯-৭০ চনৰ ভিতৰত নতুনকৈ ৩,৪৫০ হেক্টৰ মাটিত গছ-পুলি ৰোৱা হয়। ১৯৭০-৭১ চনৰ ভিতৰত ৩,৩৭৫ হেক্টৰ মাটিত গছ-পুলি ৰোৱা হ'ব বুলি আশা কৰা হৈছে। ১৯৭১-৭২ চনৰ ভিতৰত প্ৰায় ৫,৫০০ হেক্টৰ মাটিত গছ-পুলি ৰোৱাৰ প্ৰস্তাৱ কৰা হৈছে। অন্যান্য গছ-পুলিৰ বাহিৰেও চেগুন আৰু প্লাইউড জাতীয় গছ-পুলি ৰোৱাৰ ওপৰত অধিকতৰ গুৰুত্ব আৰোপ কৰা হৈছে। গছ-গছনিৰ উন্নয়নৰ বাবে কৰ্ষণ কাৰ্য্যসূচী আৰু বনাঞ্চলৰ উন্নতি সাধনৰ কাম চলাই থকা হৈছে। গছ-গছনি নোহোৱা এলেকাসমূহত গছ-গছনি ৰোৱাৰ বাবে আন এটা বনীকৰণ সংমণ্ডল মুকলি কৰাৰ উপৰিও বন্য প্ৰাণীৰ অভয়াৰণ্যসমূহ ভালকৈ পৰিচালনা কৰাৰ অৰ্থে ১৯৬৯-৭০ চনত এটা নতুন বন্যপ্ৰাণী সংমণ্ডল মুকলি কৰা হৈছে। বন্যপ্ৰাণী সংমণ্ডলৰ কাৰ্য্যালয় বোকাখাটলৈ স্থানান্তৰিত কৰাৰ লগতে মানসৰ কাৰণে এটা আছুতীয়া সংমণ্ডল খোলাত আৰু ব্যাপকভাবে পহৰা দিয়াৰ ব্যৱস্থা কৰাৰ ফলত আগৰ বছৰৰ তুলনাত অভয়াৰণ্যসমূহত চোৰাং চিকাৰৰ সংখ্যা যথেষ্ট কমি গৈছে ।

## পশুপালন আৰু পশু-চিকিৎসা

জনসাধাৰণৰ খাদ্য-ৰীতিৰ পৰিবৰ্ত্তনৰ লগে লগে জীৱ-জন্তুৰ পৰা পোৱা খাদ্যৰ চাহিদাও বাঢ়ি গৈছে। ইয়াৰ বাবে ৰাজ্যখনত উচ্চ উৎপাদনক্ষম জাতৰ পশুধনৰ উন্নয়নৰ প্ৰয়োজন হৈছে। তদনুসাৰে গৰু-ম'হ, ভেড়া, গাহৰি, ছাগলী আৰু হাঁহ-কুকুৰা আদিৰ উন্নয়নৰ ব্যৱস্থা লোৱা হৈছে। ১৯৬৯-৭০ চনত লোৱা গৰু-ম'হৰ উন্নয়ন,

খাদ্য আৰু ঘাঁহৰ উৎপাদন বৃদ্ধি, ভেড়া আৰু ছাগলীৰ উন্নয়ন, হাঁহ-কুকুৰাৰ উন্নয়ন আৰু গাহৰি উন্নয়ন আঁচনিসমূহৰ কাম চলাই থকা হৈছে। বিভিন্ন ৰোগৰ চিকিৎসা আৰু নিয়ন্ত্রণৰ বাবে চৰকাৰে কেতবোৰ পশু-চিকিৎসালয় আৰু ডাক্তৰখানা আৰু প্ৰাথমিক চিকিৎসা কেন্দ্র স্থাপন কৰিছে। ৰিণ্ডাৰপেষ্ট, ৰাণীখেত, টি বি আদি ব্যাধিসমূহ নিৰ্মূল কৰা আৰু নিয়ন্ত্রণ কৰাৰ অৰ্থে ব্যৱস্থা হাতত লোৱা হৈছে। বিভিন্ন ৰোগ-নিয়ন্ত্রণৰ কাৰণে জীৱ-কোষ উৎপাদন শাখাই বিভিন্ন ধৰণৰ ছিটা প্ৰস্তুত কৰিছে। ৰিণ্ডাৰপেষ্ট ৰোগ নিয়ন্ত্রণ কৰিবলৈ আন্তঃৰাজ্যিক আৰু আন্তৰ্জাতিক সীমাত অধিক নিৰীক্ষণ আৰু পৰীক্ষণ-চকী প্ৰতিষ্ঠা কৰা হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ক মঞ্জুৰী দি পশু চিকিৎসা বিজ্ঞানৰ বিভিন্ন পৰ্য্যায়ত যুৱকসকলে প্ৰশিক্ষণ লোৱাৰ সা-সুবিধা দিয়া হৈছে। ক্ষেত্র-পৰ্য্যায়ৰ কৰ্ম্মীসকলক প্ৰশিক্ষণ দিয়াৰ বাবে পশুচিকিৎসা বিজ্ঞানৰ বিদ্যালয়খন উন্নত কৰাৰ ব্যৱস্থা কৰা হৈছে। স্বাস্থ্যসম্মত ভাবে অধিক গাখীৰ সংগ্ৰহ আৰু বিতৰণ কৰাৰ উদ্দেশ্যে গুৱাহাটী আৰু যোৰহাটত নগৰ গাখীৰ যোগান আঁচনিৰ সম্প্ৰসাৰণ কৰা হৈছে। তেজপুৰ আৰু ডিব্ৰুগড়ৰ কাৰণেও তেনে আঁচনি হাতত লোৱা হৈছে।

( দুপৰীয়াৰ আহাৰৰ বাবে সদন দুই বজালৈ স্থগিত থাকে )

**সমবায়**

সমবায় আন্দোলনে গ্ৰাম্য অৰ্থনীতিত এক স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে আৰু ধাৰে দিয়া ( credit ), বেচা-কিনা আৰু প্ৰচেছিঙৰ ক্ষেত্রত উল্লেখযোগ্য প্ৰগতি লাভ কৰিছে। কেন্দ্ৰীয় মাটি বন্ধকী বেঙ্কে ঋণ-পত্ৰসমূহৰ প্ৰথম ঋণ-পত্ৰ বিক্ৰী কৰিছে।

সমবায় বেচা-কিনা ব্যৱস্থায়ো সন্তোষজনক প্ৰগতি লাভ কৰিছে আৰু সম্প্ৰতি ১৩৪ খন বেচা-কিনা সমিতিয়ে কাম কৰি আছে। বেচা কিনাৰ ব্যৱস্থা শক্তিশালী কৰা আৰু ইয়াৰ প্ৰগতি বৃদ্ধি কৰাৰ বাবে প্ৰায় ১৮ খন বেচা-কিনা সমিতি পুনৰ সঞ্জীৱিত কৰিবলৈ মনস্থ কৰা

হৈছে। বেচা-কিনা সমবায় সমিতিসমূহে লেন-দেন কৰা কৃষিজাত দ্ৰব্যৰ মূল্য ৮ কোটি টকা আছিল। প্ৰচেছিঙৰ ক্ষেত্ৰত ৪৬ টা ধানবনা কল আৰু ২টা তেলকলত উৎপাদন-কাৰ্য্য আৰম্ভ হৈছে। অসম সমবায় মৰাপাটৰ কলটো ইতিমধ্যে চালু কৰা হৈছে।

## সমূহীয়া উন্নয়ন আৰু পঞ্চায়ত

সমূহীয়া উন্নয়ন আঁচনিয়ে সম্প্ৰতি ৰাজ্যখনৰ সমগ্ৰ গওঁ৷ ৰাইজক সামৰি লৈছে। সাধাৰণ এলেকাসমূহত থকা ১২১ খণ্ডৰ ভিতৰত ৬২ টা খণ্ডই দ্বিতীয় পৰ্য্যায় আৰু ৫৯ টা খণ্ডই দ্বিতীয় পৰ্য্যায়োত্তৰ অৱস্থা লাভ কৰিছে। মেঘালয়ৰ বাহিৰে ষষ্ঠ অনুসূচীত এলেকাত সম্প্ৰতি ১৮ টা খণ্ড আছে আৰু তাৰে ৮টা খণ্ড দ্বিতীয় পৰ্য্যায়ত আৰু ১০টা খণ্ড দ্বিতীয় পৰ্য্যায়োত্তৰ অৱস্থা পাইছে। সংবিধানৰ ৬ষ্ঠ অনুসূচীৰ সংশোধন অনুযায়ী সমূহীয়া উন্নয়ন আঁচনি কাৰ্য্যকৰী কৰাৰ কাম মিকিৰ পাহাৰ আৰু উত্তৰ কাচাৰ পাহাৰ জিলাৰ জিলা-পৰিষদসমূহলৈ হস্তান্তৰ কৰা হৈছে। সাধাৰণ এলেকাসমূহত থকা ৭ টা জনজাতীয় উন্নয়ন খণ্ডই ভাৰত চৰকাৰে কেন্দ্ৰীয়ভাৱে লোৱা আঁচনি অনুযায়ী সমাজ-কল্যাণ বিভাগৰ পৰা সাহায্য মঞ্জুৰী হিচাপে অতিৰিক্ত পুঁজি পায়। ১৯৭০-৭১ চনৰ ভিতৰত বুজন সংখ্যক জনজাতীয় লোক থকা ১০৩ টা খণ্ডত লৰা-ছোৱালীৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে লোৱা কেন্দ্ৰীয় আঁচনি অনুসৰি এখন খণ্ড আহাৰ যোগান আঁচনিৰ কাম আৰম্ভ কৰা হৈছে। আঞ্চলিক পঞ্চায়তৰ সংখ্যা সম্প্ৰতি ১২১ লৈ আৰু গাওঁ পঞ্চায়তৰ সংখ্যা ২,৬০২ লৈ বৃদ্ধি পাইছে।

## বান-নিয়ন্ত্ৰণ আৰু জলসিঞ্চন

জলসিঞ্চনৰ ক্ষেত্ৰত ১৯৬৬-৬৭, ১৯৬৭-৬৮ আৰু ১৯৬৮-৬৯ চনৰ যোৱা তিনিখন তদৰ্থ বাৰ্ষিক যোজনাত ১৬১.৩১ লাখ টকালৈকে ব্যয় কৰি ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ দ্বাৰা প্ৰায় ৫২,৭০০ একৰ এলেকা সামৰি লোৱা হৈছে।

যমুনা জলসিঞ্চনৰ আঁচনিৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। এই আঁচনিৰ দ্বাৰা মুঠতে ৬৩,০০০ একৰ ভূমি এলেকা উপকৃত হৈছে। পাত্ৰদিছা আৰু হৰগোট্টি জলসিঞ্চন আঁচনিৰো কাম সম্পূৰ্ণ হৈছে। এই আঁচনি দুখনে যথাক্ৰমে ৪,০০০ আৰু ৭,৫০০ একৰ মাটি উপকৃত কৰিব। শুক্লা জলসিঞ্চন আঁচনিৰ কামো আগবাঢ়িছে। ইয়াৰ উপৰি আন দুখন মধ্যমীয়া জলসিঞ্চন আঁচনি যেনে— নগাওঁ জিলাৰ কলিয়াবৰ চাৰ্কোলত ১৫৩ লাখ টকাৰ পানী তুলি জলসিঞ্চন কৰা আঁচনি আৰু গোৱালপাৰা জিলাত ৫০ লাখ টকাৰ লঙ্গা জলসঞ্চিন আঁচনিও হাতত লোৱা হব ধৰিছে।

## মীন মহল

বেচৰকাৰী মৎস্যপালকসকলৰ মৎস্যপালনৰ উন্নতি সাধন বৃদ্ধি কৰাৰ উপৰিও ৰাজ্যখনত মীন মহলৰ উন্নয়ন বিশেষকৈ বিল মীন মহলৰ উন্নয়নৰ কাম পৰ্য্যায়ক্ৰমে লোৱা হৈছে। চতুৰ্থ পঞ্চবাৰ্ষিক যোজনাৰ শেষৰ পিনে অসমৰ বছেৰেকীয়া মাছৰ চাহিদা উৎপাদিত ২৩,০০০ হাজাৰ মেট্ৰিক টনৰ ঠাইত ৪৮,০০০ হাজাৰ মেট্ৰিক টন ধাৰ্য্য কৰা হৈছে। তেনে ধৰণৰ বিৰাট ঘাটি পূৰণ কৰিবৰ বাবে উন্নত পদ্ধতি ব্যৱহাৰ কৰি মৎস্যপালন সম্প্ৰসাৰণ, উন্নত সঁচৰ উৎপাদন আৰু বিতৰণ নদীকাষৰীয়া মীন মহলৰ উন্নয়ন, বেচৰকাৰী মৎসপালকসকলক আৰু মাছমৰীয়া সমবায় সমিতিবোৰলৈ সাহায্য প্ৰায়োগিক পুষ্টিসাধন আঁচনি, মাছৰ বজাৰ আৰু তাৰ চালান আদি উৎপাদনমূলক আঁচনিৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। চতুৰ্থ পঞ্চবাৰ্ষিক যোজনাৰ শেষৰ পিনে ৰাজ্যখনত মাছৰ উৎপাদন শতকৰা ৫০ ভাগ বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

## সাধাৰণ শিক্ষা

শিক্ষাৰ ক্ষেত্ৰত যধে-মধে শিক্ষানুষ্ঠান গঢ়ি তোলাতকৈ ইয়াৰ গুণগত উন্নতি আৰু সুসংহতকৰণত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। শিক্ষানুষ্ঠানবোৰক বিভাগীয়া স্বীকৃতিদানৰ বিধি কঠোৰ কৰা হৈছে।

ৰাজ্যখনত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ শতকৰা হাৰ বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে শিক্ষক প্ৰশিক্ষণ আঁচনিৰ ওপৰতো যথাযথ গুৰুত্ব দিয়া হৈছে । ইংৰাজী, গণিত আৰু বিজ্ঞানবিষয়ত শিক্ষাদানৰ মানদণ্ড উন্নীত কৰাৰ কাৰণে কেতবোৰ আলোচনা শিবিৰ পতা হয় । প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত, চাহ বাগিছা অঞ্চলত থকা প্ৰাথমিক স্কুলবোৰ পৰ্য্যায়ক্ৰমে চৰকাৰৰ অধীনলৈ অনাৰ আচনিসমূহৰ কাম চলাই থকা হৈছে । ল'ৰাৰ মজলীয়া স্কুল পৰ্য্যায়লৈকে বিনামূলীয়া শিক্ষাদানৰ ব্যৱস্থাও কৰা হৈছে । চলিত বছৰত পঞ্চম মান শ্ৰেণীলৈ ল'ৰাৰ বিনামূলীয়াকৈ শিক্ষাদানৰ ব্যৱস্থা কৰা হৈছে আৰু অহা বছৰত ষষ্ঠ মান শ্ৰেণীলৈ সকলো ল'ৰাকে বিনামূলীয়াকৈ শিক্ষা দিয়া হব । ছোৱালীৰ শিক্ষা ষষ্ঠ শ্ৰেণীলৈকে ইতিমধ্যে বিনামূলীয়া কৰা হৈছে । ইয়াৰ কাৰণে ৰাজ্যচৰকাৰৰ বছৰি খৰচ হব ৪০ লাখতকৈও বেছি । পৰ্বতাৰোহণৰ নিচিনা পাঠ্যক্ৰমৰ বহিভূৰ্ত বিষয়ত উৎসাহ দিয়া হৈছে ।

কলেজীয়া শিক্ষাৰ ক্ষেত্ৰতো শিক্ষাৰ সম্প্ৰসাৰণতকৈ ইয়াক সুসংহত আৰু উন্নত কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে । শিক্ষানুষ্ঠানবোৰক অতিৰিক্ত ভৰ্ত্তিকৰণৰ আৱশ্যকীয় বিত্তিয় চাহিদা পূৰণ কৰিবলৈ বৰ্দ্ধিত তদৰ্থ মঞ্জুৰী দিয়া হৈছে । দুয়োখন বিশ্ববিদ্যালয়তে আই, এ, এছ আদি বিশেষ বিষয়ৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা লোৱা হৈছে । গুৱাহাটীত এখন চৰকাৰী সংস্কৃত কলেজ ইতিমধ্যে স্থাপন কৰা হৈছে আৰু গুৱাহাটীৰ কলা আৰু শিল্পানুষ্ঠানখন চৰকাৰৰ অধীনলৈ অনা হৈছে ।

**কাৰিকৰী শিক্ষা**

কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰতো ঘৰ-দুৱাৰ. আহিলা-পাতি, ছাত্ৰাবাস, কৰ্ম্মচাৰীসকলৰ বাসভৱন আদিৰ ব্যৱস্থা কৰি গুণগত উন্নতিৰ অৰ্থে যত্ন লোৱা হৈছে । ৰাজ্যখনৰ দুয়োখন অভিযান্ত্ৰিক কলেজত ছাত্ৰ ভৰ্ত্তিকৰণৰ সামৰ্থ্য ৩৩০ জন । কিন্তু চলিত বছৰত এই দুয়োখন কলেজতে ২০০ জনকৈ ছাত্ৰ ভৰ্ত্তি কৰা হৈছে । আন এখন কলেজ অৰ্থাৎ শিলচৰত

আঞ্চলিক অভিযান্ত্রিক কলেজো স্থাপনৰ পথত। ৰাজ্যখনৰ পাঁচখন পলিটেক্‌নিক স্কুলৰ ছাত্র ভৰ্ত্তিকৰণৰ সামৰ্থ্য মুঠতে ৮০৫ জন। কিন্তু চলিত বছৰত এইবোৰত ভৰ্ত্তি হোৱা ছাত্ৰৰ সংখ্যা হ'ল ৬৬০ জন। পাৰ্ব্বত্য এলেকা আঁচনিত মিজো পাহাৰ জিলাৰ আইজালত এখন পলিটেক্‌নিক স্কুল আৰু হাফলঙত এখন জুনিয়ৰ টেক্‌নিকেল স্কুল স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে।

বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে বিশেষকৈ নথিপত্র আৰু পাণ্ডুলিপি সমূহ আহৰণ আৰু সংৰক্ষণৰ ক্ষেত্ৰত ক্ৰমান্বয়ে উন্নতি সাধন কৰিছে।

চলিত বছৰত কিছুসংখ্যক আকৰ্ষণীয় সামগ্ৰী যাদুঘৰত সংগ্ৰহ কৰা হৈছে। পৌৰাণিক কীৰ্ত্তিস্তম্ভসমূহৰ বাছনি আৰু সংৰক্ষণৰ বাবে অলপতে পুৰাতত্ব বিজ্ঞান সম্বন্ধে এখন ৰাজ্যিক উপদেষ্টা সমিতিও গঠন কৰা হৈছে।

লক্ষীমপুৰ জিলা গেজেটিয়াৰ ছপাশাললৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। সংযুক্ত মিকিৰ আৰু উত্তৰ কাচাৰ জিলাৰ গেজেটিয়াৰখনো কেন্দ্ৰীয় চৰকাৰে প্ৰকাশৰ বাবে অনুমোদন কৰিছে। কাচাৰ, কামৰূপ, দৰং আৰু নগাওঁ জিলা গেজেটিয়াৰৰ কামো আগ বাঢ়িছে।

**শ্ৰম**

পৰ্য্যালোচিত বছৰটোত ৰাজ্যখনৰ কোনো কোনো ঠাইত যদিও ধৰ্ম্মঘট আৰু তলাবন্ধ পৰিলক্ষিত হৈছিল, তথাপি সাধাৰণ ঔদ্যোগিক সম্পৰ্ক মুঠতে শান্ত আছিল। এই প্ৰসঙ্গত চাৰিদুৱাৰত অসম কপাহী বস্ত্ৰ কাৰখানাত বহুদিন ধৰি হোৱা ধৰ্ম্মঘটৰ লগতে তলাবন্ধৰ কথা উল্লেখ কৰিব পাৰি। অসম ৰাজ্যিক বিদ্যুৎমণ্ডলীৰ কৰ্মচাৰী সকলেও তেওঁলোকৰ কিছুমান দাবী পূৰণ নকৰাৰ তথাকথিত অভিযোগৰ উত্থাপন কৰি ধৰ্ম্মঘট চলাইছিল। চাহ-উদ্যোগৰ ক্ষেত্ৰতো চেগাচোৰোকাকৈ কেতবোৰ ধৰ্ম্মঘট হৈছিল। আনন্দ চাহ বাগিছাত বহুদিন ধৰি হোৱা ধৰ্ম্মঘটৰ কথা

এইখিনিতে উল্লেখ কৰিব পাৰি। চাহশিল্পৰ সাধাৰণ ঔদ্যোগিক সম্পৰ্ক মুঠৰ ওপৰত সন্তোষজনক।

ৰাজ্যত বিভিন্ন শ্ৰম আইন যাতে বলবৎ থাকে তাৰ বাবে সকলো ধৰণৰ যত্ন কৰা হৈছিল। পৰ্য্যালোচিত বছৰটোত চৰকাৰৰ পোষকতাত উদ্যোগ আৰু বনুৱা প্ৰতিনিধিৰ মাজত হোৱা চুক্তি অনুসৰি চাহ বাগিচা উদ্যোগৰ কৰ্ম্মচাৰীসকলৰ বেতনৰ নিৰিখৰ সংশোধন কৰা হয়। অভি যান্ত্ৰিক উদ্যোগতো দৰমহা নিৰিখ এটা ত্ৰিপাক্ষিক নিকায় যোগে নিৰ্দ্ধাৰণ কৰা হয়। সৰ্ব্বনিম্ন দৰমহা আইন অনুসৰি প্লাইউড উদ্যোগত দৰমহাৰ নিৰিখ নিৰ্দ্ধাৰণ কৰিবৰ বাবে আন এটা ত্ৰিপাক্ষিক নিকায় গঠন কৰা হয়। ১৯৪৮ চনৰ সৰ্বনিম্ন দৰমহা আইন অনুসৰি অসমৰ পথ নিৰ্মাণ, গৃহনিৰ্মাণ, শিলভঙা আদিৰ কামত নিয়োগ কৰা কৰ্ম্মদক্ষ আৰু দক্ষতাহীন বনুৱাৰ দৰমহাৰ নিৰিখ সংশোধন কৰা হয়।

ৰবৈয়া আৰু মেজেঙ্গা কেন্দ্ৰত থকা কল্যাণমূলক কাম-কাজ আৰু প্ৰশিক্ষণ চলাই থকা হৈছে। তথাপিও প্ৰশিক্ষণ প্ৰাৰ্থীৰ সংখ্যা কেন্দ্ৰ দুটাত ভৰ্ত্তি কৰিব পৰাতকৈ কম হোৱা দেখা গৈছে। চাহ বাগিছা-বোৰত প্ৰশিক্ষণপ্ৰাপ্ত শুশ্ৰূষাকাৰিণী আৰু ধাত্ৰীৰ নাটনি গুচাবলৈ বনুৱাসকলৰ কল্যাণমূলক কামৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে। বাগিছাৰ বনুৱাসকলৰ উপযুক্ত ছোৱালীবোৰক শুশ্ৰূষা আৰু ধাত্ৰীবিদ্যাত প্ৰশিক্ষণ লবলৈ বৃত্তি দিয়া হৈছে। চাহ বাগিছাৰ বনুৱাসকলৰ যাতে উপকাৰ হয় সেই উদ্দেশ্যে ঘাটমাউৰা লৰা-ছোৱালীক প্ৰতিপালন কৰা এটি কেন্দ্ৰক আৰু শ্ৰমিক সঙ্ঘৰ দ্বাৰা পৰিচালিত কল্যাণকামী কেন্দ্ৰ কেতবোৰক অৰ্থসাহায্য দিয়া হৈছে। বাগিছাৰ বনুৱাসকলৰ আৱশ্যকতাৰ সৈতে বিশেষভাবে খাপ-খোৱা এখন শিক্ষক প্ৰশিক্ষণ আঁচনিও হাতত লোৱা হৈছে আৰু চলিত বছৰত এটা প্ৰশিক্ষাৰ্থীৰ দলে প্ৰশিক্ষণ লৈছে। এই আঁচনিৰ সুফল যাতে বাগিছাসমূহত অনুভূত হয় তাৰ বাবে যত্ন লোৱা হৈছে।

Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয়, মোৰ এটা Point of order আছে। ইয়াত দিছে ৰবৈয়াত আৰু মেহেঙ্গাত দুটা কেন্দ্ৰ আছে। কিন্তু মই জনাত ৰবৈয়াত তেনে কোনো কেন্দ্ৰ নাই।

Shri Kamakhya Prasad Tripathi—ৰবৈয়াত নহলেও তাৰ আশে-পাশেও থাকিব পাৰে।

Shri Dulal Chandra Barua—মই ভালকৈ জানো যে তাত তেনে কোনো কেন্দ্ৰ নাই। গতিকে ৰবৈয়াৰ কেন্দ্ৰ থকাৰ কথা ইয়াত কেনেকৈ উল্লেখ কৰিব পাৰে। আৰু যদি আছে বৰ্ত্তমান ক'ত আছে?

Shri Kamakhya Prasad Tripathi—এইটো Point of order হব নোৱাৰে।

Mr. Speaker—Point of order on interpretation of rules of constitution ত আহিব পাৰে কিন্তু facts ৰ ওপৰত নাহে। এইটো এতিয়াই আলোচনা কৰা কথা নহয়। যেতিয়া বাজেট আলোচনা কৰিব তেতিয়া এই বিলাক কথা উল্লেখ কৰিব। তেতিয়া Minister এ কি Reply দিয়ে দিব।

Shri Dulal Chandra Barua—মই জনাত ৰবৈয়াত কোনো কেন্দ্ৰ নাই।

## নিয়োগ

নিয়োগ সেৱা সন্থাই পৰিচালনা কৰা অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে অসমৰ সংগঠিত খণ্ডত সৰ্ব্বমুঠ নিয়োগৰ অৱস্থা আগৰ বছৰৰ তুলনাত মাৰ্চ্চ মাহৰ শেষলৈকে ১৯৭০ চনৰ বছৰটোত সন্তোষ-জনক নাছিল। চৰকাৰী আৰু বেচৰকাৰী খণ্ডত মুঠ নিয়োগ সংখ্যা ১৯৭০ চনৰ মাৰ্চ মাহৰ শেষলৈকে আছিল ৬৯৯·৪৯ হাজাৰ। কিন্তু

১৯৬৯ চনৰ মাৰ্চ মাহৰ শেষলৈকে এই সংখ্যা আছিল ৭০০.৭৭ হাজাৰ। সি যি কি নহওক অৰ্দ্ধ-চৰকাৰী কাৰ্য্যালয় আৰু স্থানীয় নিকায়সমূহত নিয়োগ অৱস্থা শতকৰা ৬.০ আৰু ১৩.৯ লৈ বৃদ্ধি পাইছে।

নিয়োগ বিনিময়ৰ পৰিসংখ্যাৰ পৰা জানিব পৰা গৈছে যে ১৯৭০ চনৰ মাৰ্চ্চ মাহৰ শেষলৈকে এই বছৰটোৰ ভিতৰত নিয়োগ বিনিময়ত পঞ্জীভুক্ত কৰা নিয়োগপ্ৰাৰ্থীৰ সংখ্যা ৪,২০০ জনতকৈ কিছু বেছি আছিল। ১৯৬৯ চনৰ ৩১ মাৰ্চ্চ তাৰিখৰ ৬০,৭২৭ জন নিয়োগপ্ৰাৰ্থীৰ ঠাইত নিয়োগ-বিনিময় কেন্দ্ৰৰ পঞ্জীভুক্ত প্ৰাৰ্থীৰ সংখ্যা ১৯৭০ চনৰ ৩১ মাৰ্চ্চ তাৰিখে আছিল ৬৫,০০০ অৰ্থাৎ আগৰ বছৰতকৈ শতকৰা ৭ ভাগ বেছি। ১৯৬৮ চনৰ পৰা ১৯৭০ ছনৰ কালছোৱাত পঞ্জীভুক্ত শিক্ষিত নিবনুৱাৰ সংখ্যা যথেষ্টভাৱে বৃদ্ধি পাইছিল। বৃদ্ধিৰ হাৰ প্ৰধানকৈ স্নাতক, স্নাতকোত্তৰ শ্ৰেণীৰ ভিতৰতে দেখা গৈছিল যদিও উচ্চ মাধ্যমিক আৰু প্ৰাক-বিশ্ববিদ্যালয়ৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীৰ মাজতো নিবনুৱা লোক বৃদ্ধি পাইছিল। নিয়োগ-বিনিময়ত দক্ষতাহীন লোক আৰু কেৰাণী কাম আৰু কোনো কামৰে অৰ্হতা আৰু অভিজ্ঞতা নথকা লোকৰ পঞ্জীভুক্তিৰ সংখ্যাই অত্যধিক।

কামত নিয়োগ কৰিবৰপৰা গুণ নথকা বৃহৎ সংখ্যক লোকৰ বাবে ৰাজ্যখনত কাৰিকৰী প্ৰশিক্ষণৰ ব্যৱস্থা পৰ্য্যায়ক্ৰমে বহলোৱা হৈছে। প্ৰথম পঞ্চবাৰ্ষিক যোজনাৰ কালত থকা এটা মাত্ৰ ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা তৃতীয় যোজনাৰ কালছোৱাত এই কেন্দ্ৰৰ সংখ্যা ১২ টালৈ বৃদ্ধি কৰা হৈছে। প্ৰথম পঞ্চবাৰ্ষিক যোজনাৰ পৰা ১৯৭০ চনৰ ডিচেম্বৰ মাহলৈকে কৃতকাৰ্য্যতাৰে সৈতে নিৰ্দ্ধাৰিত পাঠ্য পূৰ্ণ কৰা প্ৰশিক্ষণ প্ৰাপ্তৰ সংখ্যা ৯০,২৭৪ জন।

১৯৬১ চনৰ শিক্ষানবিচী আইনৰ যোগেদি শিক্ষানবিচী প্ৰশিক্ষণৰ সা-সুবিধা ৰাজ্যখনৰ ভিতৰত আৰু বাহিৰত চৰকাৰী আৰু বেচৰকাৰী

খণ্ডৰ উদ্যোগসমূহত ক্রমশঃ বৃদ্ধি কৰা হৈছে। এই আঁচনি অনুযায়ী ১৯৭০ চনৰ ডিচেম্বৰলৈকে মুঠতে ৩৯৭ জনে হ্রস্বম্যাদী আৰু ৰাকী ১২৮ জন পূর্ণকালীন পাঠ্যক্রমৰ শিক্ষানবিচে কৃতকার্য্যতাৰে নির্দ্ধাৰিত পাঠ্যক্রম সম্পূর্ণ কৰিছে।

নিয়োগ সেৱা সন্থাই পৰিচালনা কৰা নিয়োগ বজাৰ তথ্য আঁচনিৰ যোগেদি নিয়োগ, কৰ্ম্ম আদিৰ তথ্যপাতি চৰকাৰী আৰু বেচৰকাৰী প্রতিষ্ঠানসমূহৰ পৰা বছৰি চাৰিবাৰলৈ সংগ্রহ কৰিছে আৰু এই অধ্যয়নৰ পৰা পোৱা তথ্যসমূহ জনশক্তি নিয়োগ সম্পৰ্কীয় সমস্যাবোৰ সমাধান কৰাত ব্যৱহাৰ কৰা হৈছে। কৰ্ম্মপ্রাৰ্থীক প্রয়োজনীয় তথ্য-পাতিৰ যোগান ধৰাৰ উপৰিও কেইটামান নিয়োগ কেন্দ্রই স্কুল আৰু কলেজৰ পৰা ওলাই অহা ডেকাসকলক কামকাজ সম্পৰ্কত দিহা-পৰামৰ্শ আগবঢ়াইছে। ৰাজ্যখনৰ চাহ বাগিছাসমূহৰ নিবনুৱা লোকসকলৰ সমস্যা সমাধান কৰিবলৈ যোৰহাট, তেজপুৰ, শিলচৰ এই তিনি ঠাইত তিনিটা শাখাৰে ডিব্রুগড়ত চাহবাগিছাৰ বনুৱাসকলৰ কাৰণে এটা বিশেষ নিয়োগ-বিনিময় কেন্দ্র স্থাপন কৰা হৈছে।

সময়ে সময়ে ৰাজ্যখনৰ চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ উদ্যোগ আৰু প্রতিষ্ঠানসমূহত নিয়োগ অৱস্থা পৰ্য্যৱেক্ষণ কৰিবৰ কাৰণে ১৯৬৯ চনত এই সদনৰ বাজেট অধিবেশন কালত শ্রীমতী পুষ্পলতা দাস, এম, এল, এ ডাঙৰীয়ানীৰ নেতৃত্বত এখন সমিতি গঠন কৰা হৈছিল। এই সমিতিয়ে প্রথম প্রতিবেদনত স্থানীয় লোকৰ নিয়োগৰ বাবে কেইটামান পৰামৰ্শ আগ বঢ়াইছিল। এই অনুমোদিত পৰামৰ্শ-বোৰৰ কেইবাটাও ইতিমধ্যে কাৰ্য্যকৰী কৰা হৈছে আৰু বাকীখিনি চৰকাৰৰ বিবেচনাধীন হৈ আছে। চৰকাৰে সকলো বৃহৎ প্রতিষ্ঠান আৰু উদ্যোগসমূহতে স্থানীয় লোকক নিয়োগ কৰিবলৈ নিৰ্দ্দেশ দিছে। চৰকাৰে গ্রহণ কৰা ব্যৱস্থাৰ ফলত স্থানীয় লোকৰ নিয়োগ পৰিস্থিতি উন্নত হ'ব।

## বিজুলীশক্তি আৰু বিদ্যুতীকৰণ

ৰাজ্যৰ বিজুলীশক্তিৰ যোগান বঢ়াবলৈ ৰাজ্যিক বিদ্যুৎ মণ্ডলীয়ে নামৰূপ প্ৰকল্পৰ সম্প্ৰসাৰণ, গাৰো পাহাৰ থাৰ্মেল প্ৰকল্প আৰু গুৱাহাটী থাৰ্মেল কেন্দ্ৰৰ কাম চলাই আছে। কীৰদেমকুলাই প্ৰকল্পৰ প্ৰাথমিক কামো আৰম্ভ হৈছে। উচ্চ বিজুলী পৰিবাহী তাঁৰেৰে ৰাজ্যৰ ঘাই ঘাই চহৰসমূহ সংযোগ কৰাৰ কাম আগ বাঢ়িছে আৰু ১৯৭১ চনৰ মাজভাগতেই তাৰে কিছুমানেৰে বিজুলী সৰবৰাহ কৰিব পৰাৰ সম্ভাৱনা আছে। ৰাজ্যৰ গাওঁবোৰ বিদ্যুতীকৰণ কৰাটোৱেই বিদ্যুৎমণ্ডলীৰ সৰ্ব্বপ্ৰধান কাম। চলিত বছৰৰ ১৯৭০ চনৰ ডিচেম্বৰ মাহলৈকে ৯৩ খন গাওঁ বিদ্যুতীকৰণ কৰা হৈছে আৰু সম্পদ সামগ্ৰী পোৱাৰ ওপৰত ভিত্তি কৰি বছৰৰ শেষলৈকে ২১৯ খন গাওঁ বিদ্যুতীকৰণৰ লক্ষ্যত উপনীত হবলৈ প্ৰস্তাৱ লোৱা হৈছে। সম্প্ৰতি তীখা আৰু বিলাতী মাটিৰ নাটনি হোৱা বাবে গাওঁ বিদ্যুতীকৰণ কাৰ্য্যসূচী বেয়াকৈ ক্ষতি-গ্ৰস্ত হৈছে। চলিত বিত্তীয় বছৰটোত বিজুলী পৰিবহনৰ শাখা-লাইন আৰু গাওঁ বিদ্যুতীকৰণৰ বাবে মুঠ ১৮০ লাখ টকাৰ ব্যৱস্থা ৰখা হৈছে। অহা বিত্তীয় বছৰত এই টকাৰ পৰিমাণ বঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে আৰু এই বৰ্দ্ধিত পৰিমাণেৰে প্ৰায় ২৩০ খন অতিৰিক্ত গাওঁ বিদ্যুতীকৰণ কৰিব পৰা হ'ব। বিদ্যুৎমণ্ডলীয়ে গাওঁ বিদ্যুতীকৰণ নিগমৰ দৰে প্ৰতিষ্ঠানৰ পৰা আৰু অধিক পুঁজি পাবলৈ যত্ন কৰি আছে আৰু তেওঁলোক যদি মান্তি হয়, তেন্তে অধিকসংখ্যক গাৱঁত বিদ্যুতীকৰণৰ কাম হাতত লব পৰা হ'ব।

## স্বাস্থ্য

স্বাস্থ্য বিভাগে চিকিৎসাৰ সা-সুবিধা বঢ়োৱাৰ লগতে যথোচিত প্ৰতিৰোধমূলক ব্যৱস্থা হাতত লোৱাৰ উপৰিও গোটেই ৰাজ্যৰ পৰিয়াল-পৰিকল্পনামূলক কাৰ্য্যত উৎসাহ দি স্বাস্থ্যৰ সৰ্ব্বাঙ্গীন উন্নতিৰ প্ৰচেষ্টা চলাই আছে। প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু ৰাজ্যিক চিকিৎসালয়ৰ

সংখ্যা বঢ়োৱা হৈছে। ৰঞ্জনৰশ্মিৰ সা-সুবিধাবোৰ বঢ়োৱা হৈছে আৰু প্ৰায় সকলো জিলাৰ সদৰ ঠাই আৰু প্ৰধান চহৰসমূহত ৰঞ্জনৰশ্মিৰ যন্ত্ৰপাতি বহুৱা হৈছে। গুৱাহাটীত থকা কেন্সাৰ ইন্সটিটিউটখন উন্নত কৰাৰ কাম হাতত লোৱা হৈছে আৰু মাদ্ৰাজৰ কেন্সাৰ ইন্সটিটিউটত অসমৰ কেন্সাৰৰোগীসকলৰ চিকিৎসাৰ বাবে শয্যা আছুতীয়াকৈ ৰখা হৈছে।

জিলা পৰ্য্যায়ৰ প্ৰশাসনিক যন্ত্ৰ সম্প্ৰসাৰণ কৰি খাদ্যৰ ভেজাল বন্ধ কৰিবলৈ লোৱা ব্যৱস্থাসমূহ কঠোৰ কৰা হৈছে। ৰাজ্যৰ চৰকাৰী চাকৰিয়ালসকলৰ কল্যাণাৰ্থে বৰঙণিমূলক স্বাস্থ্যসেৱা আঁচনিখন জিলাৰ সদৰ ঠাই তেজপুৰ আৰু ধুবুৰীলৈও সম্প্ৰসাৰণ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। শুশ্ৰূষাকাৰী আৰু ধাত্ৰীসকলৰ প্ৰশিক্ষণৰ সা-সুবিধাসমূহো বঢ়োৱা হৈছে। শিলচৰ মেডিকেল কলেজৰ শিক্ষাৰ কাম শিলচৰতেই আৰম্ভ কৰা হৈছে আৰু এই কলেজৰ প্ৰথম ছাত্ৰদলটোৱে প্ৰথম এম, বি, বি, এছ পৰীক্ষা দিছে।

সোনাৰী, বৰহাট আৰু ৰামকৃষ্ণনগৰত গ্ৰাম্য পানী যোগান আঁচনিৰ কাম আৰম্ভ কৰা হৈছে। বৰখলা, শিমলুগুৰি, জামুগুৰি, চাপৰ, জখলাবন্ধা আৰু অইন কিছুমান ঠাইৰো নতুন কামৰ আঁচনি পৰীক্ষাধীন হৈ আছে। জৰুৰীকালীন কাৰ্য্যসূচী অনুযায়ী আইজ্বালত লোৱা নগৰ পানী-যোগান আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু স্থায়ী পানী-যোগান আঁচনিৰ শতকৰা ৫০ ভাগ কাম শেষ কৰা হৈছে। মিকিৰ পাহাৰ জিলাত ডিফু পানীযোগান আঁচনিৰ শতকৰা ৮৫ ভাগ কাম শেষ হৈছে। হাফলং পানী যোগান আঁচনিৰ কাম শীঘ্ৰে আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

অধিক উপকেন্দ্ৰ মুকলি কৰি আৰু প্ৰয়োজনীয় কৰ্মচাৰী নিয়োগ কৰি ৰাজ্যিক আৰু জিলা পৰ্য্যায়ৰ পৰিয়াল-পৰিকল্পনা কেন্দ্ৰসমূহক শক্তিশালী কৰি তোলা হব ধৰিছে। কামৰূপ জিলাক ব্যাপক পৰিয়াল

পৰিকল্পনা আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে আৰু কাচাৰ জিলাকো এই আঁচনিৰ অন্তৰ্ভুক্ত কৰাৰ এটি প্ৰস্তাৱ অনুমোদনৰ বাবে ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে ।

## উদ্যোগ

ৰাজ্য চৰকাৰ ঔদ্যোগিক বাতাবৰণ সৃষ্টি কৰাৰ দায়িত্বৰ বিষয়ে সম্পূৰ্ণ সচেতন আৰু সেয়ে ৰাজ্যৰ ঔদ্যোগিক উন্নতিৰ বাবে চৰকাৰে সম্প্ৰতি সম্ভৱপৰ সকলো ৰকমৰ সা-সুবিধা আৰু উদগনি দি আহিছে। যোগীঘোপাত অশোক কাগজ কল লিমিটেড নামৰ এটি কাগজৰ কল আৰম্ভ কৰা হৈছে আৰু ইয়াৰ নিৰ্ম্মাণকাৰ্য্য চলি আছে। এই কলটোৰ মণ্ড উৎপাদনৰ ক্ষমতা হ'ব দৈনিক ১২০ টন আৰু কাগজ উৎপাদন ক্ষমতা দৈনিক ৯০ টন। এই প্ৰকল্প সম্পূৰ্ণ কৰোতে আনুমানিক ১৭ কোটি টকা ব্যয় হব। জাপানীসকলৰ সহযোগিতাত নামৰূপত আনুমানিক ৫ কোটি টকা ব্যয়ৰে কৃত্ৰিম গ্লু আৰু মাল্ডিং পাউদাৰ তৈয়াৰ কৰাৰ এটি প্ৰকল্প স্থাপন কৰা হ'ব ধৰিছে আৰু প্ৰয়োজনীয় যন্ত্ৰপাতি আমদানি কৰাৰ ব্যৱস্থা কৰা হৈছে। চেৰাপুঞ্জীৰ বিলাতী মাটিৰ কাৰখানাত দৈনিক ২৫০ টনৰ পৰা ৮৫০ টনলৈ উৎপাদন বঢ়োৱাৰ কাম চলি আছে আৰু উৎপাদিত এই বিলাতী মাটি পৰিবহনৰ বাবে এটি ৰজ্জুপথৰ আঁচনি বিবেচনাধীন হৈ আছে। অসম গেচ কোম্পানীয়ে ইতিমধ্যে নাহৰকটীয়াৰ পৰা নামৰূপলৈ গেচ পাইপ লাইন বহুৱাৰ প্ৰথম পৰ্য্যায়ৰ কাম সম্পূৰ্ণ কৰি তুলিছে। নামৰূপ সাৰ কাৰখানাত উৎপন্ন হোৱা প্ৰাকৃতিক গেচৰ চাহিদা পূৰণ কৰিবলৈ মৰাণ গেচ গ্ৰীড্ আৰু নামৰূপক সংযোগ কৰা অইন এটি গেচ লাইন বহুৱাৰ কথাও ভবা হৈছে। অশোক কাগজ কল লিমিটেড আৰু অন্যান্য ঔদ্যোগিক গোটসমূহৰ কষ্টিক্ চ'দা আৰু ক্লোৰিণৰ অভাৱ পূৰণ কৰিবলৈ যোগীঘোপাত কষ্টিক চ'দা আৰু ক্লোৰিণৰ কাৰখানা এটি স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। এই প্ৰকল্প কাৰ্য্যকৰী কৰি তুলিবলৈ আনুমানিক ২·৫ কোটি টকা খৰচ হ'ব। আনুমানিক

২·৬০ কোটি টকা ব্যয়ৰে কাচাৰ জিলাত চেনিকল এটি স্থাপনৰ প্ৰস্তাৱো কৰা হৈছে।

ভাৰত চৰকাৰে আনুমানিক ১০০ কোটি টকা ব্যয়েৰে বঙাইগাৱত এটি ১ নিযুত টনৰ শোধনাগাৰ আৰু ডি-এম-টি/পলিয়েষ্টাৰ ফাইবাৰ উৎপাদনৰ বাবে এটি পেট্ৰোকেমিকেল চক্ৰ স্থাপন কৰিবলৈ মান্তি হৈছে। নেফ্‌তা, কেৰাচিন, ডিজেল তেল আৰু এল·এছ-এইছ-এছ উৎপাদন কৰিবপৰাকৈ শোধনাগাৰটি নক্সা কৰা হৈছে। পেট্ৰো-কেমিকেল চক্ৰটিৰ পৰা ৩৫,০০০ টন ডি·এম-টি উৎপাদিত হ'ব আৰু এই উৎপাদিত সামগ্ৰীৰে বছৰি ২৯৫০০ টন পলিয়েষ্টাৰ ফাই-বাৰ তৈয়াৰ কৰিব পৰা যাব। উৎপাদিত ফাইবাৰৰ ২৬,৫০০ টন সূতাৰ আকাৰত ৰাখি কপাহ, ৰেচম, এড়ী, মুগা, পচম আদিৰ লগত মিহলি কৰাত ব্যৱহাৰ কৰা হ'ব আৰু বাকী ৩,০০০ টন আঁহৰ আকাৰত ৰখা হ'ব।

ভাৰতৰ বিলাতী মাটি নিগমে বোকাজানত দৈনিক ৬০০ টন উৎপা-দন কৰিব পৰাকৈ বিলাতী মাটিৰ কাৰখানা এটি স্থাপন কৰাৰ কাম হাতত লৈছে। কাৰখানাটোৰ আধাৰশিলা ইতিমধ্যে স্থাপন কৰা হৈছে আৰু নিৰ্ম্মাণৰ প্ৰাথমিক কাম চলি আছে। কাচাৰত এটি বেচৰকাৰী খণ্ডত ফল সংৰক্ষণ কাৰখানা আৰু তেজপুৰত বুলগেৰীয়াৰ সহযোগিতাত এটি শাক-পাচলিৰ নিৰ্জলীকৰণ কাৰখানা স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে।

ইতিপূৰ্বে মই এই বছৰতে গুৱাহাটীত স্থাপিত হোৱা চাহ-নীলাম কেন্দ্ৰৰ কথা উল্লেখ কৰিছো। ৰাজ্যত স্থাপন কৰিব খোজা বিভিন্ন উদ্যোগৰ পৰিপ্ৰেক্ষিত নানাবিধ ঔদ্যোগিক কাৰিকৰী বিষয়ত স্থানীয় যুৱকসকলক প্ৰশিক্ষণ দিয়াৰ কাৰ্য্যসূচীও চৰকাৰে হাতত লৈছে।

পাঁচখন ঔদ্যোগিক পাম স্থাপন কৰা হৈছে আৰু এইবিলাকত

কাম চলি আছে। অতিৰিক্ত তিনিখন ঔদ্যোগিক পামৰ নিৰ্মাণকাৰ্য্য চ'লি আছে আৰু এইবোৰৰ কাম সোনকালেই সম্পূৰ্ণ হ'ব। তদুপৰি কেন্দ্ৰবিকাশ আঁচনি অনুযায়ী উন্নয়নৰ বাবে বহুসংখ্যক কেন্দ্ৰ নিৰ্বাচন কৰা হৈছে।

**ৰাজহ ( ভূমি সংস্কাৰ আৰু ভূমি পত্তন )**

অসমৰ বানপানীয়ে কৰা ক্ষতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ ভাৰত চৰকাৰে বিশেষজ্ঞ দল এটি পঠাইছিল আৰু তেওঁ বিলাকৰ অনুমোদন ক্ৰমে বানপানীৰ সাহায্য ব্যৱস্থা হিচাপে ভাৰত চৰকাৰৰ পৰা মঞ্জুৰী আৰু ঋণ স্বৰূপে ১৪৩ লাখ টকাৰ কেন্দ্ৰীয় সাহায্য পোৱাৰ আভাস পোৱা হৈছে।

অসমে বিভিন্ন ভূমি সংস্কাৰ আইন কাৰ্য্যকৰী কৰি ভূমিসংস্কাৰ কামৰ প্ৰগতি অব্যাহত ৰাখিছে। ১৯৭০ চন ১৫ এপ্ৰিল তাৰিখলৈ ধৰ্মীয় আৰু দাতব্য অনুষ্ঠানৰ ২,২৫,৫৪৪ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছে। ১৯৭০ চনৰ ১৬ এপ্ৰিল তাৰিখৰ পৰা ১৯৭০ চনৰ ডিচেম্বৰ মাহলৈকে ১২ টা অনুষ্ঠানৰ ৬৮৫১ বিঘা মাটি অধিগ্ৰহণৰ জাননী দিয়া হৈছে। "ভূমিৰ সৰ্ব্বোচ্চ পৰিমাণ নিৰ্দ্ধাৰণ আইন" অনুসৰি অতিৰিক্ত ২,৩০,৪৮৯ বিঘা মাটি এতিয়ালৈকে অধিগ্ৰহণ কৰা হৈছে। গ্ৰামদানী গাওঁ হিচাপে পোৱা ১৪৭১ খন গাওঁৰ ভিতৰত আইনৰ ব্যৱস্থা অনুযায়ী ২১১ খন গাওঁ গ্ৰামদানী গাওঁ বুলি ঘোষণা কৰা হৈছে। ভূ-দান আন্দোলনৰ ক্ষেত্ৰত অসম ভূ-দান মণ্ডলীয়ে এতিয়ালৈকে ভূ-দান হিচাপে ৯,৭৫২ একৰ মাটি সংগ্ৰহ কৰিছে। নগাওঁ লক্ষীমপুৰ আৰু দৰং জিলাত পুনৰ বন্দৱস্তীৰ কাম চলি আছে। লক্ষীমপুৰ আৰু দৰং জিলাৰ পুনৰ বন্দৱস্তীৰ কামৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল এইয়ে যে, এই দুখন জিলাত সাধাৰণ মাটিৰ শ্ৰেণী বিভাজন কৰাৰ উপৰিও চাহ-বাগিচাৰ মাটিবোৰৰো ব্যৱহাৰৰ আহিত জৰীপ আৰু শ্ৰেণী বিভাজন কৰা হৈছে আৰু ব্যৱহাৰৰ আহিত

চাহ-বাগিছাৰ মাটিৰ মূল্যাঙ্কণৰ প্ৰস্তাৱ কৰা হৈছে। এই ব্যৱস্থাৰ দ্বাৰা অতিৰিক্ত ৰাজহ আদায় কৰিব পৰা হ'ব বুলি আশা কৰিব পাৰি। শিক্ষিত যুৱকসকলৰ নিবনুৱা সমস্যাৰ সমাধানকল্পে মঙ্গলদৈ, গোলাঘাট আৰু বৰপেটা মহকুমাত, সমবায় পাম খুলিবলৈ চৰকাৰে প্ৰায় ২,৫০০ বিঘা মাটি ৰাখিছে। বৰপেটাৰ কৈমাৰীৰ ১০,০০০ হাজাৰ বিঘা আৰু তেজপুৰৰ শিৰপুৰীয়াৰ ২৫,০০০ হাজাৰ বিঘা সংৰক্ষিত মাটি ভূমিহীন কৃষকসকলক পত্তন দিয়াৰ বাবে মুকলি কৰা হৈছে।

## যোগান আৰু ব্যৱহাৰ্য্য সামগ্ৰী

যোৱা ১৯৬৯-৭০ চনৰ খাৰিফ বছৰত অসম সমবায় এপেক্স কিনা-বেচা সমিতি আৰু ভাৰতীয় খাদ্য নিগমৰ জৰিয়তে ধান সংগ্ৰহ কৰা হৈছিল। এপেক্স কিনা-বেচা সমিতিৰ বাবে ধান সংগ্ৰহৰ লক্ষ্য আছিল ১৩·৬০ লাখ কুইন্টল আৰু ভাৰতীয় খাদ্য নিগমৰ বাবে এই লক্ষ্য আছিল ২২·৭০ লাখ কুইন্টল। ইয়াৰ ভিতৰত এপেক্স কিনা-বেচা সমিতিয়ে মাত্ৰ ৩,৮৪,৪৫২ কুইন্টল আৰু ভাৰতীয় খাদ্য নিগমে ৮,৯২,৬৫৭ কুইন্টল ধানহে সংগ্ৰহ কৰিব পাৰিছিল। দৰং আৰু নগাওঁ জিলাত অসম সমবায় কিনা-বেচা সমিতিয়ে সংগ্ৰহৰ কাম কৰিছে আৰু ৰাজ্যৰ বাকী অংশত এই কাম কৰিছে ভাৰতীয় খাদ্য নিগমে।

চলি থকা ১৯৭০-৭১ চনৰ খাৰিফ বছৰত চৰকাৰী এপেক্স কিনা-বেচা সমিতি আৰু ভাৰতীয় খাদ্য নিগমক ৰাজ্যৰ ধান সংগ্ৰহৰ কামত নিয়োগ কৰিছিল। এপেক্স কিনা-বেচা সমিতিয়ে কেৱল দৰং জিলাত আৰু ভাৰতীয় খাদ্য নিগমে ৰাজ্যৰ বাকী অংশত ধান সংগ্ৰহৰ কাম কৰিব। শীতকালত উৎপন্ন হোৱা ধান সংগ্ৰহৰ বাবে মুঠ লক্ষ্য স্থিৰ কৰা হৈছে ১·৫০ লাখ টন। ইয়াৰ ভিতৰত উৰ্দ্ধমুখী সংশোধন সাক্ষেপে ভাৰতীয় খাদ্য নিগমৰ ভাগত ১১·৬৫ লাখ কুইন্টল আৰু এপেক্স কিনা-বেচা সমিতিৰ ভাগত ৩·৩৫ লাখ কুইন্টল ধান সংগ্ৰহ কৰাৰ ভাৰ পৰিছে।

ৰাজ্যৰ নিবনুৱা পৰিস্থিতিৰ উপশম ঘটোৱা আৰু সুদীৰ্ঘ দিন ধৰি ৰাইজে কৰি অহা দাবী পূৰণ কৰাৰ অৰ্থে ধানকলৰ অনুজ্ঞাপত্ৰ দিয়াৰ সিদ্ধান্ত লোৱা হৈছে আৰু এতিয়ালৈকে যোগান বিভাগে প্ৰায় ৫৩০০ খন অনুজ্ঞাপত্ৰ প্ৰদান কৰিছে। অনুজ্ঞাপত্ৰৰ সৰ্ত্ত অনুযায়ী কলবোৰ স্থাপন কৰাৰ লগে লগে কল চলোৱাৰ অনুজ্ঞাপত্ৰসমূহ দিয়া হ'ব।

ঘেঁহুৰ ক্ষেত্ৰত অসম বহু পৰিমাণে ভাৰত চৰকাৰৰ ওপৰতেই নিৰ্ভৰশীল। ১৯৬৯ চনত ভাৰত চৰকাৰে বণ্টন কৰা ঘেঁহুৰ প্ৰতিমাহে গড়ে ১৩,৯০০ টনকৈ আৰু ১৯৭০ চনত ২৬,৪৫২ টনকৈ পোৱা গৈছিল। ৰাজ্যত ঘেহু আৰু ঘেঁহুজাত দ্ৰব্যৰ যোগান পৰিস্থিতি সম্পূৰ্ণ সন্তোষজনক।

যোগান বিভাগে মিজো পাহাৰ জিলাৰ গ্ৰাহকসকলক ধান, ঘেঁহু, ঘেঁহুজাত দ্ৰব্য আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰিছে। আকাশীযানেৰে হওক কিম্বা আলিবাটেৰে হওক, মিজোপাহাৰ জিলাত যোগান ধৰা কাম তেনেই ব্যয়বহুল হোৱা হেতুকে ভাৰত চৰকাৰে ব্যয় হোৱা ধনৰ ক্ষতিপূৰণ স্বৰূপে এটা অংশৰ ব্যয়ভাৰ বহন কৰিছে। ১৯৭০ চনৰ ভিতৰত ( ১৯৭০ চনৰ ডিচেম্বৰ মাহলৈকে ) মিজোপাহাৰ জিলাত ১০০৪৬·৫ টন ধান আৰু ৪৩২·০৮ টন ঘেঁহু আৰু ঘেঁহুজাত দ্ৰব্যৰ যোগান ধৰা হৈছিল। তদুপৰি সেই একেসময় খোৱাতেই চাহিদা পূৰণ কৰিব পৰাকৈ নিমখ, দাইল, মিঠাতেল, চেনি আৰু কেৰাচিনৰ দৰে সামগ্ৰীৰো যোগান ধৰা হৈছিল। ধান, ঘেহুজাত দ্ৰব্য, চেনি ইত্যাদি কিছুমান খাদ্যসামগ্ৰী আৰু প্ৰায়েই লাগি থকা অন্যান্য সামগ্ৰীসমূহ গ্ৰাহকসকলক উচিত মূল্যত দিবলৈ উপায়ুক্ত আৰু মহকুমাধিপতিসকলৰ তত্ত্বাৱধানত গোটেই ৰাজ্যত সুলভ মূল্যৰ দোকানৰ ব্যৱস্থা কৰা হৈছে। ১৯৭০-৭১ চনৰ কালছোৱাত ৰাজ্যখনত প্ৰায় ৯,২০০ খন সুলভ মূল্যৰ দোকান চলি আছিল। এই দোকান সমূহ ১৯৭১-৭২ চনৰ কালছোৱাতো চলি থাকিব।

## অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ কল্যাণ

১৯৭০-৭১ চনৰ কালছোৱাত ভৈয়ামৰ জনজাতিসকলৰ কল্যাণমূলক আঁচনিৰ কাম চলি আছিল। এই জনজাতীয় লোক সকল বসতি কৰা অঞ্চল সমূহত শিক্ষাবিস্তাৰ, চিকিৎসাৰ সা-সুবিধাৰ সম্প্ৰসাৰণ আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধন আদি কামৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হৈছে। ৰাজ্য চৰকাৰে অনুসূচীত জাতিৰ কল্যাণৰ অৰ্থে যথোচিত মনোযোগ দিছে। ভূমিহীন কৃষকসকলক ভূমিপত্তন দিয়াৰ ক্ষেত্ৰত অনুসূচীত জাতি আৰু জনজাতীয় লোকসকলৰ স্বাৰ্থৰক্ষাৰ প্ৰতি বিশেষ দৃষ্টি দিয়া হৈছে। ৰাজ্যখনৰ জনজাতিৰ বাবে আছুতীয়াকৈ ৰখা এলেকা আৰু খণ্ডসমূহত ভূমি পত্তনৰ বিষয়ে বিবেচনা কৰিবলৈ ভূমিপত্তন উপদেষ্টা সমিতিৰ অধীনত বিশেষ উপসমিতিসমূহ গঠন কৰা হৈছে। গান্ধী শতবাৰ্ষিকী বছৰটোত ৰৰপেটা মহকুমাৰ গোবিন্দপুৰৰ ব্যৱসায়িক সংৰক্ষিত চৰণীয়া পথাৰ অঞ্চলত ঘৰবাৰী আৰু কৃষিৰ উদ্দেশ্যে অনুসূচীত জাতিৰ ১৬৯ টা ভূমিহীন পৰিয়ালক ১,৪০০ বিঘা মাটিৰ পত্তন দিয়া হৈছে। এনেদৰে গোৱালপাৰা জিলাৰ বলদমাৰীত অনুসূচীত জাতিৰ ১০০ টা পৰিয়ালক ঘৰ-বাৰীৰ বাবে মাটি দিয়া হৈছে। ১৯৭০ চনৰ কালছোৱাত বৃহত্তৰ গুৱাহাটীত অনুসূচীত জাতি/জনজাতিৰ ২১০ টা পৰিয়ালক গাইপতি ২½ কঠা মাটি দিয়া হৈছে। অন্যান্য পিছপৰা সম্প্ৰদায়ৰ শিক্ষা বিস্তাৰৰ সা-সুবিধাৰ অৰ্থে ৰাজ্যচৰকাৰে এখন আঁচনি হাতত লৈছে আৰু ১৯৭০-৭১ চনত ২২ লাখ টকা বণ্টন কৰা হৈছে।

১৯৬৯ চনৰ অসম পুনৰগঠন (মেঘালয়) আইনৰ অন্তৰ্ভুক্ত সংবিধানৰ ষষ্ঠ অনুসূচীৰ সংশোধনৰ পাছত ১৯৭০ চনত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰ জিলাৰ অধিকসংখ্যক কাম-কাজ জিলা পৰিষদসমূহৰ অধীনত দিয়া হৈছে। এই কাৰ্য্য হস্তান্তৰ আঁচনি অনুযায়ী এই জিলাপৰিষদ সমূহৰ ওপৰত কৃষি, ক্ষুদ্ৰ জলসিঞ্চন ভূমিসংৰক্ষণ, পশুপালন, দুগ্ধশালা আৰু গাখীৰ যোগান, বন, মীন, পথ আৰু গৃহনিৰ্মাণ, সাধাৰণ শিক্ষা আৰু

সাংস্কৃতিক কাৰ্য্যসূচী, পানীযোগান, স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা, সমাজকল্যাণ, কুটীৰ-শিল্প আৰু সমূহীয়া উন্নয়নৰ লগতে জনজাতি উন্নয়ন খণ্ডসমূহৰ কাম-কাজৰ ভাৰ দিয়া হৈছে। আঁচনিসমূহ কাৰ্যকৰী কৰাৰ ভাৰপ্ৰাপ্ত জিলা পৰ্য্যায়ৰ বিষয়া আৰু অন্যান্য বিষয়াসকলক জিলা পৰিষদসমূহৰ অধীনত দিয়া হৈছে। এই ব্যৱস্থাৰ ফলত স্থানীয় কৃৰ্ত্তপক্ষ সমূহে যোজনা আঁচনিসমূহ প্ৰস্তুত আৰু কাৰ্য্যকৰী কৰাৰ কাম অধিক ফলপ্ৰসূ কৰি তুলিবলৈ নিঃসন্দেহে গ্ৰহণ কৰিব।

মিজোপাহাৰ জিলাত মাহজাতীয় খাদ্যশস্য, ফল-মূল, শাক-পাচলি আৰু আনুষঙ্গিক খাদ্যবস্তুৰ উৎপাদন বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰগতিশীল সংৰক্ষিত গাওসমূহৰ উন্নয়নৰ বাবে এক অখণ্ড কৃষি অাঁচনিৰ কাম হাতত লোৱা হৈছে। ১৯৭০-৭১ চনত থেনজাৱালত প্ৰায় ১,৫০০— ২,০০০ একৰ মাটিত এখন কৃষি পাম আৰম্ভ কৰাৰ প্ৰাথমিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু কাৱণপুই গাঁৱত অনুৰূপ এখন পাম কৰাৰ ঠাই নিৰ্ব্বাচন কৰা হৈছে।

**ৰেচম আৰু বয়ন শিল্প**

৮ লাখতকৈ অধিক লোকক কৰ্ম্মসংস্থানৰ সুবিধা দিব পৰা ৰেচম শিল্পই কৃষি উদ্যোগ হিচাবে অসমৰ গ্ৰাম্য অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিভিন্ন খাদ্যগছ আৰু পাট-পলুৰ জাতৰ গুণগত উৎকৰ্ষসাধন, যথেষ্ট পৰিমাণে পাট-পলুৰ সঁচৰ উৎকৃষ্ট উৎপাদন আৰু যোগ্য পলুপালকসকলৰ মাজত এইবোৰৰ সুচাৰুৰূপে বিতৰণ, লেটাৰ পালন আৰু উৎপাদনৰ উন্নত কৌশল প্ৰয়োগ, ৰেহাই মূল্যত উন্নত ধৰণৰ এড়ীসূতা কটা আৰু মুগা-পাট সুতা কটা যন্ত্ৰৰ যোগান, বেচা-কিনাৰ উত্তম সা-সুবিধা দিয়াৰ অৰ্থে সূতাকটা আৰু উৎপাদন কৰা লোকৰ মাজত সমবায় সমিতি গঠন, প্ৰয়োজনীয় লোকসকলৰ প্ৰশিক্ষণ আৰু ৰেচম শিল্পজীৱিসকলৰ মাজত সক্ৰিয় প্ৰচাৰ কাৰ্য্য চলোৱাৰ প্ৰতি যথোচিত মনোযোগ দি উন্নয়ন আঁচনি প্ৰস্তুত কৰা আৰু চলাই থকা হৈছে।

এই সকলেবোৰ ব্যৱস্থাই ৰাজ্যত লেটা আৰু কেঁচাপাটৰ উৎপাদন বঢ়োৱাত যথেষ্ট বৰঙনি যোগাইছে। ১৯৭০-৭১ চনৰ কালছোৱাত ২·৪০ লাখ কিলোগ্ৰাম এড়ীৰ লেটা, ০·৭৫ লাখ কিলোগ্ৰাম মুগা কেঁচাপাট আৰু ০·১৪ লাখ কিলোগ্ৰাম কেঁচা মুনিপাট উৎপাদনৰ সম্ভাৱনা আছে।

## পৰিবহন আৰু যোগাযোগ

পৰিবহনৰ সৰ্ব্বাঙ্গীন উন্নতি সাধনৰ নীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক পৰামৰ্শ দিবলৈ এখন পৰিবহন উপদেষ্টা সমিতি গঠন কৰা হৈছে। ৰাজ্য চৰকাৰে বুজাপৰাৰ ভিত্তিত আন্তঃৰাজ্যিক পথসমূহত চলা নিৰ্দ্দিষ্ট বাচসমূহত অসমৰ পৰা যাত্ৰী আৰু সামগ্ৰী সহজে অনা-নিয়া কৰিবৰ বাবে ওচৰচুবুৰীয়া ৰাজ্যসমূহত আৰু কেন্দ্ৰীয় শাসিত ৰাজ্যবিলাকৰ লগত এক চুক্তিত আৱদ্ধ হৈছে। ভূটান চৰকাৰৰ লগত দুয়োখন দেশৰ মাজত ব্যৱসায়িক ভিত্তিত যানবাহান চলাবৰ বাবে এখন চুক্তি কৰাৰ কথাও চৰকাৰৰ বিবেচনাধীন হৈ আছে। ১৯৭০ চনৰ ৩১ মাৰ্চ তাৰিখৰ পৰা অসম ৰাজ্যিক পথ পৰিবহন নিগমে ৰাজ্যিক পৰিবহন বিভাগৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছে। নিগমে ৭৯৪ খন বাচৰ সহায়ত ৩,২৯৯ কিলোমিটাৰ পথত মটৰ চলাচলৰ ব্যৱস্থা কৰিছে। এই প্ৰতিষ্ঠানে বিভিন্ন শ্ৰেণীৰ ৪,৭০৪ জন কৰ্মচাৰীক নিয়োগ কৰিছে।

যথোচিত আলিবাট আৰু দলং নিৰ্ম্মাণৰ আঁচনিৰ বাবে প্ৰয়োজনীয় পুঁজি পাৰ্য্যমানে আমাৰ সীমিত সম্পদৰ পৰাই বহন কৰা হৈছে। এই উদ্দেশ্যে ১৯৭০-৭১ চনৰ কালছোৱাৰ বাৰ্ষিক যোজনাত ৩৯৮ লাখ টকাৰ ব্যৱস্থা ৰখা হৈছিল। বছৰটোৰ ভিতৰত ১০০ কিলোমিটাৰ ৰাস্তাৰ উন্নয়ন, ৩০ কিলোমিটাৰ ৰাস্তাত শিল পেলোৱা আৰু পকা কৰা আৰু ৩৫৮ কিলোমিটাৰ নতুন ৰাস্তা নিৰ্ম্মাণ কৰাৰ লগতে দলং আদিৰ কাম কৰাৰো কাৰ্য্যসূচী হাতত লোৱা হৈছিল। ৰাজ্য চৰকাৰে অসম চৰকাৰৰ নিৰ্ম্মাণ নিগমক (Assam Government Construction Corporation) নিগমৰ অংশ মূলধনত বৰঙণি যোগোৱা হিচাপে ৮·৩ লাখ

টকা দি সহায় কৰিছে। ১৯৭১-৭২ চনৰ ভিতৰত গড়কাপ্তানি বিভাগৰ আঁচনিৰ বাবে ৪৫২.৮৫ লাখ টকা খৰচ কৰিবলৈ মনস্থ কৰা হৈছে। আগতে হাতত লোৱা আঁচনিসমূহৰ কাম চলাই থকাৰ লগতে নতুন ৰাস্তা নিৰ্ম্মাণৰ কামো এই আঁচনিসমূহৰ অন্তভু ক্ত কৰিবলৈ খোজা হৈছে। অসম চৰকাৰৰ নিৰ্মাণ নিগমৰ অংশ মূলধনত বৰঙনি যোগাবলৈ ৯.৩ লাখ টকাৰো ব্যৱস্থা ৰখা হৈছে।

## পৰ্যটন

কাজিৰঙালৈ যোৱা পৰ্য্যটকৰ সংখ্যা বৃদ্ধি পাইছে। ক্ৰমবৰ্দ্ধমান পৰ্য্যটকসকলৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাটত এটি পৰ্য্যটন কাৰ্য্যালয় মুকলি কৰা হৈছে। আৰু শ্বিলঙত এটি উচ্চ শ্ৰেণীৰ পৰ্য্যটন গৃহ নিৰ্মাণৰ কাম চলি আছে। আমি বোম্বাই আৰু কলিকতাতো পৰ্যটন কেন্দ্ৰ মুকলি কৰিব ধৰিছো। ৫ লাখ টকা ব্যয়েৰে শিৱসাগৰ চহৰখনক সুশোভিত কৰি তোলাৰ আঁচনি কাৰ্য্যকৰী কৰা হৈছে।

## সাহায্য আৰু পুনৰ সংস্থাপন

১৯৭০ চনৰ ডিচেম্বৰ মাহলৈ বৰ্ত্তমান ৯ টা শিবিৰত ১৩,৫৫৬ জন শৰণাৰ্থী ( ৩,৬৪৫ টা পৰিয়াল ) আছে। চৰকাৰে ১২,০০০ টা পৰিয়ালক সংস্থাপিত কৰিবলৈ কৰা সিদ্ধান্ত অনুসৰি ১২,২৮৯ টা পৰিয়ালক পুনৰ সংস্থাপন কৰিব খোজা বিভিন্ন ঠাইলৈ স্থানান্তৰিত কৰা হৈছে। ৰাজ্য চৰকাৰে ১২০০০ টা পৰিয়াল সংস্থাপিত কৰাৰ বাবে লোৱা দায়িত্ব পূৰণ হোৱা হেতুকে ৩,৬৪৫ টা পৰিয়ালক সংস্থাপনৰ বাবে ৰাজ্যৰ বাহিৰলৈ পঠোৱাৰ ব্যৱস্থা কৰা হব ধৰিছে।

## মাদক দ্ৰব্য নিবাৰণ

বৰ্ত্তমানে ১৯৫২ চনৰ অসম মদ নিবাৰণী আইনখন অসমৰ কামৰূপ, নগাওঁ আৰু গোৱালপাৰা এই তিনিখন জিলাত বলবৎ আছে। এই

তিনিখন জিলাত সম্পূৰ্ণৰূপে মদ নিবাৰণ কৰাৰ লগে লগে গোটেই ৰাজ্যখনতে ক্ৰমন্নয়ে মদ নিবাৰণ কৰাৰ পথ সুচল কৰিবলৈ মদৰ প্ৰচলন হৈ থকা জিলা কেইখনতো কিছুমান নিয়ন্ত্ৰণ-মূলক ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰা হৈছে। মদ খোৱাটো নিৰুৎসাহীত কৰিবলৈ দেশী আৰু বিদেশী উভয় মদৰ দাম আৰু দেশী মদৰ খুচুৰা বিক্ৰী দাম বৃদ্ধি কৰা হৈছে। মদ নিবাৰণ সম্পৰ্কে গঠিত টেকচাঁদ কমিটীয়ে জনসাধাৰণে ব্যৱহাৰ কৰা মদত মদৰ মাত্ৰা কমাবলৈ অনুমোদন জনায়। এই কমিটিয়ে চাৰিটা পৰ্য্যায় গ্ৰহণ কৰি মদ নিষিদ্ধকৰণৰ অনুমোদন জনাব। এই চাৰিটা পৰ্য্যায়ৰ প্ৰথম পৰ্য্যায়ত মদৰ মাত্ৰা শতকৰা ২৩ ভাগলৈ, তাৰ পিছত শতকৰা ১০ ভাগলৈ, তাৰ পিছত শতকৰা ৫ ভাগলৈ কমাই শেষৰ পৰ্য্যায়ত সম্পূৰ্ণ নিষিদ্ধকৰণৰ পৰামাৰ্শ দিয়ে। ১৯৭০ চনৰ পহিলা এপ্ৰিলৰপৰা ৰাজ্যিক চৰকাৰে ইতিমধ্যে প্ৰথম পৰ্য্যায়টো প্ৰৱৰ্ত্তন কৰিছে। ৰাজ্যখনৰ দেশীয় মদৰ দোকানসমূহৰ এক-তৃতীয়াংশত মাদকদ্ৰব্যৰ মাত্ৰা ৩০ ইউ, পিৰ পৰা ৬০ ইউ, পিলৈ হ্ৰাস কৰিবলৈ দিয়া হৈছে।

## বিত্তীয় পৰিদৰ্শন

বিত্ত বিভাগৰ প্ৰশাসনিক নিয়ন্ত্ৰণত ১৯৭০ চনৰ ৪ আগষ্টৰ পৰা গুৱাহাটীত সদৰ কাৰ্য্যালয়েৰে এটি বিত্তীয় পৰিদৰ্শন অধিকৰ্ত্তাৰ কাৰ্য্যালয় খোলা হৈছে। প্ৰশাসনীয় বিভাগসমূহে দিয়া মঞ্জুৰীত বিত্তীয় সঙ্গতিৰ নিয়ম পালন কৰা হৈছে নে নাই আৰু ক্ষেত্ৰ পৰ্য্যায়ত কাৰ্য্যকৰী কৰা আঁচনিসমূহ যথোপযুক্তভাবে সমীক্ষা আৰু অধ্যয়ন কৰি প্ৰস্তুত কৰা হৈছে নে নাই সেইবোৰৰ কিছুমান পৰীক্ষা কৰি চোৱাটোও অন্যান্য কামৰ লগতে এই অধিকৰ্ত্তালয়ৰ কৰ্ত্তব্য আৰু কাম-কাজৰ ভিতৰত পৰে।

## চৰকাৰী কৰ্ম্মচাৰী আৰু পেন্সনভোগীসকললৈ সাহায্য

নিত্য ব্যৱহাৰ্য্য বস্তুৰ মূল্য বাঢ়ি যোৱাৰ ফলত চৰকাৰী কৰ্ম্মচাৰী আৰু পেন্সনভোগীসকলে সন্মুখীন হোৱা কষ্টৰ প্ৰতিও চৰকাৰ সচেতন।

পেন্সনভোগীসকলৰ সাহাৰ্য্যাৰ্থে প্ৰতি মাহে ৪৫· টকালৈকে পেন্সন পোৱা ৰাজ্যিক চৰকাৰৰ পেন্সনভোগীসকললৈ ১৯৭০ চনৰ পহিলা মে'ৰ পৰা দ্বিতীয় অতিৰিক্ত সাময়িক পেন্সন বৃদ্ধি মঞ্জুৰ কৰা হৈছে। এই পেন্সন বৃদ্ধিৰ ফলত বছৰি প্ৰায় ৯ লাখ টকা অতিৰিক্ত খৰচ হ'ব। ৰাজ্যিক চৰকাৰৰ কৰ্ম্মচাৰীসকলৰ দৰমহাৰ নিৰিখ আৰু সেৱাৰ অৱস্থা পৰীক্ষা কৰিবলৈ এটি দৰমহা কমিটী নিয়োগ কৰাৰো সিদ্ধান্ত লোৱা হৈছে।

**লটাৰী**

ৰাজ্যিক লটাৰীৰ প্ৰথম খেলখন পতাৰ পৰা এবছৰৰ ভিতৰতে ৭ টা খেল সম্পূৰ্ণ কৰা হৈছে। এই খেল কেইটাত মুঠতে ৬০,১৬,২০৩ টা টিকট বিক্ৰী হৈছে আৰু এই সময়ছোৱাত ১৭,৯৫,৯৬২·১২ টকা প্ৰকৃত লাভ হৈছে। ১৯৭১ চনৰ ফেব্ৰুৱাৰী মাহলৈ ১০ টা খেল পতা হৈছে। আমি আন আন ৰাজ্যসমূহৰ তীব্ৰ প্ৰতিযোগিতাৰ সন্মুখীন হবলগীয়াত পৰিছো। সেই কাৰণে ৰাজ্যৰ ভিতৰত আৰু বাহিৰত টিকট বিক্ৰীৰ উন্নতি সধাৰ ওপৰত অধিক জোৰ দিবলগাত পৰিছে। খণ্ড উন্নয়ন বিষয়াসকলৰ যোগেদি গাৱঁলীয়া অঞ্চলবোৰতো টিকট সহজে পাব পৰাৰ ব্যৱস্থা কৰা হৈছে আৰু পৰিবৰ্ত্তিত অৱস্থাৰ লগত খাপ খোৱাকৈ অসম ৰাজ্যিক লটাৰীৰ নিয়মাৱলীও সময়ে সময়ে সাল-সলনি কৰা হৈছে। ধাৰাবাহিক খেলৰ মাজৰ ব্যৱধানো হ্ৰাস কৰা হৈছে। আৰু নৱম খেলৰ এমাহৰ পিছতেই ১১।২।৭১ তাৰিখে দশম খেলখন পতা হৈছে।

**নগৰপালিকা প্ৰশাসন**

ৰাজ্যখনৰ ক্ৰমাগত প্ৰগতিৰ লগে লগে ক্ষিপ্ৰগতিত নগৰ গঢ়ি উঠিব ধৰিছে। সেই কাৰণে প্ৰত্যেক বছৰেই বৰ্ত্তমানে থকা নগৰীয়া স্থানীয় নিকায়ৰ উপৰিও নতুনকৈ নগৰীয়া স্থানীয় নিকায় ইয়াৰ লগত যোগ হৈছে। নগৰ উন্নয়ন আৰু নগৰীয়া সা-সুবিধাৰ উন্নতি সধাৰ

হকে, অভিৰুচিসম্পন্ন আঁচনি লোৱাত ঘাইকৈ কঠিন বিত্তীয় অৱস্থাৰ হেতুকে নাগৰিক নিকায় সমূহক সহায় কৰাটো ৰাজ্য চৰকাৰৰ পক্ষে সম্ভৱপৰ হোৱা নাই। নগৰীয়া সম্পত্তি কৰৰ সমুদায় ধন, প্ৰদৰ্শন কৰৰ ( Show Tax ) সমুদায় টকা, চলচিত্ৰ বাহন কৰৰ এটা অংশ আৰু আন আন ক্ষতিপূৰক মঞ্জুৰীৰ উপৰিও তেওঁলোকক বৰ্দ্ধিত পৰিমাণে সাধাৰণ উদ্দেশ্যৰ মঞ্জুৰী দিয়া হৈছে। স্থানীয় নিকায়সমূহে অধিক সক্ৰিয় ভাৱে কাম কৰিব পৰাকৈ অসম নগৰপালিকা আইন আৰু এই আইনৰ বিধান মতে প্ৰস্তুত কৰা বিভিন্ন নিয়মাৱলী সংশোধন কৰাও হৈছে।

## নগৰ আৰু গাওঁ পৰিকল্পনা

নগৰ পৰিকল্পনা সংগঠনে গাওঁ আৰু নগৰসমূহৰ মাষ্টাৰ প্লেন প্ৰস্তুত কৰাৰ উপৰিও নগৰপালিকা আৰু নগৰ সমিতিসমূহে নগৰ উন্নয়ন আঁচনি অনুযায়ী কৰা কাম আৰু মাষ্টাৰ প্লেনৰ বিধান অনুসৰি উন্নয়ন কৰ্ত্তৃপক্ষই কাৰ্য্যকৰী কৰা কামো তদাৰক কৰে। এই সংগঠনটোৱে উন্নয়ন আঁচনি আৰু বস্তি পৰিষ্কাৰ, গৃহনিৰ্ম্মাণ আঁচনি আদিও প্ৰস্তুত কৰাত সহায় কৰে। ১৯৭০-৭১ চনৰ কালছোৱাত নগৰ উন্নয়ন আঁচনিত আলিবাট, নলা, পাৰ্ক, বজাৰ অঞ্চল ইত্যাদিৰ উন্নয়নৰ কাৰণে ১২.৪০ লাখ টকা ধৰা হৈছে। এই আঁচনিসমূহৰ কাম অহা বিত্তীয় বছৰতো চলি থাকিব। গুৱাহাটী আৰু তিনিচুকীয়াত নৰ্দমাৰ ব্যৱস্থা কৰা আঁচনিখন বিবেচনা কৰা হ'ব ধৰিছে। গুৱাহাটী আৰু তিনিচুকীয়া নগৰৰ মাষ্টাৰ প্লেনখন প্ৰকাশ কৰা হৈছে আৰু ডিব্ৰুগড়ৰ চূড়ান্ত মাষ্টাৰ প্লেন খনৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। চতুৰ্থ যোজনাৰ কালছোৱাত ৰাজ্যখনৰ আন কেইখনমান নগৰ ব্যাপক উন্নয়ন যোজনাৰ অন্তৰ্ভুক্ত কৰা হ'ব।

## অনাদায়ী কৰ

অনাদায়ী কৰ সংগ্ৰহৰ অৱস্থা এতিয়াও বৰ অসন্তোষজনক। ৩১।৩।৭০

তাৰিখলৈ মুঠ অনাদায়ী বিক্ৰী কৰৰ পৰিমাণ আছিল ২,১৩,৫১,১৩৬ টকা আৰু অন্যান্য অনাদায়ী কৰৰ পৰিমাণ আছিল ৫,৪০,৩৪,২৬৮ টকা। এই অনাদায়ী কৰৰ ভিতৰত ১,৯৪,৪৭,৪০৩ টকাৰ আপিল আদি চলি আছে আৰু ১,২৭,০৫,৬৪০ টকাৰ বাকীজাই গোচৰ চলি আছে। সকলো কৰাৰোপণ আইন মতে বৰ্ত্তমানৰ আৰু অনাদায়ী ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে। অনাদায়ী ধন সংগ্ৰহত লাভ কৰা সফলতাৰ ওপৰতেই প্ৰতিজন কৰ নিৰ্দ্ধাৰণ বিষয়াৰ কাৰ্য্য-কুশলতা বিচাৰ কৰা হব আৰু সেই উদ্দেশ্যে প্ৰতিজন কৰ নিৰ্দ্ধাৰণ বিষয়াই অনাদায়ী কৰ সংগ্ৰহ কৰাৰ লক্ষ্য বান্ধি দিয়া হৈছে। অনুজ্ঞাপত্ৰ, সাময়িক পত্তন, অনুজ্ঞা ( Permit ) আৰু চৰকাৰী বিভাগসমূহক বস্তু আদিৰ যোগান ধৰাৰ ফৰমাচৰ বাবে আবেদন কৰা লোকসকলক বিক্ৰী কৰ শোধাৱাৰ প্ৰমাণ-পত্ৰ দাখিল কৰাৰ ওপৰত জোৰ দিয়া হৈছে। সোনকালে কৰ শোধোৱাৰ ক্ষেত্ৰত শতকৰা ১ ভাগ ৰেহাই দিবলৈ বিক্ৰী কৰ আইনত ব্যৱস্থা ৰখা হৈছে।

কৃষি ঋণ, পুনৰ সংস্থাপন ঋণ, ভূমি উন্নয়ন ঋণ ইত্যাদি অপ্ৰাপ্ত ঋণ আদায় কৰাৰ বাবে সজোৰে প্ৰচেষ্টা চলোৱা সত্বেও এই ক্ষেত্ৰত যথাযোগ্য প্ৰগতি লাভ কৰিব পৰা নাই। এই অপ্ৰাপ্ত ধন ৩,৬৭,৮৭,৪৩১ টকাৰ ভিতৰত ১৯৬৯-৭০ চনৰ বছৰটোত কেৱল ৫,৯৩,৯৪১ টকাহে আদায় কৰিব পৰা হৈছে। ১৯৬৯-৭০ চনৰ শেষত অপ্ৰাপ্ত ধনৰ পৰিমাণ আছিল ৩,৮১,৫৮,৪৪৭ টকা। বানপানী, খহনীয়া, ঘূৰ্ণিবতাহ, শিলাবৃষ্টি, অগ্নিকাণ্ড আদি বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত অহৰহ আক্ৰান্ত হৈ ঋণগ্ৰাহী লোকসকলৰ পৰিশোধৰ ক্ষমতা কমি যোৱাই কিছু পৰিমাণে অপ্ৰাপ্ত ঋণআদায়ৰ নিৰিখ কম হোৱাৰ কাৰণ বুলি কব পাৰি।

## বেসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী

গুৱাহাটী, ডিব্ৰুগড়, ডিগবৈ, শ্বিলং আৰু যোৰহাট এই ছয়খন নগৰত প্ৰয়োজনীয় বেসামৰিক প্ৰতিৰক্ষা আহিলাপাতিৰে এই কেন্দ্ৰ কেইটা

সজ্জিত কৰি বেসামৰিক ব্যৱস্থাসমূহ শক্তিশালী কৰা হৈছে। মঙ্গলদৈ, নলবাৰী, গোৱালপাৰা আৰু গোলাঘাটত মহকুমা সদৰ কাৰ্য্যালয় খোলা হৈছে আৰু চৰকাৰে প্ৰত্যেক মহকুমাৰ সদৰ কাৰ্য্যালয়ৰ বাবেও কৰ্ম্মচাৰী ইতিমধ্যে মঞ্জুৰ কৰিছে। বাকী থকা সদৰ কাৰ্য্যালয়সমূহতো কাৰ্য্যালয় মুকলি কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে। গুৰুত্বপূৰ্ণ কাৰখানা আৰু স্থাপনাদিত পহৰা দিয়া আৰু কাজিৰঙা অভয়াৰণ্যৰ চোৰাং চিকাৰ বন্ধ কৰা আদিৰ দৰে আইন-শৃঙ্খলা ৰক্ষাৰ কামতো যোৱা বছৰৰ দৰে গৃহৰক্ষী বাহিনীৰ লোকসকলক কৃতকাৰ্য্যতাৰে ব্যৱহাৰ কৰা হৈছে।

## ভূ-তত্ত্ব আৰু খনি

ভূ-তত্ত্ব আৰু খনি বিভাগে খনিজ সম্পদৰ অনুসন্ধানৰ কাম চলাই আছে। বৰ্ত্তমানে এই বিভাগে শীলভাটাত আৰু নামবৰ সংৰক্ষিত অৰণ্যত কেয়লিন আৰু কয়লাৰ আকৰ, টীৰসাদত সোণ আৰু বেছ মেটেল, পঞ্চৰত্নত ফেলড্স্পাৰ আৰু কোৱাটজ, সোৱনশিৰীত "পেলচাৰ গোল্ড" ইত্যাদি কেতবোৰ দৰকাৰী খনিজ দ্ৰব্যৰ অনুসন্ধান চলাই আছে। ইয়াৰ উপৰিও এই বিভাগে ভূ-জল সম্পদৰ যথাৰ্থ ব্যৱহাৰৰ বাবে ৰাজ্যখনৰ ভূ-জলবিজ্ঞান সম্পৰ্কীয় তথ্যসমূহ সংগ্ৰহ কৰা কাৰ্য্যও হাতত লৈছে। ১৯৭০-৭১ চনৰ কালছোৱাত চন্দ্ৰপুৰত পৰীক্ষামূলক খননকাৰ্য্য আৰু সৰুপথাৰ-বোকাজান অঞ্চলত ভূ-জলবিজ্ঞানৰ নিয়মানুক্ৰমিক কাম সম্পাদন কৰিব ধৰিছে। অসম ৰাজ্যিক খনিজ দ্ৰব্য উন্নয়ন নিগমে নাঙ্গল-বিৰাৰ কয়লাখনি প্ৰকল্পটোৰ উপৰিও এটা বেচৰকাৰী অনুষ্ঠানৰ সহযোগত গুৱাহাটীত কাঁচ-কাৰখানা এটা স্থাপন কৰাৰ দিহা কৰিছে।

## সমাজ কল্যাণ

সক্ষম দেহৰ ভিক্ষাৰীসকলৰ মাজত কৰ্ম্মৰ অভ্যাস জগাই তোলা আৰু কোনো লাভজনক বৃত্তিত প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে গুৱাহাটীৰ

ফটাশিলত এটি মগনীয়া গৃহ ( Vagrants' Home ) আৰম্ভ কৰা হৈছে। স্ব-ইচ্ছাই ভৰ্তি হোৱা ২৩ জন ভিক্ষাৰীৰে এই গৃহ সম্প্ৰতি চলি আছে। ৩৯ গৰাকী সাবালিকা আৰু ২৫ জনী নাবালিকা নাৰীৰে নিৰাশ্ৰয়া নাৰী আৰু অসহায়া বিধবাসকলৰ বাবে গুৱাহাটীৰ জালুকবাৰীত নিৰ্মিত ৰাজ্যিক গৃহটো চলি আছে। ওচৰতে থকা প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰত ব্যৱসায়িক বৃত্তিৰ সা-সুবিধাও আছে। ঘাটমাউৰা আৰু নিৰাশ্ৰয় লৰা-ছোৱালীক সহায় আৰু ভৰণ-পোষণ কৰাৰ বাবে নগাৱঁত এটি গৃহ খোলা হৈছে। বৰ্ত্তমানে এই গৃহটোত থকা ১c৮ টা লৰা-ছোৱালীক বিনামূলীয়াকৈ আহাৰ আৰু শিক্ষা দি থকা হৈছে।

## ১৯৬৯-৭০ চনৰ হিচাপ

১৯৬৯-৭০ চনৰ সংশোধিত প্ৰাক্কলন (—) ২৪,৯৮·১৩ লখ টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব বুলি আশা কৰা হৈছে। সেই বছৰটোত ভাৰত চৰকাৰে ইয়াৰ ঘাটি পূৰাবলৈ যোজনাৰ বাহিৰত মুঠতে ৪৮,৩৪·০০ লাখ টকা ঋণ হিছাপে মঞ্জুৰ কৰে। তথাপিও বছৰটোৰ হিচাপ ৭৭৭-১৬ লাখ টকা ঘাটি উদ্বৃত্তৰে সামৰণি পৰে আৰু ১৯৭০ চনৰ ৩১ মাৰ্চলৈ ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ লগত ৰাজ্যিক চৰকাৰৰ অধিবিকৰ্ষ ধনৰ পৰিমাণ ৮৪৯·৩৬ লাখ টকা হয়গৈ। সেয়ে প্ৰকৃত সামৰণিৰ উদ্বৃত্ত হব (—) ১৬২৬·৫২ লাখ টকা।

১৯৬৯-৭০ চনৰ সংশোধিত প্ৰাককলনত ৰাজহ হিচাপত আয় ধৰা হৈছিল ১,১১,৮৩·০৮ লাখ টকা, কিন্তু প্ৰকৃত আয় হৈছিল ১,১১,০৪·৭৭ লাখ টকা। এই টকা সংশোধিত প্ৰাক্কলনতকৈ অলপ কম।

সংশোধিত প্ৰাক্কলনত ১২০,৫৪·৭১ লাখ টকা ব্যয় হব বুলি অনুমান কৰা হৈছিল যদিও ৰাজহ হিচাপত ব্যয় হয় ১২৪,৫৭·৭০ লাখ টকা। সুদৰ শিতান (২৮·৮৭), সামাজিক আৰু উন্নয়ন সংগঠন

( ৯১'৪২ লাখ ), পৰিবহন ( ৯'৫৩ লাখ ), বন বিভাগ ( ১৮'০৮ লাখ ) আৰু বিবিধ শিতানত ( ১৫০'৬০ লাখ ) ব্যয় কম হোৱা সত্বেও মথাউৰি আৰু নলাৰ কামত ( ৩৪৯.৫৯ লাখ ) আৰু গড়-কাপ্তানি বিভাগৰ পথ আৰু গৃহনিৰ্ম্মাণ শাখাত ( ২৮২'৬০ লাখ ) হোৱা অধিক ব্যয়ৰ বাবেই ঘাটকৈ এই অতিৰিক্ত ব্যয় হয়।

মূলধন বাজেটত সংশোধিত প্ৰাক্কলনত ধৰা ১৪৪,৩৪'২০ লাখ টকাৰ ঠাইত প্ৰকৃততে প্ৰাপ্তি হয় ১৬১,০২'০৪ লাখ টকা। ভাৰত চৰকাৰ আৰু ভাৰতৰ ৰিজাৰ্ভ বেঙ্কে অৰ্থোপায়ৰ আগধন মঞ্জুৰ কৰাৰ বাবেই ঘাইকৈ প্ৰাপ্তিৰ পৰিমাণ বৃদ্ধি হয়।

সংশোধিত প্ৰাক্কলন ১৫২,৪২'৭৫ লাখ টকাৰ ঠাইত বছৰটোত মূলধন ব্যয় হয় ১৪৩,৩৪'৩৫ লাখ টকা। ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ আঁচনিৰ শিতানত অধিক ব্যয় হোৱা সত্বেও চৰকাৰী বিনিয়োগ ( ১৫'০৬ লাখ টকা ), গড়কাপ্তানি ( ১০৬'০০ লাখ টকা ) আৰু ৰাজহুৱা ঋণত ( ৯৯১.৭৫ লাখ টকা ) কম ব্যয় হোৱা বাবেই ঘাইকৈ এই সঞ্চয় হোৱা দেখা যায়।

ৰাজহুৱা হিচাপৰ ক্ষেত্ৰত সংশোধিত প্ৰাক্কলনত অনুমান কৰা ৯৯৮'৫৫ লাখ টকাৰ প্ৰকৃত ৰাহিৰ ঠাইত প্ৰকৃত ৰাহি হয় ৬২৪'৬২ লাখ টকা।

## সংশোধিত ১৯৭০-৭১

১৯৭০-৭১ চনৰ সংশোধিত প্ৰাক্কলনত আৰম্ভণী উদ্বৃত্ত ধৰা হৈছিল (–) ৭৭৭'১৬ লাখ টকা। ই আছিল আগৰ বছৰৰ প্ৰকৃত সামৰণিৰ উদ্বৃত্ত।

বাজেট প্ৰাক্কলন ১১১,০৩'৪২ লাখ টকাৰ ঠাইত সংশোধিত ৰাজহ আয় হৈছে ১০৭,৮৭'১৪ লাখ টকা। অন্যান্য শিতানত হোৱা

অধিক আয় সত্বেও পথ পৰিবহন আঁচনিৰ ( ৩২২·৯৫ লাখ টকা ) আয় অসম পথ পৰিবহন নিগমলৈ হস্তান্তৰ আৰু অসম চৰকাৰৰ অংশৰ পৰা ভাৰত চৰকাৰে মেঘালয় চৰকাৰলৈ ( ১০০·০০ লাখ টকা) অধিক মঞ্জুৰী ( বুজন পৰিমাণৰ ) বন্টনৰ ফলতে ঘাইকৈ এই আয় হ্ৰাস হোৱা দেখা যায় ।

মূল বাজেট প্ৰাক্‌কলনত ধৰা ১১০,৬৯·৪২ লাখ টকাৰ ঠাইত ৰাজহ ব্যয় ১১,৯১৮·২৪ লাখ টকালৈ বৃদ্ধি হয় । অন্য শিতানত হোৱা হ্ৰাস সত্বেও বান-নিয়ন্ত্ৰণ (৩৫৪·১৮ লাখ টকা), গড়কাপ্তানি (৬১·৩৬ লাখ টকা), সুদৰ টকা ( ৪৬·২৭ লাখ টকা ), বিজুলি শক্তি (৪৩·৫০ লাখ টকা ), নিৰ্ব্বাচন ( ১৫·৬৭ লাখ টকা ), শিক্ষা ( ২১৭·০০ লাখ টকা ), চিকিৎসা ( ৩২·৩৬ লাখ টকা ) আৰু দুৰ্ভিক্ষ সাহায্যত (১১৮·০৮ লাখ টকা ) হোৱা ব্যয়ৰ ফলতে ঘাইকৈ এই ব্যয় বৃদ্ধি হয় ।

মূলধন বাজেটত প্ৰাক্‌কলিত ১১৫,২৭·২৯ লাখ টকাৰ ঠাইত প্ৰাপ্তিৰ পৰিমাণ ১১৯,২৯·১০ লাখ টকা ধৰা হৈছে । ৰাজহ ঘাটি পূৰণ কৰিবলৈ ভাৰত চৰকাৰে অধিক বিশেষ ব্যৱস্থা ( special accomodation ) মঞ্জুৰ কৰাৰ বাবে ঘাইকৈ এই উন্নতি হৈছে ।

মূল বাজেট প্ৰাক্‌কলন ১৪৭,২৭·৭৪ লাখ টকাৰ ঠাইত মূলধন ব্যয় ধৰা হৈছে ১৫০,২২·৩১ লাখ টকা । ঋণ পৰিশোধৰ ( ১২৬·৬৩ লাখ টকা ) ক্ষেত্ৰত ব্যয় কম হোৱা সত্বেও বান-নিয়ন্ত্ৰণৰ শিতান১(২৫·৭৩ লাখ টকা )আৰু ৰাজ্য চৰকাৰে দিয়া ঋণ আৰু আগধনৰ ( ২২৭·১৮ লাখ টকা ) ক্ষেত্ৰত হোৱা বৰ্দ্ধিত ব্যয়ৰ ফলতে ঘাইকৈ ব্যয় বৃদ্ধি হয় ।

ৰাজহুৱা হিচাবত ১০,৯৮·৬২ লাখ টকা প্ৰকৃত ৰাহি হব ।

সেয়ে মুঠতে ( — ) ৩১,২৫·৬৯ লাখ টকা ঘাটি হব । আৰম্ভণিৰ ঘাটি উদ্বৃত ( — ) ৭৭৭·১৬ লাখ টকাকো ইয়াৰ ভিতৰত অন্তৰ্ভুক্ত কৰিলে ১৯৭০-৭১ চনৰ বছৰটো বাজেট প্ৰাক্‌কলনত অনুমান কৰা ( —)

৪১,৮৬·৪৮ লাখ টকাৰ ঠাইত ( − ) ৩৯,০২·৮৫ লাখ টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব বুলি আশা কৰা হৈছে ।

## অৰ্থোপায়ৰ অৱস্থা

ৰাজ্যচৰকাৰে অৱস্থাৰ উন্নতি সাধিবলৈ পাৰ্য্যমানে প্ৰচেষ্টা চলোৱা সত্বেও ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি অসন্তোষজনক হৈয়ে আছে । ১৯৬৯ চনৰ জুন মাহত ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ অধিবিকৰ্ষৰ ধন পৰিশোধ কৰিবলৈ ভাৰত চৰকাৰৰ পৰা ৩৮·০০ কোটি টকা অৰ্থোপায়ৰ আগধন লবলগীয়া হয় । পিছত আকৌ ১৯৭০ চনৰ মাৰ্চ মাহত ৰাজ্যচৰকাৰ কঠিন বিত্তীয় পৰিস্থিতিৰ সন্মুখীন হোৱাত আগতে মঞ্জুৰ কৰা ৩৮ কোটি টকাৰ অৰ্থোপায়ৰ আগধনৰ ঠাইত ভাৰত চৰকাৰে ঋণ হিচাবে ৪৮·৫৪ কোটি টকা মঞ্জুৰ কৰে । চলিত বিত্তীয় বছৰত ভাৰত চৰকাৰে ৰাজ্যচৰকাৰক ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ অধিবিকৰ্ষৰ ধন পৰিশোধ কৰিবলৈ ১৯৭০ চনৰ জুলাই মাহত ৮ কোটি টকাৰ অৰ্থোপায়ৰ আগধন মঞ্জুৰ কৰে । এই ৮ কোটি টকা ৰাজ্যচৰকাৰে মাহিলি পৰিশোধ কৰিবলগীয়া টকাৰ পৰা আদায় কৰা হৈছে । ইয়াৰ পিচত ভাৰতচৰকাৰে বিশেষ ব্যৱস্থা (special accomodation) হিচাবে ১৯৭০ চনৰ অক্টোবৰত ১২ কোটি টকা আৰু ১৯৭১ চনৰ ফেব্ৰুৱাৰী মাহত আৰু ১০·৫৩ কোটি টকা দিয়ে ।

বছৰটোত কেন্দ্ৰীয় চৰকাৰে বান সাহায্য ব্যৱস্থাৰ বাবে ৪ কোটি টকাৰ এক ঋণ দিছে । ইয়াৰ বাহিৰেও ভাৰত চৰকাৰে ঋণ হিচাবে যোজনাৰ বাহিৰত আন ৩কোটি টকা মঞ্জুৰ কৰিছে । এই ঋণ বিশেষকৈ গড়কাপ্তানি (ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ ) বিভাগৰ আঁচনিৰ বাবে মঞ্জুৰ কৰিছে ।

তথাপিও বিত্তীয় অৱস্থা অসন্তোষজনক হৈ আছে । উপৰোক্ত টকা সংযোজন কৰাৰ পিছতো ২-৩-৭১ তাৰিখলৈ ৯·৫০ কোটি টকাৰ অধিবিকৰ্ষ আছে । ঋণ আৰু সুদ হিচাবে ভাৰত চৰকাৰক ইতিমধ্যে ২২·৭৫ কোটি টকা পৰিশোধ কৰা হৈছে আৰু ১৯৭১ চনৰ মাৰ্চ মাহৰ

শেষত আন ২৭ কোটি টকা পৰিশোধ কৰাৰ দিন পৰিব। বজাৰ ঋণ, ক্ষুদ্ৰ সঞ্চয় সংগ্ৰহৰ পৰা লোৱা ঋণ আৰু ৰাজ্যচৰকাৰে দিয়া ঋণ আৰু আগধন আদায়েই হৈছে মূলধন জমাৰ ঘাই উৎস। কিন্তু মূলধন জমাৰ তুলনাত ঋণ পৰিশোধৰ ব্যয় অধিক হোৱা বাবে ৰাজ্যচৰকাৰে মূলধন বাজেটত সমতা আনিব নোৱাৰা হেতুকে ঘাইকৈ এই অসন্তোষজনক পৰিস্থিতিয়ে দেখা দিছে।

১৯৭১-৭২ চনৰ বাজেট

উপৰোক্ত অৰ্থোপায়ৰ অৱস্থাৰ পৰিপ্ৰেক্ষিত মই এতিয়া সদনত ১৯৭১-৭২ চনৰ আমাৰ বাজেট দাঙি ধৰিব খোজোঁ। বিভিন্ন বিভাগ-সমূহৰ পৰা নতুন আঁচনিৰ বহুতো তালিকা পোৱা হৈছে যদিও চৰকাৰে মিতব্যয়িতাৰ খাতিৰত ১৯৭১-৭২ চনৰ বছৰটোত ৩৬·৭৪ লাখ টকাৰ মাত্ৰ কেইটামান অপৰিহাৰ্য্য বিষয়হে গ্ৰহণ কৰিছে।

ৰাজহ বাজেটত প্ৰাক্কলিত আয় ১১৪,৩৫·৭৩ লাখ টকা আৰু ৰাজহ ব্যয় ১২০,৩০·৩৬ লাখ টকা ধৰা হৈছে।

ঘাইকৈ উচ্চতৰ সুদৰ টকা পৰিশোধ কৰিবলগীয়া হোৱা অনুমান কৰিয়েই ১৯৭০-৭১ চনৰ সংশোধিত প্ৰাক্কলনতকৈ ১৯৭১-৭২ চনৰ বাজেটত ৰাজহ ব্যয়ৰ ব্যৱস্থা সামান্য বেছি ধৰা হৈছে।

চলিত বছৰৰ সংশোধিত প্ৰাক্কলন ১১৯,২৯·১০ লাখ টকাৰ ঠাইত বছৰটোত মূলধন প্ৰাপ্তিৰ পৰিমাণ ১১৭,৯১·১৭ লাখ টকা ধৰা হৈছে। ভাৰত চৰকাৰৰ পৰা কমকৈ ঋণ পোৱাৰ কথা অনুমান কৰিয়েই ঘাইকৈ এই ব্যৱস্থা কমাই ধৰা হৈছে।

চলিত বছৰৰ সংশোধিত প্ৰাক্কলন ১৫৭,২২·৩১ লাখ টকাৰ ঠাইত বছৰটোত প্ৰাক্কলিত মূলধন ব্যয় ১৩১,৪৯·৪৭ লাখ টকা ধৰা হৈছে। অন্যান্য শিতানত হোৱা বৃদ্ধি সত্বেও ভাৰত চৰকাৰক পৰিশোধ কৰিবলগীয়া

ঋণৰ শিতানত ৰখা কম ধনৰ ফলতেই ঘাইকৈ এই ব্যয় কম হোৱা দেখা গৈছে ।

বাজেট প্ৰাক্‌কলনত দেখুৱাব দৰে ১৯৭১-৭২ চনৰ বছৰটো (—) ৪৩,৮১·১৪ লাখটকা ঘাটি উদ্‌বৃত্তৰে সামৰণি পৰিব বুলি আশা কৰা হৈছে ।

ঘাটি অৱস্থা

সৰ্ব্বমুঠ ( — )৪৩,৮১·১৪ লাখ টকাৰ এখন ঘাটি বাজেট উত্থাপন কৰিবলৈ পাই মই বৰ দুখ পাইছো । কিন্তু বিগত বছৰৰ ক্ৰমাগতভাবে দেখা দি অহা অসমতাৰ পুঞ্জীভুত পৰিণতি, ৰাজহ ব্যয়ৰ বৰ্দ্ধিত বোজা, যোজনাসমূহৰ প্ৰতিশ্ৰুত ব্যয় আৰু ঋণ পৰিশোধৰ বাবে মূলধন ব্যয়ৰ হেতুকে এই অৱস্থা কোনো পধেই এৰাব নোৱাৰি । মই যোৱা বাজেট বক্তৃতাতে উল্লেখ কৰিছিলো যে পঞ্চম বিত্ত আয়োগৰ অনুমোদনাৱলী আমাৰ আশানুৰূপ নহল । তদুপৰি চলিত বিত্তীয় বছৰটোৰ ভিতৰত সঘনে হোৱা বানপানীয়ে কৰা ব্যাপক ক্ষতিয়ে ৰাজ্য খন ৰঅৰ্থনীতিত বিৰূপ প্ৰতিক্ৰিয়া কৰিছে । আমি আমাৰ সম্বল বৃদ্ধি কৰিবলৈ আৰু অফলপ্ৰসূ ব্যয় সীমিত কৰিবলৈ পাৰ্য্যমানে সকলো ব্যৱস্থা লৈছোঁ ।

ৰাজ্যৰ অৰ্থনীতিৰ যথোচিত বিকাশৰ অভাব আৰু অসমৰ ঔদ্যোগিক অনুন্নত অৱস্থাৰ পৰিপ্ৰেক্ষিতত অতিৰিক্ত কৰ আৰোপনৰো কোনো পথ নাই। ৰাজ্যিক চৰকাৰে অনাদায়ী ধন আৰু বৰ্ত্তমানে পাবলগীয়া ধন আদায়ৰ পৰিমাণ বৃদ্ধি কৰিবলৈ সকলো প্ৰচেষ্টা চলাব । ভাৰত চৰকাৰে যদি চেনি, ধপাত আৰু বস্তুৰ ওপৰত অতিৰিক্ত আবকাৰী শুল্ক লগোৱা সম্পৰ্কে ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদৰ মুখ্যমন্ত্ৰীসকলৰ কমিটীৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ১৯৭১-৭২ চনৰ ভিতৰত ৰাজ্যিক চৰকাৰৰ অংশৰ টকা দিয়ে তেতিয়া হলে আমাৰ সম্পদ কিছু বাঢ়িব বুলি আশা কৰিব পাৰি।

সি যি কি নহওক, আনকি ইও অৱস্থাৰ উন্নতি সাধন নকৰে

আৰু বিশেষ অৱস্থাৰ (special accommodation) আকাৰত অধিক সাহায্য দি আমাক উদ্ধাৰ কৰিবলৈ ভাৰত চৰকাৰ আগবাঢ়ি আহিব লাগিব। এইটো আমাৰ আশা যে ভাৰত চৰকাৰে আমাৰ অনুৰোধ সহানুভূতিৰে বিবেচনা কৰিব।

মাননীয় সদস্যসকলে উপলব্ধি কৰিব যে ৰাজ্যখনৰ বিত্তীয় অৱস্থা কঠিন হৈয়ে আছে আৰু কিছুদিনলৈ কঠিন হৈ থাকিব। ১৯৬৭ চনৰ পৰা আজিকোপতি এই কালছোৱাৰ ভিতৰত উত্তৰ-পূব অঞ্চলটোত বিভিন্ন কাৰণত বিশেষকৈ ৰাজনৈতিক হিংসাত্মক কাৰ্য্যৰ বাবে ৰাজনৈতিক অস্থিৰতাই দেখা দিছে। ইয়াৰ ফলত ঔদ্যোগিক আৰু বাণিজ্যিক স্থবিৰতা অহাৰ উপৰিও অসমকে ধৰি পূৰ্ব্বাঞ্চলটোত মূলধনৰ নিৰ্গমনো ঘটিছে। সৌভাগ্যৰ কথা সংসদী নিৰ্বাচনত কংগ্ৰেছ ৰাজনৈতিক দলৰ অভাৱনীয় জয়লাভে সম্প্ৰতি এই চিত্ৰপটৰ সমূল পৰিবৰ্ত্তন আনিবলৈ সক্ষম হৈছে। এই বিজয়ে কংগ্ৰেছ ৰাজনৈতিক দলটোক পুনৰ সঞ্জীৱিত কৰি তুলিছে, ৰাজনৈতিক স্থিৰতা আনিছে আৰু ক্ৰমাগত হিংসাত্মক কাৰ্য্যকলাপৰ ভিত্তি নাইকীয়া কৰিছে।

এতিয়া আমি অদূৰ ভৱিষ্যতে সকলো ৰাজ্য চৰকাৰ আৰু অঞ্চলসমূহত ক্ৰমান্বয়ে স্থিৰতা অহাৰ আশা কৰিব পাৰি।

এয়ে নিশ্চয় ঔদ্যোগিক আৰু বাণিজ্যিক বিকাশ সাধন আৰু কৃষিৰ সমৃদ্ধিৰ বাবেও আত্ম-প্ৰত্যয় জন্মাব।

ইতিমধ্যে ৰাষ্ট্ৰক নতুন মনস্তাত্বিক শক্তি যোগোৱা এই আশাবাদৰ সঞ্চাৰ হৈছেই। ইয়াৰ ভিতৰত ক্ৰিকেট খেলত প্ৰভুত্ব লাভ কৰা ওৱেষ্ট-ইণ্ডিজ দলৰ বিৰুদ্ধে ভাৰতীয় ক্ৰিকেট দলে অলপতে লাভ কৰা জয়লাভো ইয়াৰ এটা উদাহৰণ।

অকল এয়ে নহয়। অহিংস অসহযোগৰ যোগেদি "বাংলা দেশ"ৰ জন্ম দিয়া পূব-পাকিস্তানতো পৰিবৰ্ত্তন, বিশ্বাস আৰু জনতাৰ শক্তিয়ে

প্ৰতিষ্ঠা লাভ কৰিছে আৰু শ্বেখ মুজিবুৰ ৰহমানে শক্তিশালী পশ্চিম পাকিস্তানৰ শাসনৰ বিৰুদ্ধে বাংলা দেশৰ অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈও সক্ষম হৈছে। ইয়াৰ ফলত ভাৰত আৰু পাকিস্তানৰ মাজৰ উত্তেজনাৰ হ্ৰাস, সীমান্তৰ ইপাৰ-সিপাৰৰ বাণিজ্য পুনৰ প্ৰতিষ্ঠাত সহায় আৰু আজিকোপতি বন্ধ হৈ থকা নদীপথ উন্মুক্ত কৰি অসমৰ পৰিবহন আৰু যোগাযোগৰ উন্নতি সাধন হোৱাৰ সম্ভাৱনা আছে।

হিংসাত্মক বিপ্লৱৰ আমদানিকৃত কৌশলৰ ঠাইত ভাৰতীয় অহিংস অসহযোগৰ কৌশলৰ যোগেদি এই বৈপ্লৱিক পৰিবৰ্ত্তন অহাতো উচিত হৈছে আৰু ভাৰতীয় উপ-মহাদেশৰ ৰাজনৈতিক জীৱনত ই সুস্থিৰ গতিত প্ৰভাৱ পেলোৱা উচিত। সৰ্বোচ্চ আত্ম-প্ৰত্যয়ৰ আৰু গান্ধীপন্থাৰ অহিংস অসহযোগ আন্দোলনৰ জৰিয়তে বাংলা দেশৰ অভ্যুদয়ে আৰু নব ৰাজনৈতিক আৰু মনস্তাত্বিক শক্তিবিজড়িত কংগ্ৰেছৰ পুনৰ সঞ্জীৱনৰ মিলিত প্ৰভাৱে দক্ষিণ পূব এচিয়াকো নিশ্চয়কৈ প্ৰভাৱান্বিত কৰিব আৰু বিক্ষিপ্তভাবে আৰম্ভ হোৱা হিংসানীতি আৰু কাৰ্য্যকলাপৰ বিৰুদ্ধে ইয়াত স্থিৰতা আনিব।

আশাবাদ আৰু আত্ম-বিশ্বাসৰ বাতাবৰণতে এটা জাতি সজীৱ হৈ উঠে। সংসদী নিৰ্বাচনৰ ফলস্বৰূপে ভাৰতলৈ এই পৰিবেশ উভতি আহিছে। নিৰ্বাচনত শতকৰা এশভাগ কৃতকাৰ্য্যতা লাভ কৰা অসমৰ বুকুলৈকো ই নতুন আত্ম-বিশ্বাস নিশ্চয়কৈ বহন কৰি আনিব।

এই আশাপ্ৰদ বাতাবৰণতেই ভাৰত চৰকাৰে এশ কোটি টকা ব্যয়েৰে বঙাইগাৱঁত পেট্ৰোকেমিকেল চক্ৰ প্ৰযুক্ত এটা শোধানাগাৰ, কাচাৰ আৰু হোজাইত একোটাকৈ দুটা কাগজৰ কল আৰু বোকাজানত এটা বিলাতী মাটিৰ কাৰখানা স্থাপন কৰিবলৈ মনস্থ কৰা আমি দেখিবলৈ পাইছোঁ। ইয়াৰ বাবে ভাৰত চৰকাৰ অসম চৰকাৰৰ শলাগৰ পাত্ৰ। ১৭ কোটি টকা ব্যয়েৰে অসম চৰকাৰে গোৱালপাৰাত এটা কাগজৰ কল, নামৰূপত এটা 'গ্লু' কাৰখানা আৰু কাচাৰত এটা

চেনিকল স্থাপন কৰিবলৈ ইতিমধ্যে ব্যৱস্থা হাতত লৈছে। ইয়াৰ উপৰিও চাৰিআলিত এটা সমবায় চেনিকলো হব ধৰিছে। স্থানীয় কেঁচামালৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠা কৰা হেতুকে এই কাৰখানা-সমূহৰ প্ৰগতিও সুস্থিৰ হ'ব।

সুঅগ্ৰৱৰ্ত্তী পৰিকল্পনাৰ ফলস্বৰূপে আমাৰ সন্মুখত দেখা দিয়া এই ঔদ্যোগিক সম্ভাৱনাৰ লগে লগে সহজে যোগান ধৰিব পৰাকৈ আমাৰ হাতত ৰাহি বিজুলী শক্তি থকাটো সৌভাগ্যৰ কথা। সেয়ে নোহোৱা হলে সম্প্ৰতি উন্নয়ন সম্ভৱ নহলহেঁতেন; কিয়নো বিদ্যুৎ শক্তি উৎপাদনৰ বাবে সুদীৰ্ঘ সময়ৰ আৱশ্যক। উদ্যোগ আৰু জলসিঞ্চনৰ কাৰণে ৰাজ্য-খনৰ ইমূৰৰ পৰা সিমূৰলৈকে ট্ৰেন্সকাণ্ট্ৰি লাইনৰ ( Transcountry Line ) ব্যৱস্থা কৰা হৈছে।

আমাৰ প্লাইউড উদ্যোগৰো যথেষ্ট বিকাশ ঘটিছে আৰু বৰ্ত্তমানে বিদেশৰ বজাৰত ই প্ৰতিযোগিতা কৰিব পাৰিছে। আমাৰ অভিযান্ত্ৰিক উদ্যোগে চাহ-শিল্পৰ সম্পূৰ্ণ চাহিদা পূৰণ কৰিবলৈ সমৰ্থ হৈছে।

আমাৰ চাহ উদ্যোগ আৰু ব্যৱসায় ইতিমধ্যে কৃতকাৰ্য্যতাৰে আৰম্ভ কৰা হৈছে। গুৱাহাটীৰ চাহ-নীলাম কেন্দ্ৰত আনকি উত্তৰ বঙ্গৰ চাহো বিক্ৰী কৰা হৈছে আৰু এই বতৰতে এই বজাৰখনে এখন আন্তৰ্জাতিক চাহ-নীলাম কেন্দ্ৰ হিচাপে সম্পূৰ্ণৰূপে স্থিৰতা লাভ কৰিব পাৰিব বুলি আশা কৰা হৈছে।

এই উন্নয়নসমূহ ফলৱতী হৈ উঠাৰ লগে লগে জন-জীৱনৰ উপৰিও চৰকাৰী বিত্তৰ ওপৰতো ইয়াৰ ক্ৰমাগত প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে।

চৰকাৰে বেঙ্কসমূহ ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণসমূহৰ ভিতৰত এটা হ'ল এয়ে যে, চৰকাৰী চাকৰিৰ পৰিসৰ বঢ়োৱাৰ কাল উকলি গৈছে আৰু আত্ম-নিযুক্তিৰ কাল আৰম্ভ হৈছে। যিহেতু সকলো নিযুক্তিৰ ক্ষেত্ৰতে মূলধন বিনিয়োগৰ প্ৰয়োজন, সেই বাবে সৰ্বসাধাৰণ মানুহ,

ক্ষুদ্ৰ শিল্পপতি, খেতিয়ক, ক্ষুদ্ৰ ব্যৱসায়ী আৰু অন্যান্য লোকৰ বাবে বেঙ্কৰ সা-সুবিধা মুকলি কৰি দিয়া প্ৰয়োজন হৈ পৰিছে।

বেঙ্কসমূহ ৰাষ্ট্ৰীয়কৰণ কৰা দিনৰ পৰা ১৯৭০ চনৰ ডিচেম্বৰ মাহৰ শেষলৈকে ভাৰতত ২৯০০ খন নতুন বাণিজ্যিক বেঙ্কৰ কাৰ্য্যালয় খোলা হৈছে আৰু ইয়াৰ ২৫০০ খন চৰকাৰী খণ্ডত আৰু ইয়াৰ শতকৰা ৭০ ভাগ বেঙ্ক নোহোৱা অঞ্চলত খোলা হৈছে। ১৯৬৯ চনৰ ১৯ জুলাইৰ পৰা ১৯৭০ চনৰ ৩১ ডিচেম্বৰ তাৰিখলৈ এই কালছোৱাৰ ভিতৰত প্ৰতিদিনে গড়ে ৫ খনকৈ নতুন বেঙ্ক কাৰ্য্যালয় খোলা হৈছে। বেঙ্ক ৰাষ্ট্ৰীয়কৰণৰ আগতে যোৱা ৯ বছৰৰ ভিতৰত ইয়াৰ বাৰ্ষিক গড় আছিল মাত্ৰ ৩৬২। অসমত ইয়াৰ সংখ্যা বাঢ়ি গৈ ১৯৬৯ চনৰ ৮১ খনৰ ঠাইত ১৯৭০ চনৰ ডিচেম্বৰ মাহলৈকে ১৩০ খন হয়গৈ। এই কাম চলি আছে। ইয়াৰ ফলত জমাৰ পৰিমাণ বাঢ়ি গৈছে আৰু সৰু সৰু খেতিয়ক, ক্ষুদ্ৰ উদ্যোগপতি, পথ পৰিবহন চালক, আত্ম-নিয়োজিত লোকসকলে ইয়াৰ সুবিধা লবলৈ ধৰিছে। ভাৰতত ৰাজহুৱা খণ্ডত থকা বেঙ্কসমূহৰ পৰা দিয়া সৰ্ব্বমুঠ অগ্ৰিম ধনৰ শতকৰা ২৩·৭ ভাগ ধন এই সৰু সুৰা শ্ৰেণীৰ লোকক দিয়া হৈছে। অসমত প্ৰশিক্ষণপ্ৰাপ্ত এজেন্টৰ অভাৱ হেতুকে এই ব্যৱস্থাদানত কিছুসময় লাগিব। ভাৰতীয় বেঙ্কব্যৱসায় অনুষ্ঠানে অসমৰ বেঙ্ক এজেন্টৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ খুলিবলৈ সন্মত হৈছে। মই আশাকৰো এই সৰুসুৰা ঋণবোৰ সামৰাৰ অৰ্থে ভাৰত চৰকাৰৰ ঋণ জামিন আঁচনিৰ ( credit guarantee scheme ) সুবিধা সোনকালে পোৱা হব। ৰাজনৈতিক দল, সমূহীয়া উন্নয়ন আন্দোলন, কৃষি আৰু উদ্যোগ বিভাগকে ধৰি সমবায় আন্দোলনে আত্ম-বিশ্বাসৰ নতুন বাতাবৰণ কামত খটুৱাব আৰু সমগ্ৰ ৰাজ্যতে বুজন পৰিমাণে আত্ম-নিয়োগৰ মনোভাব গঢ়ি তুলিব পাৰিব বুলি আমি আশা কৰিছো। এই উদ্দেশ্যে ফলপ্ৰসু বিনিয়োগ আৰু নিযুক্তিৰ কাৰণে গাঁৱে-ভুঁঞে সিচৰিত হৈ থকা অব্যৱহৃত সম্পদসমূহকে ধৰি পাৰ্য্যমানে বেঙ্কৰ সা-সুবিধা ব্যৱহাৰ কৰিব লাগিব।

কেৱল চৰকাৰী চাকৰিৰ মুখাপেক্ষী হোৱাতকৈ লাভজনক কৃষি আৰু উদ্যোগৰ কাম-কাজত নিয়োজিত হোৱাৰ প্ৰতি জনসাধাৰণৰ মনোভাব ধাবিত কৰিবলৈ সুচিন্তিত প্ৰচেষ্টা চলাব লাগে। দুগ্ধশালা (ডায়েৰী), হাঁহ-কুকুৰা, শাক-পাচলিৰ খেতি, বাগিছা, মীনমহল, মাংস ইত্যাদিৰ উৎপাদনৰ বাবে বৃহৎ আকাৰত উদ্দেশ্যমুখী ফলপ্ৰসূ ধন বিনিয়োগৰ কাম ব্ৰহলভাবে হাতত লব লাগে যাতে বাহিৰৰ পৰা ৰাজ্যখনলৈ এই দ্ৰব্যসমূহৰ আমদানিৰ পৰিমাণ পাৰ্য্যমানে কমাব পৰা হয়।

ইয়াৰ ফলত উৎপাদন, ব্যৱসায়, পৰিবহন আদিৰ ক্ষেত্ৰত অতিৰিক্ত সুযোগ ওলাব আৰু এই গোটেই বিলাকতে অতিৰিক্ত নিয়োগৰ সুযোগৰো সৃষ্টি হব। বৰ্ত্তমান সময়ত অতিকৈ প্ৰয়োজনীয় কথা হ'ল আত্ম-নিয়োগৰ নতুন আন্দোলনৰ সৃষ্টি কৰা আৰু এই বিষয় সমূহৰ প্ৰতি শিক্ষিত লোকসকলক আকৰ্ষণ কৰা।

এই বিষয়ে মোৰ কোনো সন্দেহ নাই যে বৰ্ত্তমানে ভাৰত আৰু দক্ষিণ পূব এচিয়াত আত্ম-প্ৰত্যয় আৰু স্থিৰতাৰ যি পৰিবৰ্ত্তনৰ বতাহ প্ৰবাহিত হৈছে তাৰ লগে লগে ভাৰতৰ আৰু সমগ্ৰ অসমৰ কল্যাণৰ অৰ্থে এই নতুন ভাবধাৰাই অৰ্থনৈতিক পৰিবৰ্ত্তন নিৰ্দ্ধাৰণ কৰিব।

—জয় হিন্দ্—

পৰিশিষ্ট "ক"

( হাজাৰ টকাৰ হিচাপত )

| শিতান | প্ৰকৃত ১৯৬৯-৭০ | বাজেট ১৯৭০-৭১ | সংশোধিত ১৯৭০-৭১ | বাজেট ১৯৭১-৭২ |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| আয়— | | | | |
| আৰম্ভণিৰ উদ্বৃত্ত — — — | (—) ১৮,১৬,৫০ | (–) ২৪,৯৮,১৩ | (—) ৭,৭৭,১৬ | (—) ৩৯,০২,৮৩ |
| ৰাজহ আয় — — — — | ১১১,০৪,৭৩ | ১,১১,০৩,৪২ | ১,০৭,৮৭,১৪ | ১,১৪,৩৫,৭৩ |
| মূলধন আয় — — — — | ১৬১,০২,০৪ | ১,১৫,২৭,২৯ | ১,১৯,২৯,১০ | ১,১৭,৯১,১৭ |
| উপনিমিত্ত পুঁজি শিতানৰ আয় — | ১,১৯,৭১ | — | ৬,৫৮,২২ | ৭৭,২৭ |
| ৰাজহৱা হিচাপ শিতানৰ আয়— — | ১৪৪,০৬,২৪ | ৪,৬২,৫৮,৭৪ | ১,৩৪,৬০,৬৪ | ১,৫১,৭৮,৬৯ |
| মুঠ আয়— | ৪,১৭,৩২,৭২ | ৬,৮৮,৮৯,৪৫ | ৩,৬৮,৩৫,১০ | ৩,৮৪,৮২,৮৬ |
| সৰ্বমুঠ— | ৩,৯৯,১৬,২২ | ৬,৬৩,৯১,৩২ | ৩,৬০,৫৭,৯৪ | ৩,৪৫,৮০,০১ |

| (১) | (২) | (৩) | (৪) | (৫) |
|---|---|---|---|---|
| ব্যয়— | | | | |
| ৰাজহ ব্যয় .... ... .... .... | ১,২৪,৫৭,৭০ | ১,১০,৬৯,৪২ | ১,১৯,১৮,২৪ | ১,২০,৩০,৩৬ |
| মূলধন ব্যয় ... ... ... .... | ১,৪৩,৩৪,৩৫ | ১,৪৭,২৭,৭৪ | ১,৫০,২২,৩১ | ১,৩১,৪৯,৪৭ |
| উপনিমিত্ত পুঁজি শিতানৰ ব্যয় .... .... | ১৫,১৩ | .... | ৭,০০,০০ | ... |
| ৰাজহৱা হিচাৱ শিতানত ব্যয় ... .... | ১,৩৮,৮৬,২০ | ৪,৪৭,৮০,৬৪ | ১,২৩,২০,২৪ | ১,৩৭,৮১,৩২ |
| মুঠ ব্যয় ... .... | ৪,০৬,৯৩,৩৮ | ৭,০৫,৭৭,৮০ | ৩,৯৯,৬০,৭৯ | ৩,৮৯,৬১,১৫ |
| সামৰণিৰ উদ্বৃত্ত .. | (—) ৭,৭৭,১৬ | (—) ৪১,৮৬,৪৮ | (—) ৩৯,০২,৮৫ | (—) ৪৩,৮১,১৪ |
| সৰ্ব্বমুঠ ... .. | ৩,৯৯,১৬,২২ | ৬,৬৩,৯১,৩২ | ৩,৬০,৫৭,৯৪ | ৩,৪৫,৮০,০১ |
| প্ৰকৃত ফলাফল— | | | | |
| ৰাহি (+) | | | | |
| ঘাটি (—) | | | | |
| (ক) ৰাজহ হিচাপত ... ... | (—) ১৩,৫২,৯৭ | (+) ৩৪,০০ | (—) ১১,৩১,১০ | (—) ৫,৯৪,৬৩ |
| (খ) ৰাজহ হিচাপৰ বাহিৰত... ... | (+) ২৩,৯২,৩১ | (—) ১৭,২২,৩৫ | (—) ১৯,৯৪,৫৯ | (+) ১,১৬,৩৪ |
| (গ) আৰম্ভৰণি উদ্বৃত্তৰ বাহিৰে প্ৰকৃত | (+) ১০,৩৯,৩৪ | (—) ১৬,৮৮,৩৫ | (—) ৩১,২৫,৬৯ | (—) ৪,৭৮,২৯ |

## পৰিশিষ্ট 'খ'

### ১৯৭১-৭২ চনৰ বাৰ্ষিক যোজনা

(খণ্ড হিচাপে কৰা বন্টন)

(লাখ টকাৰ হিচাপত)

| উন্নয়নৰ শিতান | ১৯৭১-৭২ চনৰ সাম্প্ৰতিক বন্টন |
|---|---|
| (১) | (২) |
| ১। কৃষি-উৎপাদন — — — — | ২২৭·৮০ |
| ২। ক্ষুদ্ৰ জলসিঞ্চন— | |
| (ক) কৃষি বিভাগৰ দ্বাৰা — — — | ৯৩·৩০ |
| (খ) গড়কাপ্তানি বিভাগৰ দ্বাৰা (বান-নিয়ন্ত্ৰণ আৰু জল-সিঞ্চন)। | ১৪০·০০ |
| ৩। ভূমি-সংৰক্ষণ | ২০·৫০ |
| ৪। এলেকা-উন্নয়ন কাৰ্য্যসূচী (Ayacut Development Programme)। | ৫·৬০ |
| ৫। পশুপালন — — — — — | ৬৫·৪০ |
| ৬। দুগ্ধশালা আৰু গাখীৰ-যোগান — — — | ১৭·৭০ |
| ৭। বন বিভাগ — — — — — | ৫৫·১০ |
| ৮। মীন-মহল — — — — — | ২৩·৩০ |
| ৯। পণ্যশালা — — — — — | ৩·৭৫ |
| ১। কৃষি-আঁচনি — — | ৬৫২·৪৫ |
| ১০। সমবায় — — — — — | ৬৪·৪০ |
| ১১। সমূহীয়া উন্নয়ন — — — | ৪৬·৭০ |
| ১২। পঞ্চায়ত — — — — — | ১০·২০ |
| ২। সমবায় আৰু সমূহীয়া উন্নয়ন | ১২২·৩০ |

(লাখ টকাৰ হিচাপত)

উন্নয়ন শিতান

| | ১৯৭১-৭২ চনৰ সাম্প্ৰতিক বন্টন |
|---|---|
| (১) | (২) |
| ১৩। মজলীয়া জলসিঞ্চন — — — — | ১১২·০০ |
| ১৪। বানপানী নিয়ন্ত্ৰণ — — — — | ৫২৩·০০(ক) |
| ১৫। বিজুলী শক্তি — — — — | ৭০৯·০০ |
| ৩। জলসিঞ্চন আৰু বিজুলী শক্তি— | ১,৩৪৪·০০ |
| ১৬। বৃহৎ আৰু মাধ্যমিক উদ্যোগ — — — | ২২৪·০০ |
| ১৭। খনিজ উন্নয়ন — — — — | ১৪·৯৫ |
| ১৮। গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগ | |
| (ক) কুটীৰ আৰু ক্ষুদ্ৰায়তন উদ্যোগ — — — | ৩২·২৫ |
| (খ) ৰেচম বয়ন — — | ২৩·৩৫ |
| (গ) সমবায় তাঁত শিল্প | ২২·৪০ |
| (ঘ) খাদী | ৪·১৫ |
| ৪। উদ্যোগ আৰু খনি খনন | ৩২১·১০ |
| ১৯। আলিবাট — — — — | ২৫৭·৩৫ |
| ২০। পথ-পৰিবহন — — — — | ৮৯·৬০ |
| ২১। অন্যান্য পৰিবহন( আভ্যন্তৰীণ জল-পৰিবহন ) — | ১৮·৬০ |
| ২২। পৰ্য্যটন | ৬·৫৫ |
| ৫। পৰিবহন আৰু যোগাযোগ | ৩৭২·১০ |
| ২৩। সাধাৰণ শিক্ষা — — — — | ২৯৬·৮০ |
| ২৪। কাৰিকৰী শিক্ষা — — — — | ৩৯·২০ |
| ২৫। সাংস্কৃতিক কাৰ্য্যসূচী— — — — — | — |
| ২৬। স্বাস্থ্য আৰু পৰিয়াল-পৰিকল্পনা — — | ১১৪·৮০ |

(ক) ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণৰ বাবদ ৪২৯·৬০ লাখ টকা সোমাই আছে।

( লাখ টকাৰ হিচাপত )

উন্নয়নৰ শিতান

| | ১৯৭১-৭২ চনৰ সাম্প্ৰতিক বন্টন |
|---|---|
| ( ১ ) | ( ২ ) |
| ২৭। পানী-যোগান — — — — — | ৮৪·০০ |
| ২৮। গৃহ নিৰ্ম্মাণ — — — — | ২৪·০০ |
| ২৯। চহৰ উন্নয়ন — — — — | ৩৭·০০ |
| ৩০। অনুন্নত শ্ৰেণীসমূহৰ কল্যাণ সাধন ( ভৈয়ামৰ জনজাতি, অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহ ) | ১০৫·০০ |
| ৩১। সমাজ-কল্যাণ — — — — — | ১১·২০ |
| ৩২। শ্ৰম আৰু শ্ৰমকল্যাণ— | |
| (ক) শ্ৰম — — — — | ২·০০ |
| (খ) নিয়োগ — — — — | ১·০০ |
| (গ) কাৰিকৰী-প্ৰশিক্ষণ — — — | ১০·২৫ |
| (ঘ) কৰ্ম্মচাৰীৰ ৰাজ্যিক বীমা আঁচনি — — | ১·০০ |
| ৩৩। জন-সহযোগ — — — — | ... |
| ৬। সমাজ-সেৱা — — | ৭২৬·২৫ |
| ৩৪। পৰিসংখ্যা — — — — | ২·৮০ |
| ৩৫। তথ্য আৰু জনসম্পৰ্ক— — — — | ৬·৫৫ |
| ৩৬। মূল্যাঙ্কন কাৰ্য্যকলাপ — — — — | ১·০০ |
| ৩৭। অন্যান্য— | |
| (ক) পৰিকল্পনা আৰু উন্নয়ন — — — | ১·০০ |
| (খ) স্থানীয় নিকায় — — — | ১৪·৯৫ |
| (গ) অসম চৰকাৰী ছাপাখানা — — — | ১২·৫০ |
| ৭। বিবিধ — — — | ৩৮·৮০ |
| ৩৮। পাৱৰ্বত্য অঞ্চলৰ আঁচনি — — — | ৬৪৪·০০ |
| সৰ্ব্বমুঠ — | ৪,২২১·০০ |

## THE ASSAM AGRICULTURAL INCOME TAX (AMENDMENT) BILL, 1970

Shri Kamakhya Prasad Tripathi (Minister, Finance) - Sir, I beg leave to withdraw the Assam Agricultural Income Tax (Amendment) Bill, 1970 introduced in the last Budget Session of the Assembly under Rule 92 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

Mr. Speaker– Has the hon. Member got the leave of the House to withdraw the Bill.

(Voices: Yes, yes)

Shri Kamakhya Prasad Tripathi– I withdraw the Bill.

## THE ASSAM AGRICULTURAL INCOME TAX (AMENDMENT) BIIL 1971

Shri Kamakhya Prasad Tripathi – Sir, I beg leave to introduce the Assam Agricultural Income Tax (Amendment) Bill, 1971.

Mr. Speaker – Motion moved. Now, there is a message from the Governor. It reads as follows: "I recommend, under the provision of Article 207 (1) of the Constitution of India, the introduction of the Assam Agricultural Income-Tax (Amendment) Bill, 1971, in the Assam Legislative Assembly.

Sd/- B. N. Nehru

Governor of Assam."

Shri Dulal Chandra Barua – I have already opposed it.

Mr. Speaker – No such motion is contemplated under the rules. There is no provision for a motion to oppose the introduction of the Bill. Rule 70 says— "If a motion for leave to introduce a Bill is opposed, the Speaker after permitting, if he thinks fit, a brief explanation statement from the member who moves and from the member who opposes the motion may, without further debate, put the question thereon." Therefore, there is no necessity for such a motion.

Shri Debeswar Sarmah – Sir, I am not opposing it; I am only seeking a clarification. In the extract of Sec. 11 of the Act it has been stated—" provided that if a Hindu undivided or joint family consist of brothers only, or of a brother or brothers and the son or sons of a brother or brothers, the total agricultural income of the family shall be assessed –

(a) at the rate applicable to the share of a brother if such share exceeds Rs. 6,000;

(b) at 2 N.P. in the rupee, it the share of brother is Rs. 6,000 or less."

Then comes the explanation. " For the purposes of this Section,–

(1) the expression ' share of a brother" in the

case of a Joint family governed by Mitakshara law means the portion of the total agricultural income of a Hindu undivided or joint family which would have been allotted to a brother, if a partition of the property of such family had been effected according to the ordinary rules of Hindu Law applicable to such family, on the day before the assessment is made ; and (2) " son " includes a son's and brother includes brother's widow."

Mr. Speaker— The Bill is now in introduction stage.

Shri Debeswar Sarmah – I am seeking some information to instruct myself as to whether there is any disparity between the Dayabhaga Hindu jont family and Mitakshara joint family. In Mitakshara family the property is shared by larger number of people, even the unborn sons. But according to Dayabhaga system, brothers are brothers. Therefore, I am seeking a clarification as to whether there is any disparity in the matter of taxation between the Dayabhaga family and Mitakshara family.

Shri Kamakhya Prasad Tripathi – This Bill has come as a result of a Court decision. It has been said that there is discrimination. I would like to show the Court's decision at the consideration stage.

Mr. Speaker – Has the hon. member got the leave of the House to introduce the Bill ?

( Voices : Yes, Yes )

Shri Kamakhya Prasad Tripathi— I introduce the Bill.

( The Secretary, Assembly read out the title of the Bill )

## THE REVENUE RECOVERY ( ASSAM AMENDMENT ) BILL, 1971

Shri Biswadev Sarma ( Minister, Revenue )— Sir, I beg leave to introduce the Revenue Recovery ( Assam Amendment ) Bill, 1971.

Mr. Speaker – Has the Minister-in-charge, Revenue leave of the House to introduce the Bill ?

( Voices—Yes, Yes )

Mr. Speaker – The leave is granted.

Shri Biswadev Sarma— Sir, I beg to introduce the Revenue Recovery (Assam Amendment ) Bill, 1971.

( The Secretary, Legislative Assembly read out the title of the Bill )

## THE ASSAM PUBLIC PREMISES ( EVICTION OF UNAUTHORISED OCCUPANTS ), 1971

Shri Mahendra Mohan Choudhury ( Chief Minister )–

Sir, I beg to move that the Assam Public Premises (Eviction of Unauthorised Occupants) Bill, 1971 be taken into consideration.

Shri Dulal Chandra Barua - Sir, I move an amendment that the Assam Public Premises (Eviction of Unauthorised Occupants) Bill, 1971 be referred back for eliciting public opinion.

Shri Mahendra Mohan Choudhury - I agree to the motion,

Mr. Speaker - The Motion is that the Assam Public Premises (Eviction of Unauthorised Occupants) Bill, 1971 be circulated for the purpose of eliciting public opinion. The opinion has to be obtained within 31st May, 1971.

Shri Hiralal Patwary - Sir, on a point of clarification, Government has issued an Ordinance in this regard. After the Ordinance has been issued, the Rule is that a bill has to be placed within 6 weeks. Now if the Government circulate the Bill for public opinion, what will happen to the Ordinance.

Shri Mahendra Mohan Choudhury - After 6 weeks from 9th March, the Ordidance will automatically lapse.

Mr. Speaker— The question is that the Assam Public Premises (Eviction of Unauthorised Occupants)

Bill, 1971 be circulated fcr the purpose of Public opinion. The opinion ha to be obtained within 31st May, 1971.

( Nobody opposed )

Mr. Speaker— The Motion is passed.

RESOLUTION : CONVERSION OF JYOTI CHITRABAN INTO A REGISTERED SOCIETY.

Shri Mahendra Mohan Choudhury (Chief Minister)— Sir, I beg to move a Resolution for resolving that the Jyoti Chitraban ( Film Studio ) Kahilipara, Gauhati be converted into Registered Society under the name and title of "Jyoti Chitraban ( Film Studio )" registered under the Societies Registration Act, 1860 ( Act XXI of 1860 ).

*Shri Hiralal Patwary—মই এইটো oppose কৰি কেইটামান কথা কব বিচাৰিছো। মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যিখন প্ৰস্তাব ইয়াত ডাঙি ধৰিছে যে Kahilipara ৰ জ্যোতি চিত্ৰবন Film Studio টো এখন Society ক গতাই দিব বিচাৰিছে। Sir, আমাৰ দেশত সাধাৰণতে, অনুষ্ঠান Society য়ে চলাব নোৱাৰিলে নিজাকৈ চলাবলৈ লয় কিন্তু জ্যোতি চিত্ৰবনৰ ক্ষেত্ৰত কথাটো ওলোটা হৈছে। অবিভাৱকে ছোৱালী বিয়া দিয়াৰ পিছত সেই ছোৱালী আৰু ওলটাই দিয়াৰ কথা নাথাকে

Shri Kamakhya Prasad Tripathi ( Minister, Finance )—আজি

* Speech not Corrected.

কালি ওলটাই দিব পাৰি কাৰণ আজিকালি Divorce আইন বলবৎ কৰা হৈছে।

Shri Hiralal Patwary—অধ্যক্ষ মহোদয়, Studio নিৰ্ম্মাণ কৰি অসম চৰকাৰে প্ৰশংসাৰ পাত্ৰ হল কাৰণ অসম চৰকাৰেই একমাত্ৰ চৰকাৰ যি ৰাজ্যিক পৰ্য্যায়ত Studio টো পাতিছিল। আমি ভাবিছিলো অন্যান্য ৰাজ্যিক চৰকাৰেও এই বিষয়ত আমাৰ চৰকাৰৰ পৰামৰ্শ লব। ১৯৬০ চনৰ Society Registration act মতে Society ৰ যি সকল সদস্য লোৱা হৈছিল তেওঁলোক কোন কোন ? তাৰ লগত চৰকাৰৰ কি সম্পৰ্ক থাকিব ? কাৰণ ইয়াৰ লগত Property প্ৰশ্ন আছে। বহুত টকাৰ যন্ত্ৰপাতি কিনিছে আৰু তাৰ বহুতো যন্ত্ৰপাতি অচল হৈ আছে। এতিয়া চৰকাৰে এই প্ৰতিষ্ঠানটো Divorce কৰি দিয়াৰ পিছত পুনৰ চৰকাৰে লবলগীয়া হয় যদি কি হব ? আমাৰ জ্যোতি চিত্ৰবন Society Act মতে Registration হৈছে নেকি ? যিবিলাক বস্তু চৰকাৰে কিনিছে সেইবিলাকৰ ওপৰত আমাৰ চৰকাৰৰ কৰ্ত্তৃত্ব থাকিব নে নেথাকে। বৰ্ত্তমান এই প্ৰস্তাৱ অনুযায়ী হিচাৰ নিদিলে Society কৰ্ত্তৃপক্ষক কেৱল ৫০০ টকাহে জৰিমনা কৰিব পাৰে তাৰ বাহিৰে একো কৰিব নোৱাৰে। গতিকে Management ৰ কৰ্ত্তৃত্ব চৰকাৰে ৰাখিছে নে নাই। এই বিলাক চৰকাৰে আমাক জানিবলৈ দিয়া নাই। দ্বিতীয়তে জ্যোতি চিত্ৰবন নামটো বোধহয় আমাৰ পূজনীয় জ্যোতি আগৰৱালাৰ নামতেই কৰা হৈছে। গতিকে এই পৰিয়ালটো Transfer কৰিলে জ্যোতি আগৰৱালাকো divorce কৰা নহবনে ? Divorce কৰাৰ আগতে দুয়ো পক্ষই বহুত ভাবি চিন্তিহে Divorce কৰে কিন্তু এতিয়া এনেকুৱাই হব পাৰে যে Divorce কৰা জনে যদি কয় এইটো মোৰ হে ঘৰ মই নাযাও — তেতিয়াহলে Divorce কৰা জনেহে নিজে Divorce হব লাগিব। এই কথাটো মই গভীৰ ভাৱেহে চিন্তা কৰিহে কৈছো, নাভাবাকৈ কোৱা নাই। এই জ্যোতি চিত্ৰবনত যিবিলাক ৰাজহুৱা ধন দিয়া হৈছে কোনোবাই কয় সেই টকা কোনো এজন মানহুক সন্তুষ্ট কৰিবৰ

কাৰণেহে দিছে আকৌ কোনোবাই কয় চৰকাৰে যিবিলাক বস্তু কিনিছে সেই বিলাক বস্তু বেয়া। শ্ৰীভূপেন হাজৰিকাকো কেইজনমান লৰাই নিৰ্বাচনৰ সময়ত প্ৰশ্ন কৰোতে কিছুমান যন্ত্ৰ ভাল নহয় বুলি কৈছিল। গতিকে Society লৈ transfer কৰিলে Society য়ে কি হিচাবে লব সেইটো আমাক জনোৱা হোৱা নাই। এই বিষয়ে আমাক কোনো Detail নিদিয়াৰ কাৰণে অলপ সন্দেহ হৈছে। উদাহৰণ স্বৰূপে মই টংলা Water Supply ৰ কথা কব পাৰো যদিও উদাহৰণটো এই প্ৰসংগত খাপ নাখায়। এই Tangla water supplyটো এতিয়া Town Committee ক দিয়াৰ কথা ওলাইছে কিন্তু এই Water Supply ৰ পৰা মানুহে পানীয়ে নাপায়। P. W. D. Office ত পানী নাই, থানাত পানী নাই আৰু মোৰ ঘৰৰ ওচৰৰ কতো পানী নাই। গতিকে এই Water Supply Town Committee লৈ কি কৰিব ? যি হওক জ্যোতি চিত্ৰবন এটা Society ক দি সেই Society টোক মাৰে কিয় ? চৰকাৰে অনা যন্ত্ৰপাতি বিলাক বেয়া কাৰণেই Society টোক গতাই দি বদনামৰ পৰা হাত সাৰিব খুজিছে নেকি ? এই বিলাক কথা নজনোৱালৈকে আমাৰ আপত্তি আছেই কাৰণ ইয়াত ৰাজহৰা ধন সোমাই আছে। মাটিৰ মূল্য ৮ লাখ টকা আৰু অন্যান্য খৰচ গোটেই খিনি লৈ ২৭ লাখ ৯০ হাজাৰ ৪৩·৭৭ পইচা। তদুপৰি Grade II, Garde IV quarter ৰ কাৰণে ১ লাখ ৩৫ হাজাৰ টকা খৰচ কৰা হৈছে ; Equipment ইত্যাদি ৫ লাখ ৬৫ হাজাৰ। তদুপৰি অন্যান্য খৰচৰ উপৰিও চৰকাৰৰ Liability ও আছে। এই Liability বিলাক আকৌ Govt. ৰ ওপৰতে পৰিব নেকি ? এই বিলাক কথা নজনোৱাৰ কাৰণেই এই প্ৰস্তাৱৰ ওপৰত যথেষ্ট আপত্তি আছে।

Shri Sailen Medhi—মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰস্তাৱ মাননীয় মুখ্য মন্ত্ৰীৰ নামত আছিল, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে সেই প্ৰস্তাৱ ডাঙি ধৰিছে। এই প্ৰস্তাৱৰ সম্পৰ্কে মই দুষাৰমান কবলৈ ঠিয় হৈছো।

Shri Debeswar Sarmah – আজি Society Registration Act মতে to the best of my recollection, under the Socities Registration Act, 1860, registration of society is not for profit.

কিছুমান Capitalist য়ে ছিনেমা কৰিব খুজিছে গতিকে এইটো চৰকাৰে Society ক দি দিলে চৰকাৰৰ বহুতো টকা পইচা লোকচান হব !

Shri Sailen Medhi—মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে অসমৰ ৰাইজ, অসমৰ শিল্পীসকল আৰু জনসাধাৰণে এই Studio পৰা ভবিষ্যতে বহুতো আশা কৰিছিল ; অসমৰ জনসাধাৰণৰ প্ৰচেষ্টাত আৰু তেতিয়াৰ মুখ্য মন্ত্ৰী স্বৰ্গীয় চলিহা দেৱৰ সহযোগত অসমত এইটোৱেই মাত্ৰ উদ্যোগ ৰাজ্যিক খণ্ডত প্ৰতিষ্ঠা হৈছিল আৰু এই লেখিয়া উদ্যোগ গোটেই ভাৰতবৰ্ষৰ ভিতৰত ৰাজ্যিক খণ্ডত কেৱল অসমতহে প্ৰতিষ্ঠা হৈছিল। ইয়াৰ ফলত অসমৰ জনসাধাৰণৰ মনত আশাৰ সঞ্চাৰ হৈছিল আৰু অসমৰ শিল্পীসকলৰ মনত উৎসাহ জাগিছিল। আচৰিত কথা, পোন প্ৰথমেই এই জ্যোতি চিত্ৰবন Studioটো মুকলি কৰিবৰ দিনা স্বৰ্গীয় চলিহা দেৱে 'ভদৰী' নাটকখনিৰ ছুটিং লৈছিল কিন্তু সেই ভদৰী নাটকখন আজিলৈকে সম্পূৰ্ণ হৈ নুঠিল আৰু আমি শুনিবলৈ পাওঁ সেই Camera ৰ ভিতৰত হেনো তেতিয়া Lense য়েই নাছিল। তাৰ পাচত আমি দেখিছিলো গুৱাহাটীৰ D. C. Court ৰ সন্মুখত অসমৰ বিখ্যাত শিল্পীসকলক অনশন ব্ৰত ধৰা আৰু এই অনশন কৰাৰ কাৰণ কি বুলি সোধাত তেখেতসকলে দাবী কৰিছিল যে জ্যোতি চিত্ৰবন studio টোত বহুত কেৰোণ সোমাইছে, এই কেৰোণবোৰ অনুসন্ধান কৰি গুচাব লাগে। মুখ্যমন্ত্ৰী নিজে এই শিল্পীসকলক লগ ধৰিব নোৱাৰিলে কিন্তু তেখেতে আন এজন মন্ত্ৰীক অনশনত শিল্পী সকলক লগ ধৰিব পঠাইছিল। আৰু শেষত এটা অনুসন্ধান কৰাৰ কাৰণে প্ৰতিশ্ৰুতিও দিছিল কিন্তু আচৰিত কথা যে এই অনুসন্ধান চলি থকা অৱস্থাতে চৰকাৰে Studio টো এটা society ক দিব বিচাৰিছে। অসমৰ বিভিন্ন Corporation ৰ কি অৱস্থা হৈছে। State Transport বিভাগ

Corporation হাতত দিবৰ সময়ত ভাবিছিলো হয়তো বহুত উন্নতি হব কিন্তু এতিয়া দেখিছো কোনো বিশেষ উন্নতি নাই । আজি তাৰ চাকৰিয়াল বিলাকক option দিবলৈ কোৱাত তাৰ কৰ্ম্মচাৰীবোৰৰ মাজত বিক্ষোভ হৈছে । তেখেতসকলে কৈছে যে তেখেতসকলৰ দৰমহা আৰু অন্যান্য সা স্থবিধা Corporation ত কেনে ধৰণে হব সেই কথা জনালেহে তেওঁলোকে option দিব পাৰিব । আজিলৈকে Corporation ৰ rules & regulation নোহোৱাত কৰ্মচাৰী সকলে option দিবলৈ অপৰাগ সেয়েহে ধৰ্মঘট ইত্যাদিৰ মাজেৰে তাত অচল অৱস্থাৰ সৃষ্টি হৈছে । এতিয়া আমি শুনিবলৈ পাইছো 8 April তাৰিখে সদৌ অসমতে কৰ্মচাৰী সকলে ধৰ্ম্মঘট কৰাৰ ভাবুকি দিছে । গতিকে জ্যোতি চিত্ৰবনটোও চচাইটিৰ হাতত অৰ্পণ কৰিলে তাৰ কৰ্ম্মচাৰী সকলৰ ভবিষ্যতে কোনো Security নাথাকিব । ফলত তেওঁলোকৰ মাজত দুৰ্যোগ আহি পৰিব । আৰু এটা গুৰুতৰ কথা সোমাই আছে । ইতিমধ্যে বিশ্ববিদ্যালয় আৰু বিভিন্ন নিগম আদি আইনৰ জৰিয়তে কৰা হৈছে আৰু ইয়াৰ Statutory আইন এই বিধান সভাতে পাচ কৰা হৈছে আৰু সেইমতে বিশেষ সা-স্থবিধা দিয়া হৈছে । ইয়াৰ কৰ্ম্মচাৰী সকলক চাকৰীৰ পৰা খেদাবলৈ সংবিধানৰ ৩১১ অনুচ্ছেদ মতে নোটিশ দি খেদাব পাৰিব কিন্তু এইদৰে resolution লৈ এই studio society ক দিলে চাকৰিয়াল সকলৰ কোনো নিৰপত্তা নাথাকিব । এনে এটা ব্যৱস্থা কৰিলে ব্যক্তিগতভাৱে চৰকাৰৰ লগত ইয়াৰ কোনো সম্বন্ধই নাথাকিব । আমাৰ মাননীয় সদস্য শ্ৰী শৰ্মা ডাঙৰীয়াই ইতিমধ্যে কৈ গৈছে এইটো চচাইটি Act মতে register কৰি দিলে লাভজনক কাম হাতত লব নোৱাৰে । সেয়েহে গৰু ম'হ পোহা ফুলবোৰা আদি অনুষ্ঠানহে Society Registration Act মতে Register কৰা হয় । গতিকে এটা প্ৰস্তাৱৰ মাধ্যমেৰে যদি জ্যোতি চিত্ৰবনক society Act মতে register কৰা হয় তেন্তে এইটো বেলেগৰ হাতত এৰি দিয়া হব আমাৰ তাত কোনো হাত নাথাকিব আৰু কৰ্ম্মচাৰী সকলৰ ভবিষ্যত নাইকীয়া হৈ যাব । ফলত অসমত গঢ়ি উঠিব খোজা এই অনুষ্ঠানে সংস্কৃতিৰ বিকাশৰ ব্ৰত কোনো অৰিহনা যোগাব নোৱাৰিব । শুনিবলৈ পাইছো

Studio ৰ কাৰণে যিবোৰ equipments camera আদি কিনিছে সেই বোৰ আওঁ-পুৰণি কিছুমান ১৯৩৮ চনৰে। যিটোৰ আজিকালি আধুনিক যুগত কোনো ব্যৱহাৰত নাহে। কিন্তু চৰকাৰে এতিয়া কৰলৈ বিচাৰে যে Purchage কমিটিত আপোনালোকৰ মাজৰ এগৰাকী সদস্যও আছে। এই কথাটো বৰ্ত্তমান কলে নচলিব কিয়নো তাত Public relation বিভাগৰ যিবিলাক বিষয়া আছিল তেওঁলোকক উলাই কৰি সদস্যগৰাকীয়ে একো কৰিব নোৱাৰে। গতিকে তেওঁলোকেই মূলতঃ দায়ী। চৰকাৰে লাখ লাখ টকা খৰচ কৰি অসমৰ এক মাত্ৰ Studio টোলৈ বাজে কিছুমান সৰঞ্জাম কিনাটো বৰ দোষণীয় কথা। গতিকে studio টো এটা register society ৰ হাতত এৰি দি গা এৰি দিবৰ বিশেষ চেষ্টা কৰিলে নহৰ। স্বৰ্গীয় মুখ্যমন্ত্ৰী শ্ৰীচলিহা দেৱে যি আশা দিছিল আজি নতুন মন্ত্ৰী সভাই সেই আশাত মৰিমুৰ কৰিব বিচাৰিছে। এই সংক্ৰান্তত যেতিয়া আমাৰ অসমৰ বিখ্যাত শিল্পী শ্ৰীনিপন গোস্বামী, বিজয় শঙ্কৰ দাস আদিয়ে অনশন কৰিছিল তেওঁলোকক মন্ত্ৰীৰ জৰিয়তে প্ৰতিশ্ৰুতি দিছিল যে এই সম্পৰ্কে অনুসন্ধান কৰি জনাম। কিন্তু আজি সেই অনুসন্ধান চলি থকা অৱস্থাতে জ্যোতি চিত্ৰবনক এটা চছাইটিৰ হাতত অৰ্পণ কৰিব খোজাত আমি ঘোৰ প্ৰতিবাদ জনাইছো আৰু প্ৰস্তাৱটি উঠাই লবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

Shri Kamini Mohan Sarma—অধ্যক্ষ মহোদয়, জ্যোতি চিত্ৰবন সম্পৰ্কে যিটো প্ৰস্তাৱ আনিছে তাৰ মই ঘোৰ বিৰোধিতা কৰিছো। কাৰণ এই জ্যোতি চিত্ৰবনটোই হৈছে অসমৰ একমাত্ৰ আধুনিক পৰ্য্যায়ৰ কৃষ্টি বিকাশৰ স্থল। অসমত আৰু দ্বিতীয় এনে ধৰণৰ অনুষ্ঠান নাই। এই অনুষ্ঠানটো স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা অসমৰ ভূতপূৰ্ব মুখ্য মন্ত্ৰীয়ে অতি হেপাহেৰে অসমৰ শিল্পী সকলক সুবিধা দিবৰ কাৰণে অসমৰ কৃষ্টি বিকাশৰ কাৰণে হাতত লৈছিল। এনেকুৱা এটা অনুষ্ঠান গঢ়ি উঠিবলৈ যাওঁতে হঠাতে কিয় কেৰোণ লাগিল? আমি দেখিছো যি সকল গায়ক, নাট্যকাৰ শিল্পী তেওঁলোকে ইয়াৰ প্ৰকৃত ব্যৱস্থা কৰাৰ কাৰণে বেমেজালি দূৰ কৰাৰ কাৰণে তথ্যপাতি সংগ্ৰহৰ

দাবী কৰি অনশন কৰিছিল। আমি গুৱাহাটী মহানগৰীত বহু ওৱালত ৰঙা কলা চিয়াহীৰে লিখা পোষ্টাৰ জ্যোতি চিত্ৰবনৰ কেলেঙ্কাৰী দূৰ কৰাৰ কাৰণে বিহিত ব্যৱস্থা লব লাগে বুলি কাগজে পত্ৰই ছপা কৰি মৰা দেখিছিলো ।

অসমৰ একমাত্ৰ কৃষ্টি সভ্যতা ৰক্ষা কৰা এই জ্যোতি চিত্ৰবন অনুষ্ঠানটিক আজি এটা ৰেজিষ্টাৰ্ড চচাইটিৰ হাতত যদি তুলি দিয়া হয় তেনেহলে এই অনুষ্ঠানটিক অকালতে মোহাৰি পেলোৱাৰ দৰে হব। আমি বহুতো চচাইটি দেখিছো যি অকালতে মষিমূৰ হৈ নাইকীয়া হৈ গৈছে। আজি পৰিবহন নিগম কৰিছে—আগতে চৰকাৰৰ হাতত থকাত ই চলি আছিল কিন্তু নিগম কৰাৰ লগে লগে জানিব পাৰিছো কৰ্ম্মচাৰী সকলে এই ২৪ তাৰিখৰ পৰা ধৰ্ম্মঘট কৰিবলৈ আগবাঢ়ি আহিছে। আজি এই নিগমত আমি ভৈয়াবহ কাণ্ড দেখিবলৈ পাইছো— নিয়োগৰ ক্ষেত্ৰত লাহে লাহে বহুতো লোক সুযোগ সুবিধাৰ পৰা আঁতৰি আহিব ধৰিছে। গতিকে অসমৰ সংস্কৃতি বিকাশৰ আধুনিক পৰ্য্যায়ৰ এই অনুষ্ঠানটি যদি Registered Society ৰ হাতত তুলি দিয়া হয় তেনেহলে এই কমিটি অকালতে মৰহি যাব। অসমৰ প্ৰকৃত ৰূপ কথা ছবিৰ যোগেদি বিকাশৰ যি ব্যৱস্থা প্ৰকাশ নাপাব আৰু অসমৰ লাভৰো কোনো পথ নাথাকিব। অসমত বাঢ়ি অহা উদ্যোগৰ এহাতে ক্ষতি হোৱাৰ লগে লগে ন-পুৰণি শিল্পী সমাজৰ প্ৰকৃত সমাদৰ কমি যাব।

( সময়ৰ সংকেত )

গতিকে মই আজি ঘোৰ বিৰোধীতা কৰিছোঁ যে এই অনুষ্ঠানটি চৰকাৰৰ হাতত ৰাখিব লাগে আৰু যিবোৰ পুৰণিকলীয়া মেচিন আনিছে তাৰ সঠিক বিচাৰ হব লাগে। ইয়াকে নকৰি এই অনুষ্ঠানটি ভৰিৰে ঠেলি পেলালে অসমৰ কৃষ্টি জগতক বহুতো অন্যায় কৰা হব।

Shri Dulal Chandra Barua – माननीय অধ্যক্ষ মহোদয়, মই এই সম্পৰ্কত কেইটিমান কথা কওঁ বুলি ভাবিছোঁ। ইয়াতে Objects and Reason ত লিখিছে ঃ For speedy commissioning of Jyoti Chitraban ( Film Studio ) it is considered necessary to transfer its management to an Autonomous Body along with its existing assets and liabilities.

আজি এই Resolution টোৰ দ্বাৰা এইটোকে বুজা যায় যে আজি অসম চৰকাৰে আমাৰ ৰাইজৰ, অসমৰ জনসাধাৰণৰ ইমান দিনে আশা কৰি অহা বস্তু, তাক কোনো ৰূপতেই ৰূপ দিব নোৱাৰিলে। তেওঁলোক ব্যৰ্থ হল। তেওঁলোকে কান্ধৰ পৰা দায়িত্ব এৰাবৰ কাৰণে আৰু বদনামৰ হাত সাৰিবলৈকেই এইটো কৰা বুলি ভাবোঁ। আমাক আভুৱা ভাবিবলৈ কৰা চৰকাৰৰ এই প্ৰচেষ্টা ফলৱতী হলে আমাৰ ৰাইজৰ, জনসাধাৰণৰ আশা-আকাঙ্খাৰ বস্তুটো অথলে যাব। আমাক যদি আভুৱা ভাবিবলৈ খোজাই নাই তেনেহলে এই বছৰৰ বাজেটত এই বিষয়ত এটা পইচাও নধৰাৰ কাৰণ কি? চলিহা জীয়াই থাকোঁতে জ্যোতি চিত্ৰবন সম্পূৰ্ণ কৰিম বুলি আশা কৰিছিল; অসমৰ কলা-কৃষ্টি, ভাষা-সংস্কৃতিৰ বিকাশ সাধন কৰিবলৈ ইচ্ছা কৰিছিল; কিন্তু চলিহাৰ মৃত্যুৰ পাচতে এই চৰকাৰে, নতুন মন্ত্ৰী সভাই সেই কথা পাহৰি গ'ল। সেয়েহে বাজেটত এটা পইচাও সাহায্যৰ নামত নধৰি এটা ৰেজিষ্টাৰ চোচাইটিক এই চিত্ৰবনৰ ভাৰ দি গা এৰা দিয়াৰ দিহা কৰিব খুজিছে। আজি দেখা যায় যিমান বিলাক Corporation বা নিগম গঠিত হৈছে সেই আটাইবিলাক নিগমতেই ঘূণে ধৰিছে। কোনো এটা নিগমেও ভাল ফল দিব পৰা নাই।

বৰ্ত্তমান জ্যোতি চিত্ৰবনৰ কাৰণেও তেনে এটা নিগম কৰি সম্পূৰ্ণ চিত্ৰবনৰ ভাৰ তেনে এটা ঘূণে ধৰা নিগমৰ হাততেই অৰ্পন কৰিব খুজিছে। ইতিমধ্যে জ্যোতি চিত্ৰবনৰ কাৰণে বস্তু-বাহানি কিনাৰ ক্ষেত্ৰত দুৰ্নীতিৰ গোন্ধ বাককৈয়ে ওলাইছে। সেই গোন্ধ দূৰ কৰিবলৈ চেষ্টা

নকৰি এটা নিগমৰ হাতত ইয়াৰ ভাৰ অৰ্পন কৰিলেই দায়িত্ব সম্পাদন কৰা হব জানো ? মই দাবী কৰো, অতি সোনকালে চাৰিওফালে বিয়পি পৰা ইয়াৰ গোন্ধ নিৰ্মূল কৰিব লাগে। ই বৰ লাজ আৰু পৰিতাপৰ কথা। বিত্তমন্ত্ৰী ডাঙৰীয়া শ্ৰদ্ধাভাজন লোক। তেখেতে মিতব্যয়ীতা কৰা বুলি কৈছে কিন্তু তেখেতৰ ভাষণত এই চিত্ৰবনৰ একাষাৰ কথাও উল্লেখ নথকাতো এটা পইচাও নধৰাটো সঁচাকৈয়ে বৰ দুখৰ কথা।

মই কওঁ আমাৰ চিত্ৰবনটো কোনো এটা ৰেজিষ্টাৰ চোচাইটিৰ হাতত পেলাই নিদি Advisory Board ৰ জৰিয়তে চৰকাৰে নিজহাতে কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰাটো উচিত হব। বৰ্ত্তমানে কাগজে-পত্ৰে যি বিলাক কলংকৰ কথা শুনিবলৈ পাইছো সেই বিলাক ভালকৈ অনুসন্ধান কৰিব লাগিব। অনুষ্ঠানৰ কাম সম্পূৰ্ণ নৌহওঁতেই ইয়াক বেমেজালিয়ে দেখা দিছে। কিন্তু এই চিত্ৰবন Studio টোৰ কাৰণেই ৺ফণী শৰ্মা ডাঙৰীয়াই বাৰে বাৰে চিঞৰি গ'ল, তেজ বতিয়াই বতিয়াই মৃত্যুৰ সময়লৈকে সেই কথা মনত পেলাই গ'ল ; বিষ্ণু ৰাভা দেৱে এই চৰকাৰৰ আগত অসমৰ কলা-কৃষ্টি ভাষা-সংস্কৃতি বিকাশৰ বাবে কিমানবাৰ অনুৰোধ জনালে, তথাপিতো সেই চিত্ৰবন, কথাছবি নিৰ্মাণৰ কাৰণে আগবাঢ়ি অহা এচাম অসমীয়া শিল্পীৰ বহু আশাৰ বস্তু সেই Studio ৰ কি প্ৰতিচ্ছবি আমি দেখিবলৈ পাইছো। কেৱল কথাৰ ফুলজাৰি মাৰি থাকিলেই নহব। মুখ্য মন্ত্ৰী ডাঙৰীয়াই ডাঙৰ ডাঙৰ মিটিং পাতি বক্তৃতাৰ মাধ্যমেৰে জনসাধাৰণক আশ্বাস দিলেই নহব ; তাক কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰিব লাগিব। অহোপুৰুষাৰ্থ কৰিব লাগিব। কেৱল জাতীয় স্বাৰ্থৰ কথা কৈ, কলা-কৃষ্টি বিকাশৰ কথা কৈ থাকিলেই কোনো কামত নাহিব যদিহে তাক কাৰ্য্যত পৰিণত কৰাৰ চেষ্টা নকৰে। মই কব খুজিছোঁ ইয়াৰ দায়িত্ব চৰকাৰৰ, ইয়াক কাৰ্য্যত পৰিণত কৰাৰ কৰ্ত্তব্য চৰকাৰৰ। যদি ইয়াৰ বাবে জনসাধাৰণ আৰু সদনৰ সদস্যসকলৰ সহায় সহযোগিতা চৰকাৰে বিচাৰে তেনেহলে সেই সহযোগ আমি অকুন্ঠ চিত্তেৰে আগবঢ়াম।

চিত্ৰবনৰ কাৰণে বস্তু-বাহানি কিনা সম্পৰ্কত আমাৰ মাজৰো এজন সদস্য থকা বুলি কৈছে কিন্তু মই তেখেতক সুধি গম পাইছোঁ যে এবাৰ মাত্ৰ এই সম্পৰ্কত বোম্বাইলৈ যোৱাৰ বাহিৰে তেওঁৰ পৰা কোনো দিহা-পৰামৰ্শ লোৱা নাই নাইবা তেখেতক কোনো কথা জনোৱাও নাই। তাৰ পিচত So-Called বিশেষজ্ঞ সকলে বস্তু কিনি আছে। যিবিলাক কেমেৰা কিনিছে তাত আজিৰ দিনৰ, আধুনিক যুগৰ ৰীল Fit কৰিব নোৱাৰে । অন্য হাতে কিছুমান Instrument আনিছে মাত্ৰ কিছুমান দালালৰ লগত লাভৰ বন্দৰস্তি কৰি পেলাই থবলৈ বুলিহে ; কামত লগাবলৈ নহয়। এই বিলাক টকা-পইছা খোৱাৰহে ব্যৱস্থা কৰিছে। অসমৰ অতীত-ভৱিষ্যত কলা-কৃষ্টি বিকাশৰ গুৰি ধৰোতা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু নটসূৰ্য্য ফণী শৰ্মা দেৱক আপুনিও জানে অধ্যক্ষ মহোদয়। তেখেতসকলৰ হাজাৰ অনুৰোধকো উপেক্ষা কৰি এই চিত্ৰবন Studio এতিয়াও অসম্পূৰ্ণ গতিত দুৰ্নীতিৰ মেৰপাকত ঘূৰিব লাগিছে । ইয়াৰ বাবে কোন দায়ী ? ইয়াৰ বাবে জোৰ অনুসন্ধান কৰি প্ৰকৃত দোষী বিচাৰি অনুষ্ঠানটো সুচাৰুৰূপে চলোৱাৰ ব্যৱস্থা নকৰি এটা ৰেজিষ্টাৰ চোচাইটিক দিলেই এই বিষয়ত চৰকাৰৰ দায়িত্ব পালন কৰা হবনে ?

গতিকে মই আপোনাৰ জৰিয়তে বিত্ত মন্ত্ৰী আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াক পুনৰ অনুৰোধ কৰো যাতে এই Resolution টো উঠাই লয় আৰু Studio ৰ কাম সোনকালে সম্পূণ কৰি ৰাইজৰ আশা-আকাংখা পূৰণ কৰে।

Mr. Speaker – আপোনালোক প্ৰত্যেকেই ৫ মিনিটকৈ কওক—৪.১৫ লৈকে। তাৰ পাচত Minister এ কব ।

*Shri Premadhar Bora – মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এই প্ৰস্তাবটো উঠাই লবলৈ মই চৰকাৰক অনুৰোধ কৰিছো। কাৰণ

* Speech not corrected.

আমাৰ ৰাজ্যৰ চৰকাৰী খণ্ডত এই প্ৰতিস্থানটো যদি Society লৈ পৰিবৰ্ত্তন কৰে তেতিয়াহলে আমাৰ একো আপত্তি নাই যদি এই ৰাজহুৱা খণ্ডৰ অনুস্থানটো জ্যোতি চিত্ৰবনৰ ঠাইত "দিব্য চিত্ৰবন" Society কৰে। বহু অৰ্থ ব্যয় কৰি এই চৰকাৰী খণ্ডত প্ৰতিস্থা কৰা জ্যোতি চিত্ৰবনখন Company কৰি কেইজনমান লোকৰ হাতত Society কৰি এৰি দিয়া হয় তেনেহলে আমি অন্য ধৰণেৰে বুজিবলৈ বাধ্য হম। পূৰ্ব্বতে এই চিত্ৰবন Studio টো আমাৰ মুখ্য মন্ত্ৰী, বিধান সভাৰ সদস্য, শিল্পী, গায়ক, অভিনেতা আৰু অভিনেত্ৰী সকলৰ প্ৰচেষ্টাত প্ৰতিস্থিত হৈছিল। এতিয়া যদি এই জ্যোতি চিত্ৰবন Studio টো ৰাজহুৱা খণ্ডত ইমান টকা খৰচ কৰি ইয়াৰ কাম সম্পূৰ্ণ নৌহওতেই মাজতে Society লৈ পৰিবৰ্ত্তন কৰা হয় তেতিয়া হলে ইয়াৰ উদ্দেশ্য সফল নহব। কাৰণ অসমৰ যিবিলাক কলামোদী শিল্পী তেওঁলোকৰ আবেগিক অনুভূতিৰ কাৰণে আৰু ৰাজ্যৰ ভিতৰত কৃষ্টি কলাৰ বিকাশৰ কাৰণে চৰকাৰে ইমান টকা দিছিল। যদি এতিয়া কিবা ভিতৰুৱা কাৰণত অনুস্থানটো Society লৈ পৰিবৰ্তিত কৰা হয় তেনেহলে এই অনুস্থানত জৰিত পৰিচালক সকলৰ কোনে কি কৰিলে সেইটো পৰীক্ষা কৰিব লাগিব। অকল Society পৰিবৰ্ত্তন কৰিলেই জ্যোতি চিত্ৰবনৰ উদ্দেশ্য সফল নহব। গতিকে মই কব খুজিছো এই প্ৰস্তাবটো চৰকাৰে উঠাই লওক আৰু চৰকাৰে যিমান টকা খৰচ কৰিলে আৰু সিমান খৰচ কৰি অনুস্থানটো সম্পূৰ্ণ কৰক।

Shri Giasuddin Ahmed – Sir, I have a point of order on this Resolution. So far as I understand, this resolution is not acceptable. The Resolution reads like this, "This Assembly do now resolve that Jyoit Chitraban ( Film Studio ) Kahilipara, be converted in Registered Society under the name and title of "Jyoti Chitraban ( Film Studio )" registered under the

Societies Registration Act, 1860.

I do not know how we can pass a resolution like this. This proposed Society is going to be registered or is proposed to be registered under the Societies Registration Act, 1860. We have the Societies Registration Act here and some methods and procedure have been laid down for registration of a Society. I would like to refer to section 1 of the Societies Registration Act, 1860. It reads thus : "Any seven or more persons associated for any literary, scientific, or charitable purpose, or for any such purpose as is described in section 20 of this Act, may, by subscribing their names to a memorandum of association, and filing the same with the Registrar of Joint stock Companies form themselves into a society under this Act". We cannot pass a resolution here and form a society. Seven persons or more must be associated for any purpose in order to form a Society. This resolution is illegal and cannot be allowed. Apart from the merits or demerits of the resolution I would like to submit that is an illegal resolution which this house cannot adopt. Further this is not in proper form. We have got nothing to do with forming a Society. If the artists, or film actors or actresses want to form a society they can do it. The law is there and this august House cannot do it by adopting a resolution.

We cannot convert the Studio into a Society by means of a resolution.

Shri Kamakhya Prasad Tripathy (Minister, Finance)—May I submit, Sir, that the point of order is no point of order. No Article under the Constitution or no rule in our Assembly debates has been pointed out which contravenes bringing of such a resolution. What has been pointed out is the necessity of certain procedure to get a society registered. To-day this resolution is not for registration of a Society. To-day, the House if in its wisdom decides that a society may be registered in that case necessary steps will be taken according to provisions of the Act for the purpose of registration. That will be a subsequent issue. Today the House is to decide whether the House approves the idea in principle that such a society be registered. Therefore, it has nothing to do with the procedure.

Mr. Speaker —The point of order does not lie here as he says. The point lies here is whether it contraavenes any articles of the Constitution or any rules of this House. There is no violation of any article of the Constitution or any rules of this House. Therefore the point of order is out of order. As regards the competence of the House, this is for the House to decide. The Government has

brought a resolution. It is for the House to decide whether it is to be adopted or not.

*Mr. Shamsul Huda—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন চাহাবে যিটো point of order উঠাইছিল সেইটোত আপুনি ৰুলিং দি out of order কৰিলে। আপোনাৰ ৰুলিঙৰ প্ৰতি সন্মান দেখুৱাই মই কব খুজিছো যে we can adopt by a registered Society. এই খিনিও কলে—by registering under Societies Act. মই কব খুজিছো ইয়াত 'convert' শব্দটো ৰাখিব নালাগে। We may use the word that let us hand over the Jyoty Chitraban to such and such society to be registered or already registered under Societies Act. গতিকে আপুনি যি ৰুলিং দিলে সেই ৰুলিঙৰ সাপেক্ষে আপোনাৰ জৰিয়তে নিবেদন কৰো যে, প্ৰস্তাবটোৰ পৰা 'Convert' শব্দটো গুচাই 'Hand over' কৰিব লাগে।

এতিয়া মই মূল বিষয়ৰ কথালৈ আহো যে এই প্ৰস্তাবৰ যোগেদি Studio টো Society ৰ হাতলৈ নিদি অসমীয়া ভাষা, কৃষ্টি, চলচিত্ৰ আৰু শিল্পৰ খাতিৰত এই প্ৰচেষ্টা পৰিহাৰ কৰি প্ৰস্তাবটো উঠাই লবলৈ চৰকাৰক অনুৰোধ জনাও। অসমৰ চলচিত্ৰ জগত বা সূক্ষ্ম শিল্পৰ ক্ষেত্ৰ ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অতিকৈ পিচপৰা। ইয়াৰ উন্নতি সাধনৰ অৰ্থে এই প্ৰতিষ্ঠানটো চৰকাৰী খণ্ডত কৰা হৈছিল। আজি অসমৰ ভাষা-কৃষ্টি, কলা, সাহিত্য এই বিলাকৰ উৎকৰ্ষ সাধন কৰি অসমক অন্যান্য ৰাজ্যৰ সমপৰ্যায়লৈ আনিবৰ কাৰণে চৰকাৰী খণ্ডত চলচিত্ৰ শিল্প প্ৰতিষ্ঠা কৰাৰ বাবে অসমৰ ৰাইজে চৰকাৰৰ ওচৰত আবেদন জনাইছিল, আন্দোলন কৰিছিল। চলিহা মুখ্যমন্ত্ৰী হৈ থাকোতে অতি আগ্ৰহেৰে সৈতে জনসাধাৰণৰ গণতান্ত্ৰিক দাবীৰ প্ৰতি

* Speech no corrected.

শ্ৰদ্ধাৰে গ্ৰহণ কৰিছিল। কিন্তু আজি দেখা যায় যে—মুখ্যমন্ত্ৰী চলিহা ডাওৰীয়াৰ মৃত্যু হোৱাৰ লগে লগে, মন্ত্ৰীসভা বদলি হোৱাৰ লগে লগে নতুন মন্ত্ৰীসভা হোৱাৰ লগে লগে সেই গণতান্ত্ৰিক প্ৰতিশ্ৰুতি, গণতান্ত্ৰিক দাবীৰ প্ৰতি আৰু যি কৰ্তব্য হাতত লৈছিল তাৰ প্ৰতি বিশ্বাসঘাটকতা কৰিছে। সম্পূৰ্ণ ভাবে বিশ্বাসঘাটকতা কৰিছে কাৰণ জ্যোতি চিত্ৰবন পূৰ্ণাঙ্গ হবলৈ নাপালে, চালো হবলৈ নাপালে তাৰ আগতে চৰকাৰে এইটোৰ পৰা হাত সাৰিব বিচাৰিছে। সেই দায়িত্বৰ ত্ৰাণ পাবৰ কাৰণে ব্যৱস্থা কৰিছে। জ্যোতি চিত্ৰবন পূৰ্ণাঙ্গ হোৱাৰ আগতে তাৰ যি মূল উদ্দেশ্য আছিল সেই উদ্দেশ্য পূৰ্ণ হোৱাটো দূৰৰ কথা, আৰম্ভ হোৱাৰ আগতে চৰকাৰৰ ওপৰত যি কৰ্তব্য ন্যস্ত কৰা হৈছিল, যি আশা আছিল আৰু যি প্ৰতিশ্ৰুতি কৰিছিল, সেই কৰ্তব্যৰ পৰা চৰকাৰ আঁতৰি আহিছে, ফালৰি কাটি আহিছে। এই ক্ষেত্ৰত চৰকাৰে জনসাধাৰণৰ দাবীৰ প্ৰতি আৰু নিজৰ কৰ্তব্যৰ প্ৰতি সম্পূৰ্ণভাৱে বিশ্বাস ঘাটকতা কৰিছে। অধ্যক্ষ মহোদয়, এই জ্যোতি চিত্ৰবন যেতিয়া প্ৰতিষ্ঠা কৰিবলৈ লোৱা হয় চৰকাৰী খণ্ডত, তেতিয়া আমি দেখিছিলো যে—ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা এটা প্ৰচেষ্টা চলিছিল যাতে অসমত চৰকাৰী খণ্ডত জ্যোতি চিত্ৰবন প্ৰতিষ্ঠা হৈ নুঠে। অসমত চাহৰ নীলাম বজাৰ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতেই কেইটামান বাধা হৈছিল। ঠিক সেই দৰে অসমত যাতে জ্যোতি চিত্ৰবন প্ৰতিষ্ঠা নহয় তাৰ কাৰণে প্ৰচেষ্টা চলাইছে। কাৰণ জ্যোতি চিত্ৰবন অসমত প্ৰতিষ্ঠা হলে, এই কথা সঁচা যে অসমে চলচিত্ৰ জগতত দোপত দোপে আগবাঢ়ি যাব আৰু ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগত অসমে সমানে খোজ মিলাই আগবাঢ়িব। অসমত চিত্ৰবন প্ৰতিষ্ঠা হলে আন্তৰ্জাতিক চলচিত্ৰ প্ৰতিযোগিতাত অসমেও আন ৰাজ্যৰ দৰে আগবাঢ়ি যাব। সেই কাৰণে অসমত চলচিত্ৰ পূৰ্ণ হোৱাত, বিকাশ সাধন লাভ কৰাত সকলো ফালৰ পৰা বাধা আহিছে। তথাপিও এই বাধা সফল হব নোৱাৰিলেহেঁতেন কিন্তু আজি সেই বাধা দিয়াত শক্তিসমূহ কৃতকাৰ্য্য হ'ল—চৰকাৰৰ নতুন মন্ত্ৰীসভাৰ জৰিয়তে। অসমত চলচিত্ৰ শিল্প প্ৰতিষ্ঠা হলে অকল যে অসমত বিকাশ সাধন লাভ কৰিব

এইটো নহয় ; আজি ভাৰতবৰ্ষৰ পূৰ্ব্বাঞ্চলত থকা মণিপুৰ, নেফা, মেঘালয় আদিৰো বিকাশ সাধন লাভ কৰাত এটা বিৰাট সহায়ক হব। আজি জ্যোতি চিত্ৰবন পূৰ্ণ হ'লহেঁতেন, কিন্তু তাৰ মূলতে দেখা গ'ল যে চৰকাৰে কুঠাৰাঘাট কৰিব খুজিছে। অসমৰ শিল্প সাহিত্য বা অসমৰ চলচিত্ৰ শিল্পৰ বিকাশ সাধন লাভ কৰাত এটা ব্যৱসায়িক দৃষ্টিভঙ্গি জড়িত আছে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত যিবিলাক Studio আছে, তেওঁলোকে জানে যে—অসমত চৰকাৰী খণ্ডত জ্যোতি চিত্ৰবন সুচাৰুৰূপে চলিলে, সুপ্ৰতিষ্ঠিত হলে, সুনাম অৰ্জ্জন কৰিব আৰু সুখ্যাতি লাভ কৰিব, বিৰাট কৃতকাৰ্য্যতা লাভ কৰিব। তেতিয়া তেওঁলোকৰ ব্যৱসায়ৰ যিটো প্ৰসাৰতা বা Volume of business সেইটোত আঘাত কৰিব । সেই ফালৰ পৰা বিভিন্ন ৰাজ্য আজি আনন্দিত হৈছে। মোৰ সন্দেহ হৈছে হয়তো এনেকুৱা হব পাৰে—জ্যোতি চিত্ৰবন পৰিচালক যি সকল আছে তেওঁলোকৰ লগত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ চিত্ৰ প্ৰতিষ্ঠাতা সকল, চিত্ৰ প্ৰতিযোগী সকলৰ মালিক সকলে ষড়যন্ত্ৰ কৰি ষড়যন্ত্ৰমূলকভাৱে আমাৰ আশা-আকাঙ্খাত আৰু শিল্প প্ৰচেষ্টাৰ আৰম্ভণীতে চেঁচাপানী পেলোৱাৰ ব্যৱস্থা কৰিছে।

অধ্যক্ষ মহোদয়, মই আগতেও কৈছো আৰু এতিয়াও অনুৰোধ কৰিছো চৰকাৰে এই প্ৰস্তাৱটো উঠাই লওক। চৰকাৰৰ প্ৰচেষ্টাৰ মাজেদি বৰ্ত্তমানৰ যিসকল পৰিচালক আছে, সেই পৰিচালকৰ জৰিয়তে এই জ্যোতি চিত্ৰবন পূৰ্ণ কৰাত গুৰুত্ব দিয়ক। পইচা খাবৰ কাৰণে পুৰণি বস্তু কিনি আনিছে। অতি সোনকালে সেইবিলাক replace কৰাৰ ব্যৱস্থা কৰক, নতুন বস্তু কিনি আনক। ৰাইজে টকা দিছে, লোকচান হলে, দৰকাৰ পৰিলে আকৌ টকা দিব। চোচাইটিৰ হাতত যাতে নিদিয়ে। চোচাইটিৰ হাতত দিলে আমি দেখিছো 'এপেক্স মাৰ্কেটিঙৰ কি অৱস্থা হ'ল, ৰাজ্যৰ অন্যান্য চোচাইটিৰ কি অৱস্থা হৈছে, সেইটো আমি দেখিছো। সেই ফালৰ পৰা কৈছো, চোচাইটিৰ হাতত নিদি ব্যৱসায়িকৰ হাতত ঠেলি নিদি চৰকাৰী খণ্ডত দিবলৈ চৰকাৰক অনুৰোধ জনালো।

Sri Kamakhya Prasad Tripathy—মাননীয় সদস্যসকলে কিছুদিন আগত কৈছিল যে Hunger Strike ৰ বিষয়ে কি হ'ল । যি সকলে Hunger Strike কৰিছিল, তেওঁলোকৰ দুটা মূল দাবী আছিল । এটা হল তদন্ত কৰিব লাগে আৰু এটা হ'ল ইয়াৰ এটা বেলেগ autonomous body কৰি দিব লাগে । এতিয়া মাননীয় সদস্যসকলে কৈছে যে তদন্ত হব লাগে । আৰু আমি ইতিমধ্যে তদন্ত কৰিবলৈ ৰাজি হৈছো । গতিকে তাত সন্দেহ থাকিব নালাগে । দ্বিতীয় কথা হ'ল Advisory কমিটি বহিছিল আৰু সেই অনুসৰি autonomous body কৰি দিব লাগে । গতিকে এই কাম গণ-তান্ত্রিক পদ্ধতিত কৰিব খুজিছো । Advisory Board ৰ সিদ্ধান্ত অনুসৰি কৰিবৰ খুজিছো । ইয়াত এটা বেলেগ ভাৱ সোমাই থকা নাই । তয় কথা হৈছে দায়িত্ব এৰি দিব খুজিছো । কিন্তু দায়িত্ব এৰি দিব খোজা নাই বৰং দায়িত্ব সম্পাদন কৰিব খুজিছো । মাননীয় সদস্যসকলে নিজে কৈছে যে ভাৰতবৰ্ষৰ কোনো Film Studio ৰাজ্যিক ক্ষেত্ৰত কৰা নাই । মাননীয় সদস্য সকলে জানে যে এই film industry, Highest effi cient industry. Highest efficient industry Department এ management কৰিব পাৰিব নে নোৱাৰে ? Department এ management কৰিব নোৱাৰে—কাৰণ কিবা এটা বস্তু কিনিব হলে finance Department ৰ concurrent লাগে । bulb এটা কিনিব লগা হলেও concurrent লাগে । গতিকে যিসকলে Hunger Strike কৰিছিল, তেওঁলোকে মানি লবলৈ বাধ্য হৈছিল যে এইটো কাৰ্য্যকৰী কৰিবৰ লৈ হলে এইটোক ব্যক্তিত্ব দিব লাগিব । কথা হৈছে এইটো commercial company ত পৰিণত কৰা কিম্বা Socity ত পৰিণত কৰা । How has it been converted into commercial business ? তাৰ কাৰণে যিবিলাক মানুহ জৰিত আছে, কোনো মানুহে এইটো সোনকালে লাভদায়ক বস্তু হব বুলি বিশ্বাস নকৰে । বৰঞ্চ Suggest কৰিছে—ইতিমধ্যে ভাৰতবৰ্ষত যিবিলাক Studio ৰ নাম হৈছে, সেই বিলাকে Highly developed সেই বিলাকৰ লগত প্ৰতিযোগিতা কৰা নাই । সেইকাৰণে এইটো এতিয়া লাভদায়ক হব বুলি কোনেও নাভাবে।

Shri Premadhar Bora—চৰকাৰী অনুষ্ঠান কোনোটোৱেই লাভদায়ক নহয় বুলি ভাৱে নে ?

Shri Kamakhya Prasad Tripathy—এইটোৰ ক্ষেত্ৰত লাভদায়ক নহব আৰু ইয়াৰ গোটেইখিনি খৰচ চৰকাৰে বহন কৰিব লাগে। যিটো অনুষ্ঠানক এইটো দিয়া হব, সেইটো স্বায়ত্বশাসিত অনুষ্ঠান হব, অথচ খৰচ চৰকাৰে বহন কৰিব। তাৰ ভিতৰত এটা কথা হ'ল যদি স্বায়ত্বশাসিত কৰি দিয়া যায় তেন্তে অনুষ্ঠানটো চৰকাৰৰ guarantee ৰে যি টকা খৰচ কৰা হৈছিল সেই কাৰণে অৱশেষত এই সিদ্ধান্তত উপনীত হলো যে স্বায়ত্বশাসিত চোচাইটিত পৰিণত হব লাগে আৰু সেই হিচাবে registered হব লাগে। Registered Society হলে essential functioning ৰ বাধা যিবিলাক আছে সেইবিলাক পূৰ্ণ হব আৰু এইটো যিবিলাকে Hunger Strike কৰিছিল তেওঁলোকৰ ইচ্ছা অনুসৰি কৰা হৈছিল। পিচত প্ৰশ্ন উঠিছে আইন কৰিব লাগে। Legel Department ক সুধিছিলো তেওঁলোকে কৈছে যে এইটোৰ resolution অনাটোৰ প্ৰয়োজন নাই। কিন্তু মই ভাবিলো যিহেতু ৰাইজৰ ইমান টকা খৰছ কৰি অনুষ্ঠান কৰা হৈছে, গতিকে Assembly ৰ লগত আলোচনা কৰা ভাল হব। আমি বে-আইনিভাৱে কৰিব খোজা নাই। Registered Society কৰিব লগা হলে resolution আনি কৰিব লাগে। তথাপি আনিছো মাননীয় সদস্যসকলৰ লগত আলোচনা কৰি কৰাই ভাল হব। ইয়াত illegelity নাই।

Shri Giasuddin Ahmed – I want a clarification. How can a studio be a society ? Society consists of certain individuals. Society is not a person.

Shri Kamakhya Prasad Tripathy – মাননীয় সদস্য সকলে যেতিয়া resolution পাচ কৰি দিব তেতিয়া Society register কৰাৰ কিছুমান নিয়ম আছে, সেই নিয়মমতে আমি Society registered কৰিম।

Studio বস্তুটো পৰিচালনা যি সকলে কৰে সেই পৰিচালনা মণ্ডলী Society হিচাবে বা কোম্পানী হিচাবে কৰিব পাৰে আৰু Society হিচাবে registerd কৰা হব। তাৰ ভিতৰত মাননীয় সদস্য শ্ৰীদুলাল বৰুৱাই কৈছে যে টকা পইচাৰ কথা নাই। মাননীয় সদস্যই যদি grant No 47 চায় দেখিব – State plan Schedule – 39 Miscellaneous-Social Development Programme—2·44 lakhs. দুই লাখ ৪৪ টকা ধৰা আছে।

Shri Dulal Chandra Barua—মই কৈছো এই Headটো কেতিয়া বদলি কৰিলে। এতিয়া বদলি কৰিলে বুলি মই নেজানো। এই Head ত টকা নাই।

Shri Kamakhya Prasad Tripathy—এতিয়া প্ৰশ্ন হৈছে যে টকা আছে নে নাই ? টকা নাই বুলি আমি অৱহেলা কৰা নাই আৰু আমি চেষ্টা কৰিছো যে যাতে এইটো ভালকৈ চলাব পৰা যায়। এইটোৰ দ্বাৰা আমাৰ কৃষ্টি বিকাশৰ এটা কেন্দ্ৰত পৰিণত হব পাৰে। বহুধৰ্ম বহুভাষাৰ মানুহ নেফা, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আদিত আছে সেইসকলৰ Film Studio ৰ জৰিয়তে ঐক্যবদ্ধ হোৱাত সহায়ক হব বুলি ভাবি এইটো খোলা হৈছে। সেই উদ্দেশ্য সাধন কৰিবৰ কাৰণে এইটো কাম কৰা হৈছে। আমাৰ উদ্দেশ্যৰ কোনো পাৰ্থক্য নাই। আমি কেৱল শিল্পটো Autonomous Body ক দিব বিচাৰিছো।

Shri Sailen Medhi—মই এটা স্পষ্টীকৰণ হব বিচাৰিছো যে ইতিমধ্যে প্ৰকাশন পৰিষদৰ নিচিনা কিছুমান অনুষ্ঠান আছে, যিবিলাক বিধানসভাৰ Resoluton দ্বাৰা সৃষ্টি কৰা হয়। এই Studioটো বিধান সভাত পাছ কৰি আইনৰ জৰিয়তে প্ৰতিস্থিত হোৱা নাই। তাত যিবিলাক চাকৰিয়াল থাকিব সেই বিলাক আন আন চৰকাৰী চাকৰিয়ালৰ দৰে সাংবিধানিক safe guard দ্বাৰা আকৃষ্ট নহয়। ফলত তেওঁলোকক যধেমধে

চাকৰিৰ পৰা খেদাই দিব পাৰে। University, Transport নিগম আদি Act ৰ দ্বাৰা গঠন কৰা হৈছে। গতিকে তাৰ চাকৰিয়াল বিলাক চৰকাৰী চাকৰিয়ালৰ দৰে ধৰা হয়। কিন্তু Resolution ৰ দ্বাৰা কৰা প্ৰতিষ্ঠানৰ চাকৰিয়াল বিলাকৰ তেনেদৰে সাংবিধানিক guard নাথাকে। গতিকে তেওঁলোকক যাতে চাকৰিৰ পৰা যথে মধে খেদিব নোৱাৰে তাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে বিবেচনা কৰিবনে ?

Sri Kamakhya Prasad Tripathy—এই Society হলে বেছি মানুহ লাগিব। গতিকে মানুহ খেদুৱাৰ ঠাইত মানুহ লোৱাৰ কাৰণেহে এইটো কৰিছো। এইটো চলিলে দুগুণ মানুহ লাগিব আৰু Society এ নিজৰ Service Rule কৰিব।

Sri Hiralal Patwarhy—এই Society ৰ কোন মেম্বাৰ হব ?

Sri Kamakhya Prasad Tripaty—Society য়ে পাছত ঠিক কৰিব। এতিয়া Society কৰিম নে নকৰিম সেই বিষয়েহে আলোচনা কৰিছো। আগতে Society কৰা হওক তাৰ পাছত কাক লৈ Society গঠন কৰিম সেইটো পাছত কৰিম It is Government's own Society. It is Government sponsored. আজি কালি প্ৰত্যেক Studio ৰ নিজা Union থাকে, Service rule থাকে, গতিকে তাত কোনো বাধা নাথাকিব।

Shri Giasuddin Ahmed—অধ্যক্ষ ডাঙৰীয়া মই এই কথাটো বুজিছে যে চৰকাৰে এই প্ৰস্তাৱটো পাছ কৰিবৰ কাৰণে দৃঢ় সংকল্প হৈ আছে। ইয়াক আমি বাধা দিও ৰাখিব নোৱাৰিম। কিন্তু ইয়াত এটা Grammatical Mistake আছে। সেইটোকে শুদ্ধ কৰি লওক। ভুলটো হৈছে—This Assembly do now resolve that Jyoti Chitraban ( Film Studio ), Kahilipara, Gauhati be handed over to a Society under the name and title of Jyoti

Chitraban Studio to be registered under the Societies Registration Act.

We cannot pass a wrong resolution.

এইটো শুদ্ধ কৰাঃ নহলে আমাৰ Studio কেনেকৈ হব।

Mr. Speaker—I put the question. The question is that this Assembly do now resolve that the Jyoti Chitraban ( Film Studio ) Kahilipara, Gauhati be converted into Registered Society under the name and title of " Jyoti Chitrban ( Film Studio )" registered under the Societies Registration Act, 1860 ( Act XXI of 1860 ).

( The motion was adopted )

## ADJOURNMENT

The Assembly then adjourned till 10 A.M. on Tuesday, the 23rd March 1971.

U. Tahbildar,
Secretary
Legislative Assembly, Assam

Shillong
The 22nd March, 1971